www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যিজন মানুহে নিজকে নিজে একো শিকোৱা নাই তেওঁক আন কোনেও একো প্ৰয়োজনীয় কথা শিকাব নোৱাৰে। -ষ্টুৱৰ্ট জন্সৱা ৰেগুলচ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ২৮৭ | বৃহস্পতিবাৰ | ২৭ আগষ্ট, ২০২৬ চন | Volume/Year- I | Issue- 287 | Thursday | 27th August, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

নৰেম্বৰত দিল্লীত সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠান ঃ প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনা

## ডিফু, হাফলং, উমৰাংছ'ক পৰ্যটনস্থলী হিচাপে গঢ়িব চৰকাৰে

■ গৌৰৱ গগৈৰ পিতৃ আৰু ৫ বছৰ মুখ্যমন্ত্ৰী হৈ থকা হ'লে কাজিৰঙাত এটাও গঁড় নাথাকিলেহেঁতেন ঃ ড° হিমন্ত বিশ্ব শৰ্মা ■



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজধানী নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি ৰাজ্যৰ বানপানীৰ পৰা আৰম্ভ কৰি উন্নয়ন, পৰ্যটন, ৰাজনীতি আদি বিস্তৃত বিষয়ত সুস্পষ্ট মন্তব্য প্ৰদান কৰে। সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে দিল্লী ভ্ৰমণৰ সময়ত কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীৰ সৈতে হোৱা আলোচনাৰ বিশদ বিৱৰণ সাংবাদিকসকলৰ আগত তুলি ধৰে। মুখ্যমন্ত্ৰী শৰ্মাই প্ৰথমে কয় যে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি অসমত হোৱা ভয়াবহ বানপানীৰ সমস্যা সম্পৰ্কে অৱগত কৰে। লগতে অহা নৱেম্বৰ মাহত নতুন দিল্লীত মহান সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে অসম চৰকাৰে আয়োজন কৰিবলগীয়া স্মাৰক অনুষ্ঠানৰ বিষয়েও ৬ পৃষ্ঠাত

দেশৰ লাখ লাখ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত-বিনিময়

## যুৱ সমাজকে শক্তি হিচাপে স্বীকৃতি দি প্ৰধানমন্ত্ৰী মোদীৰ 'খেলো ইণ্ডিয়া ডায়লগ'



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** এখন দেশৰ আটাইতকৈ ডাঙৰ শক্তি হৈছে দেশখনৰ যুৱ সমাজ। যুৱপ্ৰজন্মৰ সবলীকৰণ, ক্ৰীড়া জগতলৈ তেওঁলোকৰ অৱদান আৰু সমাজ নিৰ্মাণত অংশগ্ৰহণ বৃদ্ধিৰ লক্ষ্যৰে ভাৰত চৰকাৰে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ প্ৰাকক্ষণত চৰকাৰৰ জনসংযোগ প্ৰচেষ্টাৰ কেন্দ্ৰবিন্দুত ক্ৰীড়া, যুৱ নেতৃত্ব আৰু নাগৰিকৰ অংশগ্ৰহণক স্থান দি আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'খেলো ইণ্ডিয়া ডায়লগ' বা 'খেলো ইণ্ডিয়া মত-বিনিময়' নামৰ এক দেশজুৰি অনুষ্ঠিত কাৰ্যসূচীৰ জৰিয়তে সমগ্ৰ ভাৰতৰ ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীসকলৰ সৈতে ৬ পৃষ্ঠাত



পুনৰ উত্তপ্ত গোলাঘাটৰ মেৰাপানীৰ অসম-নাগালেণ্ড সীমান্ত

## অখ্যাত নগা সংগঠনৰ ২ নং নেঘেৰীবিল নাগালেণ্ডৰ অন্তৰ্গত বুলি দাবী; অঞ্চলটোত ৰণচালি নগাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** অসম-নাগালেণ্ড সীমান্তৰ গোলাঘাট জিলাৰ মেৰাপানীৰ ২ নং নেঘেৰিবিল অঞ্চলত নগা আৰু অসমীয়া লোকৰ মাজত সংঘাতক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। খবৰ অনুসৰি, মঙলবাৰে নিশা এজন অসমীয়া লোকক নগা সম্প্ৰদায়ৰ এটা দলে শাৰীৰিকভাৱে অপদস্থ কৰাৰ অভিযোগ উত্থাপিত হয়। এই ঘটনাৰ পিছতে বুধবাৰে স্থানীয় ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি কিছুসময়ৰ বাবে পথ অৱৰোধ কৰে। প্ৰতিবাদকাৰীসকলে দোষীক তৎক্ষণাৎ শাস্তি প্ৰদান কৰাৰ লগতে সীমান্ত অঞ্চলৰ বাসিন্দাসকলৰ সুৰক্ষা নিশ্চিত কৰিবলৈ প্ৰশাসনৰ ওচৰত জোৰ দাবী উত্থাপন কৰে। প্ৰতিবাদ ৬ পৃষ্ঠাত

উচ্ছেদ অভিযান পুনৰ আৰম্ভ কৰিবলৈ চৰকাৰক দাবী

## অবৈধ অনুপ্ৰৱেশ আৰু অপৰাধ ৰোধৰ দাবীত সৰৱ অসমীয়া যুৱ মঞ্চ



**অসম বাৰ্তা, চেলেংহাট, ২৬ আগষ্টঃ** ৰাজ্যত ক্ৰমবৰ্ধমান অপৰাধমূলক কাৰ্যকলাপ, অবৈধ অনুপ্ৰৱেশ আৰু বেদখলক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে অসমীয়া যুৱ মঞ্চই। শেহতীয়াকৈ ড্ৰাগছ মাফিয়া আৰু অপৰাধ চক্ৰৰ দৌৰাত্ম্যৰ ফলত আৰক্ষী বিষয়া তথা থলুৱা নিৰীহ যুৱকে প্ৰাণ হেৰুৱাবলগীয়া হোৱা ঘটনাক তীব্ৰ গৰিহণা দি সকলো দোষীক আইনৰ আওতালৈ ৬ পৃষ্ঠাত

## ২৯ আগষ্টত কংগ্ৰেছৰ ৰাজ্যজুৰি পদযাত্ৰা

পৰিৱেশ সংবেদনশীল অঞ্চলৰ পৰিধি ১০ কিলোমিটাৰৰ পৰা ১ কিলোমিটাৰলৈ হ্ৰাসক লৈ ক্ষোভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬ আগষ্ট ঃ** কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ সংবেদনশীল অঞ্চল (Eco-Sensitive Zone)ৰ পৰিধি বৰ্তমানৰ ১০ কিলোমিটাৰ ব্যাসাৰ্ধৰ পৰা মাত্ৰ ১ কিলোমিটাৰলৈ হ্ৰাস কৰাৰ অসম চৰকাৰৰ প্ৰস্তাৱে ৰাজ্যত তীব্ৰ ৰাজনৈতিক বিতৰ্কৰ সৃষ্টি কৰিছে। এই সিদ্ধান্তৰ বিৰুদ্ধে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে অহা ২৯ আগষ্টত ৰাজ্যজুৰি ব্যাপক পদযাত্ৰা কাৰ্যসূচী ৰূপায়ণৰ ঘোষণা কৰিছে। বিশ্ব ঐতিহ্যক্ষেত্ৰ ৫ পৃষ্ঠাত

বিহাৰত মোতায়েন ৯টা এনডিআৰএফ দল ঃ উত্তৰ প্ৰদেশৰ মহাৰাজ -গঞ্জ আৰু কুশীনগৰৰ প্ৰশাসনক সজাগ থকাৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

## বিহাৰ-উত্তৰ প্ৰদেশলৈ হাই এলাৰ্ট জাৰি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** নেপালত সংঘটিত ভয়ংকৰ বানপানীৰ প্ৰভাৱ সীমান্তৱৰ্তী ভাৰতীয় ৰাজ্য বিহাৰ আৰু উত্তৰ প্ৰদেশলৈও বিস্তৃত হৈ পৰিছে। ফলত দুয়োখন ৰাজ্যৰ প্ৰশাসনে উচ্চ সতৰ্কতা (হাই এলাৰ্ট) জাৰি কৰি সম্ভাব্য প্ৰতিকূল পৰিস্থিতি মোকাবিলাৰ বাবে আগতীয়া প্ৰস্তুতি ত্বৰান্বিত কৰিছে। নেপালৰ নদীসমূহৰ পানীৰ পৰ্যায় বৃদ্ধি পোৱাৰ লগে লগে ভাৰতীয় সীমান্তৱৰ্তী অঞ্চলসমূহত ৬ পৃষ্ঠাত

১৫ দিনৰ ভিতৰত দণ্ডাধীশক প্ৰতিবেদন দাখিলৰ নিৰ্দেশ

## মানসজ্যোতি চেতিয়াৰ মৃত্যুৰ ঘটনাৰ দ্ৰুত তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** ৰাজ্যখনত বানপীড়িত লোকসকলক সহায় আগবঢ়োৱাৰ মাজতে ৰহস্যজনকভাৱে প্ৰাণ হেৰুওৱা বীৰ লাচিত সেনাৰ নেতা মানসজ্যোতি চেতিয়াৰ মৃত্যুৰ ঘটনাক লৈ ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। এই পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘটনাটোৰ তদন্ত ক্ষিপ্ৰ কৰাৰ নিৰ্দেশ প্ৰদান কৰিছে। ইতিমধ্যে ৰপ্ত দিনৰ ভিতৰত ৬ পৃষ্ঠাত

"আমাৰো পাপ আছে, আমিও মানুহ চিনাত ভুল কৰিছোঁ"

## বিজেপিৰ সম্ভাব্য প্ৰাৰ্থী দেৱাশিস শৰ্মাৰ বিৰুদ্ধে তদন্তৰ দাবী ৰকিবুল হুছেইনৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** অহা নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ আজি ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে নিজ বাসগৃহত এখন সংবাদমেল সম্বোধন কৰি একাধিক বিতৰ্কিত মন্তব্য কৰে। বিজেপিৰ সম্ভাব্য প্ৰাৰ্থী হিচাপে জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ নাম চৰ্চা হোৱাৰ প্ৰসংগত তেওঁ কটাক্ষ কৰি কয়, "আমাৰো পাপ আছে, আমিও ভুল কৰিছো। মানুহ চিনাৰ ভুল।" তেওঁ লগতে কয় যে নিৰ্বাচনৰ সময়ত এনে কুচ-কাৱাজ হয়, কিন্তু পৃথিবীৰ কোনো ঠাইতে নিৰ্বাচন পৰিচালনাকৰ্তা বিষয়াজনেই প্ৰাৰ্থী হয় ৬ পৃষ্ঠাত

২০২৭ চনত ভাৰতত পৰৱৰ্তী বৈঠক অনুষ্ঠিত কৰিবলৈ দুয়োপক্ষ সহমত

## ভাৰত-চীন বিশেষ প্ৰতিনিধি বৈঠকত সীমান্ত সহযোগিতা, কৈলাস-মানসৰোবৰ যাত্ৰাত সন্মতি



**নিউজ ডেস্ক, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** ভাৰত আৰু চীনৰ মাজত অনুষ্ঠিত বিশেষ প্ৰতিনিধি পৰ্যায়ৰ আলোচনাই দুই দেশৰ সম্পৰ্কৰ বাবে এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। এই বৈঠকত সীমান্ত অঞ্চলৰ শান্তি, স্থিৰতা আৰু পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ লক্ষ্যৰে কেইবাটাও অৰ্থপূৰ্ণ সিদ্ধান্তগ্ৰহণ কৰা হয়। ৬ পৃষ্ঠাত

## ৰঙাপৰা ৰে'ল জংচনত বৃহৎ তেল চুৰি চক্ৰ উৎখাত

সেনাৰ গোপন অভিযানত ৭৪ ড্ৰাম ডিজেল জব্দ ঃ ৯জনক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** অসমত অপৰাধ ৰোধত আৰক্ষী কঠোৰ হৈ পৰিলেও উজনি আৰু নামনি-মধ্য অসমত তেল চুৰিৰ ঘটনা অব্যাহত আছে। আৰক্ষীয়ে সময়ে সময়ে ৬ পৃষ্ঠাত

■ তিনিগৰাকী মন্ত্ৰী আৰু মুখ্য সচিবৰ উপস্থিতিত গুৰুত্বপূৰ্ণ সিদ্ধান্ত ■

## অসমৰ সাঁচি কাঠ খণ্ডৰ উন্নয়নৰ বাবে টাস্ক ফ'ৰ্চৰ প্ৰথমখন বৈঠক সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৬আগষ্ট ঃ** অসমৰ সাঁচি কাঠ (আগৰউড) খণ্ডৰ বহণক্ষম উন্নয়ন আৰু প্ৰসাৰৰ লক্ষ্যৰে গঠিত বহু-বিভাগীয় টাস্ক ফ'ৰ্চে আজি গুৱাহাটীৰ খানাপাৰাস্থিত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত প্ৰথমখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত কৰে। এই এক দিনজোৱা মত-বিনিময় ৬ পৃষ্ঠাত



অসমৰ দীৰ্ঘম্যাদী বিদ্যুৎ প্ৰয়োজনীয়তা, গেছভিত্তিক বিদ্যুৎ উৎপাদন বিষয়ক আলোচনা

## কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লাল খট্টৰৰ সৈতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বৈঠক

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** অসমৰ মুখ্যমন্ত্ৰী ডঙ্গ হিমন্ত বিশ্ব শৰ্মাই বুধবাৰে ৰাজধানী নতুন দিল্লীত কেন্দ্ৰীয় শক্তি আৰু গৃহ নিৰ্মাণ তথা নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লাল খট্টৰৰ চৰকাৰী বাসভৱনত এক উচ্চপৰ্যায়ৰ বৈঠকত মিলিত হয়। এই বৈঠকখনত ৰাজ্যখনৰ শক্তি খাতৰ জৰুৰী প্ৰয়োজনীয়তা, বিদ্যুৎ আন্তঃগাঁথনিৰ আধুনিকীকৰণ, আৰু দীৰ্ঘম্যাদী নগৰ উন্নয়নৰ অগ্ৰাধিকাৰসমূহ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। সাক্ষাৎ কালত মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ শক্তি ক্ষেত্ৰত উপভোক্তাকেন্দ্ৰিক সংস্কাৰ আগবঢ়োৱাৰ লগতে ৰাজ্যখনক শক্তিৰ দিশত আত্মনিৰ্ভৰশীল কৰি তোলাৰ বাবে গ্ৰহণ কৰা উচ্চাকাংক্ষী পদক্ষেপসমূহ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ আগত উপস্থাপন কৰে। আলোচনাৰ মূল সূত্ৰধাৰ আছিল অসমৰ দীৰ্ঘম্যাদী বিদ্যুৎ চাহিদা আৰু কেন্দ্ৰীয় বিদ্যুৎ উৎপাদন কেন্দ্ৰসমূহৰ পৰা ৰাজ্যখনক প্ৰদান কৰা বিদ্যুৎ আৱণ্টনসমূহৰ অধিক কাৰ্যক্ষম আৰু যুক্তিসংগত ব্যৱহাৰ নিশ্চিত কৰাৰ উপায়। মুখ্যমন্ত্ৰী শৰ্মাই কয়, ৰাজ্যখনৰ শক্তি কৌশলৰ এটা মুখ্য লক্ষ্য হৈছে ৬ পৃষ্ঠাত



## বকোৰ লাম্পিত চাঞ্চল্যকৰ অগ্নিকাণ্ডত আৰক্ষী জোৱানৰ বাহন ভস্মীভূত

খাছী দুৰ্বৃত্তৰ সন্দেহত তদন্ত; ফৰেনছিক দলৰ তথ্য সংগ্ৰহ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** অসম-মেঘালয় সীমান্তৰ অতি স্পৰ্শকাতৰ বকোৰ লাম্পিত অঞ্চলত সংঘটিত এক উদ্বেগজনক ঘটনাই সমগ্ৰ সীমান্তৱৰ্তী অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বুধবাৰে পুৱা অসম আৰক্ষীৰ এজন জোৱানৰ বাহন জ্বলি সম্পূৰ্ণৰূপে পুৰি ভস্মীভূত হৈ থকাৰ ঘটনা ধৰা পৰে। উদ্ধাৰ হোৱা বাহনখন অসম আৰক্ষীৰ ২৮নং বেটেলিয়ানৰ হাবিলদাৰ ৰবিন্দ ৰায়ৰ বুলি ৬ পৃষ্ঠাত

## নেপালত ভয়ংকৰ বানপানী প্ৰধানমন্ত্ৰী মোদীৰ গভীৰ উদ্বিগ্নতা

ভাৰতীয় বায়ুসেনাৰ সাহায্যবাহী বিমান নেপাললৈ ৰাওনা; বিহাৰৰ কেইবাখনো জিলাত সজাগতা জাৰি



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** উত্তৰ নেপালত হঠাৎ সংঘটিত ভয়াবহ বানপানীৰ ঘটনাই সমগ্ৰ অঞ্চলত শোকৰ ছাঁ পেলাইছে। এই দুৰ্যোগক লৈ গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। সামাজিক যোগাযোগ মাধ্যম এক্সযোগে দিয়া এক বাৰ্তাত তেওঁ বানপানীৰ ফলত প্ৰাণ হেৰুওৱা লোকসকলৰ ৬ পৃষ্ঠাত

হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত মুছলপুৰত পিএমবি বৈঠক

## বিটিচিৰ পাঁচ জিলাৰ মুখ্য ব'ৰ্ডত বিজেপি সদস্য অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত বিপিএফৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল (বিটিচি)ৰ ৰাজনৈতিক পৰিসৰত আজি এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বড়ো জনজাতিৰ নেতা তথা বড়ো পিপলছ ফ্ৰণ্টৰ (বিপিএফ) সভাপতি হাগ্ৰামা মহিলাৰীৰ প্ৰত্যক্ষ উপস্থিতিত ৬ পৃষ্ঠাত

## নেপালৰ ধ্বংসাত্মক বানপানীত কৈলাস-মানসৰোবৰ অভিমুখী চাৰিশতাধিক তীৰ্থযাত্ৰী নিৰুদ্দেশ

শতাধিক ভাৰতীয় সন্ধানহীন; ১৪খন হেলিকপ্টাৰযোগে অভিযান



**ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ২৬ আগষ্ট ঃ** নেপালত আকস্মিকভাৱে সংঘটিত বানপানীয়ে চৰম ত্ৰাস আৰু ধ্বংসলীলাৰ সৃষ্টি কৰিছে। বুধবাৰে পুৱাৰ ভাগত অহা এই প্ৰলয়ংকৰী বানে ৰাছুৱা আৰু ধাডিং জিলাৰ নেপাল-চীন সীমান্তৱৰ্তী অঞ্চলৰ গাঁওসমূহ ধ্বংসস্তূপত পৰিণত কৰাৰ লগতে জলবিদ্যুৎ আৰু যোগাযোগ ব্যৱস্থাকে ধৰি জটিল ৬ পৃষ্ঠাত

বন বিভাগৰ নিয়ম-কানুনক অংগুষ্ঠ প্ৰদৰ্শন কৰি ডাম্পাৰে-ডাম্পাৰে অবৈধ বালি সৰবৰাহ

## কাৰ ছত্ৰছায়াত গিবনৰ বুকুত অবৈধ বালি খনন

**অসম বাৰ্তা, মৰিয়নি, ২৬ আগষ্ট ঃ** যোৰহাট জিলাৰ মৰিয়নিৰ আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত গিৱন অভয়াৰণ্যৰ সংবেদনশীল এলেকাৰ ভিতৰত খোদ বন বিভাগৰ চকুৰ সন্মুখতে অবৈধভাৱে বালি খনন চলি থকাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। যি সময়ত বন মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই অবৈধ বালি খননৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ বন বিভাগক কঠোৰ নিৰ্দেশ জাৰি কৰাৰ পিছতো মৰিয়নি নাগাজাংকাৰ কল্যাণপুৰ, মৰিয়নি কঠাগুৰি, মৰিয়নি গান্ধী নগৰ আৰু পুখুৰীয়া-দেৱাগুৰি অঞ্চলত প্ৰয়োজনীয় অনুমোদন অবিহনে বালি খনন আৰু পৰিবহণ চলি থকাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, একাংশ খননস্থলীত Environmental Clearance (EC), TP তথা মাইনিং বিভাগৰ প্ৰয়োজনীয় অনুমতি নথকাৰ পাছতো বালি খনন চলি আছে। ফলত চৰকাৰে লাভ কৰিবলগীয়া ৰাজহ ফাঁকি যোৱাৰ সম্ভাৱনাৰ ৬ পৃষ্ঠাত



উদয় আদিত্য গোস্বামীৰ সামাজিক দায়বদ্ধতা আৰু মানবীয় প্ৰমূল্যবোধক শলাগ

# শিৱসাগৰৰ দুগৰাকী বানপীড়িত শিক্ষাৰ্থীৰ পঢ়াৰ সম্পূৰ্ণ দায়িত্ব ল'লে গহপুৰৰ শংকৰদেৱ শিক্ষা নিকেতনে

**অসম বাৰ্তা, গহপুৰ, ২৫ আগষ্ট ঃ** উজনি অসমৰ শেহতীয়া ভয়াৱহ বান পৰিস্থিতিয়ে বহু পৰিয়ালৰ জীৱনলৈ নমাই আনিছে ঘোৰ অন্ধকাৰ। বানৰ তাণ্ডৱত কোনোবাই আপোনজনক হেৰুৱাইছে, কোনোবাই হেৰুৱাইছে ঘৰ-বাৰী, সা-সম্পত্তি আৰু জীৱনজোৰা সাঁচতীয়া। এই দুৰ্যোগৰ মাজতে শৈক্ষিক জীৱনো অনিশ্চয়তাৰ গৰাহত পৰা দুগৰাকী বানপীড়িত শিক্ষাৰ্থীৰ কাষত থিয় হৈ মানৱীয় প্ৰমূল্যবোধ আৰু সামাজিক দায়বদ্ধতাৰ এক অনন্য নিদৰ্শন দাঙি ধৰিছে গহপুৰৰ সোলেঙীস্থিত অসমৰ আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান শংকৰদেৱ শিক্ষা নিকেতনে। শিৱসাগৰ জিলাৰ নাজিৰাৰ বিহুবৰ নেপালী খুটি অঞ্চলৰ বানপীড়িত দুগৰাকী শিক্ষাৰ্থী মোহিত কৰ্মকাৰ আৰু সুৰজ ভূমিজক অষ্টম শ্ৰেণীত নামভৰ্তি কৰি তেওঁলোকৰ পঢ়া-শুনাৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছে শংকৰদেৱ শিক্ষা নিকেতন, গহপুৰে। ভয়াৱহ বানত মোহিত কৰ্মকাৰে পিতৃক হেৰুৱাইছে। আনহাতে, বানৰ প্ৰলয়ত ঘৰ-বাৰী হেৰুৱাই সৰ্বস্বান্ত হৈছে সুৰজ ভূমিজৰ পৰিয়াল। এনে এক কঠিন সময়ত দুয়োগৰাকী শিক্ষাৰ্থীৰ ভৱিষ্যৎ যাতে বানৰ পানীৰ সৈতে উটি নাযায়, তাৰ প্ৰতি লক্ষ্য ৰাখি শংকৰদেৱ শিক্ষা নিকেতনৰ সভাপতি উদয় আদিত্য গোস্বামীয়ে গ্ৰহণ কৰা এই পদক্ষেপক শলাগ লৈছে শিক্ষানুৰাগী ৰাইজে। বানপানীয়ে তেওঁলোকৰ জীৱনত সৃষ্টি কৰা শূন্যতা আৰু অনিশ্চয়তাৰ মাজতো শিক্ষাৰ জৰিয়তে নতুন আশাৰ বাট মুকলি কৰাৰ প্ৰচেষ্টা হিচাপে বিদ্যালয়খনৰ এই উদ্যোগক ইতিবাচকভাৱে গ্ৰহণ কৰিছে সচেতন মহলে। উল্লেখযোগ্য যে বানপানীৰ ফলত বহু ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়লৈ যোৱা বন্ধ হৈছে। বহু পৰিয়ালে ঘৰ-বাৰী, খেতি-পথাৰ, সা-সম্পত্তি হেৰুৱাই জীৱন-জীৱিকাৰ নতুন সংগ্ৰামত নামিবলগীয়া হৈছে। এনে পৰিস্থিতিত বহু শিক্ষাৰ্থীৰ শৈক্ষিক সপোনো আধৰুৱা হৈ পৰাৰ আশংকা দেখা দিছে। ঠিক এনে সময়তে মোহিত আৰু সুৰজৰ শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰি শংকৰদেৱ শিক্ষা নিকেতনে শিক্ষাৰ অধিকাৰ আৰু সামাজিক দায়িত্বৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰিছে। অসমৰ প্ৰতিষ্ঠিত সাংবাদিক সুনিল বৰাৰ নেতৃত্বত দুয়োগৰাকী শিক্ষাৰ্থীক শংকৰদেৱ শিক্ষা নিকেতনৰ পৰিয়ালে উষ্ম আদৰণি জনায়। ছাত্ৰ দুগৰাকীক শিৱসাগৰৰ পৰা আনি শংকৰদেৱ শিক্ষা নিকেতনত নামভৰ্তি কৰাৰ ক্ষেত্ৰত বিশেষভাৱে আগভাগ লয় জ্যেষ্ঠ সাংবাদিক সুনীল বৰাই। সাংবাদিক সুনীল বৰাৰ লগতে বিদ্যালয়খনৰ সভাপতি উদয় আদিত্য গোস্বামীৰ উদ্যোগ আৰু নেতৃত্বত গ্ৰহণ কৰা এই পদক্ষেপে দুয়োগৰাকী ছাত্ৰৰ শৈক্ষিক জীৱনলৈ নতুন আশাৰ সঞ্চাৰ কঢ়িয়াই কৰিছে। শংকৰদেৱ শিক্ষা নিকেতনৰ এই পদক্ষেপ কেৱল দুগৰাকী শিক্ষাৰ্থীক বিদ্যালয়ত নামভৰ্তি কৰোৱাতে সীমাবদ্ধ নহয়; বৰং দুৰ্যোগৰ সময়ত সমাজৰ অসহায় লোকৰ কাষত থিয় দিয়াৰ এক সুন্দৰ বাৰ্তাও বহন কৰিছে। বানৰ বিভীষিকাই জীৱনলৈ নমাই অনা অমানিশাৰ মাজত শিক্ষা আৰু মানৱীয়তাৰ পোহৰে দুয়োগৰাকী শিক্ষাৰ্থীৰ ভৱিষ্যৎ উজলাই তুলিব বুলি আশা প্ৰকাশ কৰিছে শুভাকাংক্ষীসকলে।

# মাজুলীত গোধনৰ কৃত্ৰিম প্ৰজনন বিষয়ত জিলা পৰ্যায়ত বৃহৎ সজাগতা সভা

## কৃত্ৰিম প্ৰজননৰ জৰিয়তে আৰ্থিক স্বাৱলম্বিতাৰ সুবিধা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তৰ আহ্বান

**অসম বাৰ্তা, উজনী মাজুলী, ২৫ আগষ্ট ঃ** মাজুলী জিলা পশুপালন আৰু পশুচিকিৎসা বিভাগৰ উদ্যোগত অসম পশুধন উন্নয়ন অভিকৰণৰ সৌজন্যত আৰু ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় গোকুল মিছনৰ সহযোগত আজি মাজুলীত গোধনৰ কৃত্ৰিম প্ৰজনন বিষয়ত জিলা পৰ্যায়ৰ এজন সজাগতা সভা অনুষ্ঠিত হয়। মাজুলী সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি দুপৰীয়া এঘাৰ বজাত অনুষ্ঠিত হোৱা উক্ত সজাগতা সভাৰ আঁত ধৰে জিলা পশুপালন আৰু পশুচিকিৎসা বিভাগৰ কৰ্মচাৰী নিবাৰণ শইকীয়াই। মাজুলী জিলা পশুপালন আৰু পশুচিকিৎসা বিভাগৰ জিলা বিষয়া ডাঃ থানেশ্বৰ মূদৈয়ে উদ্দেশ্য ব্যাখ্যা কৰি আদৰণী ভাষণ প্ৰদান কৰে। তেওঁ নিজৰ উদ্দেশ্য ব্যাখ্যাত কয় যে পশুধন সৰ্বোচ্চ মাজুলীত গাই গৰুক কৃত্ৰিম প্ৰজননৰ চৰকাৰী সুবিধা সকলো পশু পালকে গ্ৰহণ কৰিব লাগে। কৃত্ৰিম প্ৰজননে দুগ্ধ উৎপাদন বৃদ্ধি হ'ব লাগে, থলুৱা আৰু উন্নত প্ৰজাতিৰ সকলো গাই গৰুক কৃত্ৰিম প্ৰজননৰ সুবিধা ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি মাজুলীৰ সকলো পশু পালকক কৃত্ৰিম প্ৰজননৰ জৰিয়তে আৰ্থিক স্বাৱলম্বিতাৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আয়ুক্তজনে মাজুলীৰ চৰ চাপৰিৰ অঞ্চলৰ লগতে বিভিন্ন গাঁও আৰু সত্ৰৰ পশুপালকসকলক কৃত্ৰিম প্ৰজননৰ বাবে গোপাল মিত্ৰসকলক যোগাযোগ কৰিবলৈ আহ্বান জনায়। উক্ত, সজাগতা সভাত মাজুলীৰ প্ৰগতিশীল পশু পালক উৎপল মহন্ত, (ভোগপুৰ সত্ৰ), জুৰেল পেগু ( নয়াবজাৰ) আৰু মঞ্চজ্যোতি দুৱৰা (ম'হকিনা)ক সম্বৰ্ধনা জনোৱা হয়। সভাত সম্বৰ্ধিত প্ৰগতিশীল পশু পালক উৎপল মহন্তই তেওঁৰ জাৰ্চী গাই গৰু পুহি পোৱা উপকাৰীতাসমূহ ব্যাখ্যা কৰে। ২০১৯ চনত এজনী জাৰ্চী গাই পুহি দুগ্ধ উৎপাদন আৰম্ভ কৰা তেওঁৰ অভিজ্ঞতা ব্যাখ্যা কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে মাজুলী জিলা পৰিষদৰ অধ্যক্ষা নৱনীতা দাস, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সঞ্জীৱ বৰা, মাজুলী জিলা প্ৰশাসনৰ সহকাৰী আয়ুক্ত অনুৰাগ প্ৰতীম বৰবৰা, মাজুলী পুৰবী ডায়েৰীৰ চুপাৰ ভাইজাৰ পৰাগ বৰুৱাই অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। পুৰবী ডায়েৰীৰ চুপাৰ ভাইজাৰ পৰাগ বৰুৱাই মাজুলীত যিমান গাখীৰ উৎপাদন হ'ব, সকলো পুৰবী ডায়েৰীয়ে ক্ৰয় কৰিব বুলি উল্লেখ কৰে। তেওঁ ২০২৫ চনৰ ১৯ নৱেম্বৰত মাজুলীত পুৰবী ডায়েৰী উদ্বোধন কৰা দিনৰ পৰাই জিলাখনত দুগ্ধ সমবায়ৰ জৰিয়তে গাখীৰ ক্ৰয় কৰি থকা হৈছে বুলি আজি উল্লেখ কৰে। উক্ত, সজাগতা সভাত মাজুলী পশুপালন আৰু পশু চিকিৎসা বিভাগৰ পশু চিকিৎসক ডাঃ ভাইকন সিং, ডাঃ দ্বীপজ্যোতি ভূঞা, ডাঃ মৃগাংক বৰুৱা আৰু ডাঃ সুকন্যা দেউৰীৰ লগতে বিভাগৰ সকলো কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় নিবাৰণ শইকীয়াই। উক্ত, সজাগতা সভাত মাজুলীৰ সকলো জিলা পৰিষদৰ সদস্য-সদস্যা, পঞ্চায়ত প্ৰতিনিধি, ৱাৰ্ড সদস্য-সদস্যা, প্ৰগতিশীল পশু পালকসহ কেইশতাধিক লোকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে জিলা পশুপালন আৰু পশুচিকিৎসা বিষয়া ডাঃ থানেশ্বৰ মূদৈয়ে।

# জনীয়াত ৰাজ্যিক ভিত্তিত ই-ৰিক্সা চালক সন্থা গঠনাৰ্থে সাধাৰণ সভা

**অসম বাৰ্তা, জনীয়া, ২৫ আগষ্ট ঃ** বৰপেটা জিলা প্ৰগতিশীল ই-ৰিক্সা শ্ৰমিক ইউনিয়নৰ উদ্যোগত আৰু কোকৰাঝাৰ, ধুবুৰীকে ধৰি পাঁচখন জিলাৰ ই-ৰিক্সা চালকৰ সহযোগত বৰপেটাৰ জনীয়া সত্ৰৰ সভাকক্ষত ই-ৰিক্সা শ্ৰমিকসকলৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা অনুষ্ঠিত হয়। বৰপেটা জিলা প্ৰগতিশীল ই-ৰিক্সা শ্ৰমিক ইউনিয়নৰ সভাপতি অচ্যুত পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক আব্দুল হাইয়ে। অতিথি আদৰণি পৰ্ব পৰিচালনা কৰে বৰপেটা জিলা প্ৰগতিশীল ই-ৰিক্সা শ্ৰমিক ইউনিয়নৰ কাৰ্যকৰী সভাপতি আব্দুল হালিমে। সভাত অতিথি হিচাপে জনীয়া সত্ৰ পৰিচালনা সমিতিৰ সভাপতি ৰবেন দাস, জনীয়া এফ এ এ এম ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পিজিটি দেৱান দানেচ আলী, জনীয়া আঞ্চলিক হাইস্কুলৰ শিক্ষক সঞ্জীৱ কুমাৰ দাস, জনীয়াৰ জ্যেষ্ঠ সাংবাদিক তথা বৰপেটা জিলা প্ৰগতিশীল ই-ৰিক্সা শ্ৰমিক ইউনিয়নৰ মুখ্য উপদেষ্টা মইনুল হক চৌধুৰী, ঈশান নিউজৰ সাংবাদিক আবুল হুছেইনে ই-ৰিক্সা চালকৰ বিভিন্ন সমস্যা আৰু সমাধানৰ উপায় সম্পৰ্কে বক্তব্য ৰাখে। তদুপৰি সভাত বিভিন্ন জিলাৰ অহা প্ৰতিনিধিসকলে ৰাজ্যিক ভিত্তিত ই-ৰিক্সা শ্ৰমিক ইউনিয়ন গঠন কৰি চালকসকলৰ সমস্যা সমাধানৰ বাবে এক শক্তিশালী ৰাজ্যিক সংগঠন প্ৰতিষ্ঠা কৰাৰ ওপৰত গোসাঁইগাঁও মহকুমা ই-ৰিক্সা চালক সন্থাৰ সভাপতি বিষ্ণু বৰ্মন, কোকৰাঝাৰ ই-ৰিক্সা চালক সন্থাৰ সভাপতি অভিজিৎ ব্ৰহ্ম, ধুবুৰী ই-ৰিক্সা চালক সন্থাৰ সভাপতি ৰাজীৱ দাস আদি কৰি কেইবাগৰাকীয়ে চালকৰ বিভিন্ন দিশ সন্দৰ্ভত বিস্তৃত আলোচনা কৰা হয়। অন্তত অচ্যুত পাঠকক মুখ্য আহ্বায়ক হিচাপে লৈ ১৬ জনীয়া এখন আহ্বায়ক কমিটি গঠন কৰি পৰৱৰ্তী সময়ত পূৰ্ণাংগ ৰাজ্যিক কমিটি কেনেদৰে গঠন কৰিব পৰা যায় সেই সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। সভাৰ অন্তত এখন সংবাদমেল সম্বোধন কৰি ই-ৰিক্সা চালকসকলৰ প্ৰতিনিধিসকলে অভিযোগ কৰে যে বিভিন্ন জিলাত প্ৰশাসনে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথৰ বিভিন্ন স্থানত ই-ৰিক্সা চলাচল নিষেধাজ্ঞা জাৰি কৰাৰ ফলত সাধাৰণ খাটি-খোৱা শ্ৰমিকসকল গভীৰ সংকটৰ সন্মুখীন হৈছে। তেওঁলোকৰ মতে বহু দৰিদ্ৰ পৰিয়ালে পৰিয়ালৰ ভৰণ-পোষণৰ লগতে সন্তানসকলক উচ্চ শিক্ষাৰে শিক্ষিত কৰি ভৱিষ্যৎ গঢ়াৰ আশাত ই-ৰিক্সা চলোৱাক জীৱিকাৰ মাধ্যম হিচাপে বাছি লৈছিল। কিন্তু বিভিন্ন স্থানত ই-ৰিক্সা চলাচল বন্ধ হোৱাত এই শ্ৰমিকসকলৰ দৈনন্দিন উপাৰ্জন ব্যাহত হৈছে আৰু পৰিয়াল চলোৱাটো কঠিন হৈ পৰিছে বুলি ক্ষোভেৰে সংবাদদমেলত ব্যক্ত কৰে। চালক সকলৰ এই পৰিস্থিতিত ই-ৰিক্সা চালকসকলৰ সমস্যা চৰকাৰৰ ওচৰত সুসংগঠিতভাৱে উত্থাপন কৰাৰ লগতে তেওঁলোকৰ অধিকাৰ আৰু জীৱিকাৰ সুৰক্ষাৰ বাবে সদৌ অসম ভিত্তিত এখন শক্তিশালী ই-ৰিক্সা শ্ৰমিক ইউনিয়ন গঠনৰ প্ৰয়োজনীয়তা আছে বুলি সভাত মত প্ৰকাশ কৰা হয়। সভাত বৰপেটা, কোকৰাঝাৰ, ধুবুৰীকে ধৰি পাঁচখন জিলাৰ ই-ৰিক্সা চালকসকলে একত্ৰিত হৈ ৰাজ্যিক পৰ্যায়ৰ সংগঠন গঠনৰ প্ৰস্তুতি আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আগন্তুক দিনত অধিক জিলাৰ ই-ৰিক্সা চালকক সংগঠিত কৰি এখন পূৰ্ণাংগ ৰাজ্যিক কমিটি গঠন কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে।

# বানে গৰকা আমগুৰি সামূহিক চিকিৎসালয় পুনৰুদ্ধাৰৰ দাবীত মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ

**অসম বাৰ্তা, চেলেংহাট, ২৫ আগষ্ট ঃ** যোৱা ১৯ জুলাইত হোৱা ভয়াৱহ জলপ্ৰলয়ে অধুনালুপ্ত আমগুৰি সমষ্টি তথা বৰ্তমানৰ নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত আমগুৰি পৌৰসভা এলেকাধীন ৩০খন বিছনাযুক্ত সামূহিক চিকিৎসালয়খন সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি থৈ যোৱাৰ পিছত, চিকিৎসালয়খনৰ পুনৰুদ্ধাৰৰ দাবীত মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে আমগুৰি লেখিকা সমাৰোহ সমিতিয়ে। উক্ত প্ৰলয়ংকাৰী বানত হস্পিতেলখনৰ এক্সৰে মেচিন, আলট্ৰাচাউণ্ড মেচিন আৰু পৰীক্ষাগাৰৰ সঁজুলিকে ধৰি সকলো সা-সামগ্ৰী পানীত ডুবি সম্পূৰ্ণৰূপে নষ্ট হৈ যায়। ইয়াৰ ফলত বৃহত্তৰ আমগুৰি অঞ্চলৰ বানাক্ৰান্ত ৰাইজৰ প্ৰাথমিক চিকিৎসাৰ ক্ষেত্ৰতো হাহাকাৰ সৃষ্টি হৈছে। যিহেতু আমগুৰিৰ লগতে কাষৰীয়া এক বৃহৎ এলেকাৰ ৰাইজ সম্পূৰ্ণৰূপে এই চৰকাৰী চিকিৎসালয়খনৰ ওপৰতে নিৰ্ভৰশীল। বানৰ পিছত অৰ্থনৈতিকভাৱে দুৰ্বল হৈ পৰা সাধাৰণ মানুহৰ বাবে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত উচ্চ হাৰত চিকিৎসা কৰোৱাটোও সম্ভৱ হোৱা নাই। স্মাৰকপত্ৰত উল্লেখ কৰা মতে, বানৰ ক্ষতিৰ বাহিৰেও চিকিৎসালয়খনে ইতিমধ্যে একাধিক সমস্যাৰ সন্মুখীন হৈ আছিল। চিকিৎসালয়ৰ কোৱাৰ্টাৰ, অ'পাৰেচন থিয়েটাৰ আদি জৰাজীৰ্ণ অৱস্থাত থকাৰ উপৰিও চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ সংখ্যা প্ৰয়োজনৰ তুলনাত যথেষ্ট কম। থকা কেইজনকো সঘনাই বদলি কৰা হৈ আছে। দীৰ্ঘদিন ধৰি চিকিৎসালয়খনত চন'গ্ৰাফী কৰিব পৰা চিকিৎসকো নাই বুলি স্মাৰক পত্ৰত উল্লেখ কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত আমগুৰি লেখিকা সমাৰোহ সমিতিৰ মুখ্য উপদেষ্টা দিপালী শইকীয়া বৰুৱা, সভাপতি ৰাণী শৰ্মা, সম্পাদিকা বুলুআৰা বেগমকে ধৰি ৰজিতা শইকীয়া, মণিমালা দত্ত আৰু জুৰি শইকীয়াই স্বাক্ষৰিত স্মাৰকপত্ৰখনত নষ্ট হোৱা যন্ত্ৰ-পাতি আৰু পৰীক্ষাগাৰৰ সামগ্ৰী পুনৰ যোগান ধৰা, আন্তঃগাঁঠনি নিৰ্মাণ কৰা লগতে দুজনমান চিকিৎসক, নাৰ্চ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিয়োগ দিবলৈ অনুৰোধ জনোৱা হৈছে। স্মাৰকপত্ৰখনৰ প্ৰতিলিপি জিলা আয়ুক্তলৈও প্ৰেৰণ কৰা হয়।

এখন গাড়ীৰ পৰা ২০৯০ কেজি গাঞ্জা জব্দ; দুজনক গ্ৰেপ্তাৰ

# শিমুলটাপু আৰক্ষী চকীৰ সৰ্ব বৃহৎ সাফল্য

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৫ আগষ্ট ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত থকা শিমুলটাপু আৰক্ষীচকীৰ নাকাত আৰক্ষীয়ে আজি নিশা ৮-০০ বজাত অসমৰ পৰা পশ্চিমবংগৰ দিশে যোৱা এখন বাঁহ ভৰ্তি ছচকীয়া ট্ৰাকত তালাচী চলাই গাঞ্জা সহ বাহনখন জব্দ কৰে। শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জীৱ সন্দিকৈৰ নেতৃত্বত আৰক্ষীয়ে নিশা ৮-০০ মান বজাত গোপন খবৰৰ ভিত্তিত ইউ পি ৫৪ বি টি-৭৬৭৪ নম্বৰৰ বাঁহ বোজাই ছচকীয়া ট্ৰাকখন ৰখাই চালকক জেৰা কৰাত চালকে বাঁহৰ তলত গাঞ্জা আছে বুলিও স্বীকাৰ কৰাত ট্ৰাকখনৰ পৰা বাঁহ নমাই লুকুৱাই অনা ২০৩ পেকেট গাঞ্জা উদ্ধাৰ কৰে। শিমুলটাপু আৰক্ষীচকীৰ ইতিহাসত এখন গাড়ীৰ পৰা ইমান পৰিমাণৰ গাঞ্জা উদ্ধাৰ পূৰ্বে উদ্ধাৰ হোৱা নাছিল। ২০৩টা পেকেটত প্ৰায় ২ টন ৯০ কিলোগ্ৰাম ১৮১ গ্ৰাম গাঞ্জা থকা বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত বাঁহ বোজাই গাড়ীখন আটক কৰাৰ পাছত বাঁহবোৰ নমাই গাঞ্জাখিনি উদ্ধাৰ কৰি ওজন কৰে। আজি ৰাতিপুৱালৈ ওজনৰ কাম শেষ কৰি গাঞ্জাৰ পেকেট সমূহ বিধিমতে জব্দ কৰা হয়। কালি নিশাৰ পৰা গোসাঁইগাঁও মহকুমা আৰক্ষী বিষয়া হেমন্ত বড়ো আৰু গোসাঁইগাঁও থানাৰ অ'চি উপস্থিত আছিল। ইপিনে গাঞ্জা কঢ়িয়াই অনা ট্ৰাকখন জব্দ কৰাৰ লগতে চালকৰ লগতে আন এজন লোকক নিষিদ্ধ গাঞ্জা সৰবৰাহ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰে। গাড়ীখন তেজপুৰৰ সন্নিকটৰ কোনো অজ্ঞাত স্থানৰ পৰা বাঁহ বোজাই কৰি বিহাৰৰ মুজাফ্ফৰপুৰ লৈ গৈ আছিল বুলি চালকজনে আৰক্ষীৰ আগত প্ৰকাশ কৰে। আটকাধীন চালক আৰু সহচালকজন হৈছে ৰামলক্ষণ ৰাজভৰ (৫২) আৰু মনোজ চৌহান (৪০)। দুয়োৰে ঘৰ উত্তৰপ্ৰদেশৰ মউ জিলাৰ বীৰাত। ইপিনে আজিৰ এই অভিযান কোকৰাঝাৰ জিলা আৰক্ষীয়ে লাভ কৰা গোপন সূত্ৰৰ ভিত্তিত শিমুলটাপু আৰক্ষীচকীৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীয়ে বিয়লিৰ ভাগৰ পৰা আৰক্ষীৰ নাকাত বাহৰ পাতি থাকি নিশা ৮-০০ মান বজাত বাঁহৰ তলত গাঞ্জা লুকুৱাই অনা বাহনখন আটক কৰিবলৈ সক্ষম হয় বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। শিমুলটাপু আৰক্ষীচকীত ইয়াৰ পূৰ্বে এখন গাড়ীৰ পৰা ইমান পৰিমাণৰ গাঞ্জা উদ্ধাৰ হোৱা নাছিল। এখন গাড়ীৰ পৰা দুই টনৰ অধিক গাঞ্জা জব্দ কৰাটো শিমুলটাপু আৰক্ষীচকীৰ বাবে সৰ্ববৃহৎ সাফল্য বুলি জনায় আৰক্ষী বিষয়া সঞ্জীৱ সন্দিকৈয়ে।

# বানপীড়িতৰ কাষত ডুমডুমা কেন্দ্ৰীয় বিদ্যালয়; শিৱসাগৰত সাহায্য বিতৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ আগষ্ট ঃ** শেহতীয়া বানপানীত ক্ষতিগ্ৰস্ত শিৱসাগৰ জিলাৰ নিমাইজান গাঁৱৰ বানপীড়িত পৰিয়ালসমূহৰ কাষত থিয় হৈ ডুমডুমা কেন্দ্ৰীয় বিদ্যালয়ে সাহায্য সামগ্ৰী বিতৰণ কৰে। বিদ্যালয়খনৰ বৰ্তমানৰ শিক্ষক-কৰ্মচাৰী, প্ৰাক্তন শিক্ষক-শিক্ষাৰ্থী, অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু অন্যান্য অংশীদাৰৰ উমৈহতীয়া সহযোগিতাত এই বান সাহায্য অভিযান ৰূপায়ণ কৰা হয়। "Together We Care, Together We Help" শীৰ্ষক মূলমন্ত্ৰৰে বিদ্যালয় পৰিয়ালে দুৰ্যোগৰ সময়ত সামাজিক দায়বদ্ধতাৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰে। বানপীড়িত পৰিয়ালসমূহৰ নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ অভাৱ কিছু পৰিমাণে দূৰ কৰাৰ উদ্দেশ্যে বিশেষ সাহায্য কিট প্ৰস্তুত কৰা হয়। কিটসমূহত তুলি, আঁঠুৱা, বিছনা চাদৰ আৰু গাৰুৰ লগতে বাল্টি, মগ, পানী সংৰক্ষণৰ পাত্ৰ আৰু থাল, বাতি, চামুচ, গিলাচ আদি বাচন-বৰ্তন অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ উপৰিও শুকান খাদ্য-সামগ্ৰী আৰু প্ৰাথমিক স্বাস্থ্য তথা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীও বিতৰণ কৰা হয়। বিদ্যালয় চৌহদৰ পৰা সাহায্য সামগ্ৰীৰে ভৰ্তি বাহনসমূহ পতাকা জোকাৰি বানপীড়িত অঞ্চললৈ ৰাওনা কৰোৱা হয়। পৰৱৰ্তী সময়ত বিদ্যালয়ৰ শিক্ষক আৰু স্বেচ্ছাসেৱকৰ দলে নিমাইজান গাঁৱত উপস্থিত হৈ বানপীড়িত পৰিয়ালসমূহৰ মাজত সাহায্য সামগ্ৰীসমূহ বিতৰণ কৰে। প্ৰাকৃতিক দুৰ্যোগৰ সময়ত দুৰ্গত লোকৰ কাষত থিয় হৈ মানৱীয় সহায় আগবঢ়োৱাটোৱেই শিক্ষাৰ অন্যতম মূল উদ্দেশ্য বুলি বিদ্যালয় কৰ্তৃপক্ষই মত প্ৰকাশ কৰে। এই উদ্যোগে বিদ্যালয় আৰু সমাজৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লগতে সামাজিক ঐক্য আৰু মানৱীয় মূল্যবোধৰ এক ইতিবাচক বাৰ্তা বহন কৰিছে।

# ৩৮ বছৰত ভৰি দিলে জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুলে

নৱাগত আদৰণি সভাত উপস্থিত হৈ জন্মদিনৰ কেক কাটিলে মন্দিয়া সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদে

**অসম বাৰ্তা, জনীয়া, ২৫ আগষ্ট ঃ** শিক্ষাৰ ক্ষেত্ৰত এক দীঘলীয়া যাত্ৰা অতিক্ৰম কৰি ৩৮ সংখ্যক জন্মদিন উদযাপন কৰিলে বানিয়াৰাপাৰাৰ ঐতিহ্যমণ্ডিত জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুলে। এই উপলক্ষে বিদ্যালয় চৌহদত সৃষ্টি হয় উৎসৱমুখৰ পৰিৱেশ। শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা আমন্ত্ৰিত অতিথিৰ উপস্থিতিত উলহ মালহেৰে অনুষ্ঠিত হয় অনুষ্ঠানটো। বিদ্যালয়ৰ জন্মদিন উদ্‌যাপনৰ সৈতে সংগতি ৰাখি আয়োজন কৰা হয় নৱাগত আদৰণি সভা। দিনযোৱা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয় নৱাগত আদৰণি সভা। পুৱা ৭ স্বচ্ছ ভাৰত অভিযান, ৮ বজাত বিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ মোজাম্মেল হুছেইন। পুৱা ৯ বজাত স্মৃতি তৰ্পন, ১০ বজাত ন-পুৰণি মিলন সমাৰোহ। দুপৰীয়া ১২ বজাত প্ৰীতিভোজ, আবেলি ১ বজাত জনপ্ৰিয় ছিনিৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ মোজাম্মেল হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকুলি সভা। মুকুলি সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ছাদ্দাম হুছেইনে। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শ্বেৰমান আলী আহম্মেদ, বিধায়ক, মন্দিয়া সমষ্টি, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে এম নেৱাজুল হক, অৱসৰ প্ৰাপ্ত অধ্যক্ষ জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুল, ড° আব্দুল হাই, ভাৰপ্ৰাপ্ত অধ্যক্ষ জনপ্ৰিয় মহাবিদ্যালয়, বানিয়াৰাপাৰা, ড° ৰহম আলী, সভাপতি বিদ্যালয় পৰিচালনা সমিতি, জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুল আদি কৰি ভালে সংখ্যক গণ্য মান্য ব্যক্তিসকল। বিদ্যালয়খনৰ ৩৮ সংখ্যক জন্মদিন উপলক্ষে বিধায়কগৰাকীয়ে নৱাগত আদৰণি সভাৰ মঞ্চত কেক কাটি জন্মদিন উদযাপন কৰে। লগতে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাই তেওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি ছাত্ৰ-ছাত্ৰীক শপত বাক্য পাঠ কৰোৱায়। অনুষ্ঠানত বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ, ছাত্ৰ-ছাত্ৰীৰ সফলতা আৰু শিক্ষাৰ ক্ষেত্ৰত বিদ্যালয়খনে গ্ৰহণ কৰি অহা ভূমিকা সন্দৰ্ভতো আলোচনা কৰা হয়। নৱাগতসকলক বিদ্যালয়ৰ নিয়ম-শৃংখলা মানি অধ্যয়ন কৰি নিজৰ লগতে বিদ্যালয় আৰু সমাজৰ নাম উজলাই তুলিবলৈ আহ্বান জনায়। ৩৮ বছৰীয়া এই গৌৰৱময় যাত্ৰাত জনপ্ৰিয় ছিনিয়ৰ চেকেণ্ডাৰী স্কুলে বৃহত্তৰ অঞ্চলটোৰ শিক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। বিদ্যালয়খনৰ জন্মদিন আৰু নৱাগত আদৰণি অনুষ্ঠানটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিশেষ উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰে। আবেলি ২ বজাত সুৰ সমলয় অনুষ্ঠানত শিল্পী আফৰোজা আহমেদ, ইনজামুল হকৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ গীতে দৰ্শকক আপ্লুত কৰে।

হাৱাইপুৰ-হোজাই সীমান্তৱৰ্তী ৰাইজৰ দুৰ্দশা

# এজাক বৰষুণতে বিপদসংকুল যাত্ৰা

**অসম বাৰ্তা, লংকা, ২৫ আগষ্ট ঃ** এজাক বৰষুণেই যেন হাৱাইপুৰ আৰু হোজাই জিলাৰ সীমান্তৱৰ্তী অঞ্চলৰ ৰাইজৰ বাবে কঢ়িয়াই আনে দুৰ্ভোগৰ এক নতুন অধ্যায়। বৰষুণ নামিলেই লংকাজানৰ বাঢ়নী পানীৰ মাজেৰে জীৱনক হাতৰ মুঠিত লৈ বিপদসংকুলভাৱে যাতায়াত কৰিবলগীয়া হয় অঞ্চলটোৰ অসংখ্য লোক। পশ্চিম কাৰ্বি আংলং আৰু হোজাই জিলাৰ সীমা নিৰ্ধাৰণ কৰি যোৱা NF Railway ৰে'লপথটোৰ দুয়োকাষৰ মাজত সুৰক্ষিত আৰু স্থায়ী সংযোগী পথৰ অভাৱেই সমস্যাটো অধিক জটিল কৰি তুলিছে। ফলত গোসাঁইগাঁও আৰু গুহাগাঁও অঞ্চলৰ ৰাইজে নিজাববীয়াকৈ নিৰ্মাণ কৰি লোৱা লংকাজান দংলঙৰ তলেদিয়েই দৈনিক ইপাৰ-সিপাৰ হ'বলগীয়া হয়। স্থানীয় ৰাইজৰ বাবে এই পথ কেৱল যাতায়াতৰ এটা বিকল্প নহয়, বৰং দুয়োটা অঞ্চলৰ মাজত যোগাযোগৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, কৰ্মজীৱী লোককে ধৰি বিভিন্ন শ্ৰেণীৰ ৰাইজে নিতৌ এই পথেৰে অহা-যোৱা কৰে। কিন্তু বাৰিষাৰ সময়ত লংকাজানৰ পানী বৃদ্ধি পোৱাৰ লগে লগে পথটো অধিক বিপজ্জনক হৈ পৰে। বিশেষকৈ পানীৰ সোঁত বৃদ্ধি পালে দংলঙৰ তলেদি পাৰ হোৱাটো অত্যন্ত কঠিন হৈ পৰে। তথাপিও প্ৰয়োজনৰ তাগিদাত বহু লোকেই বিপদৰ আশংকা নেওচি এই পথ ব্যৱহাৰ কৰিবলৈ বাধ্য হয়। ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰতো এই পৰিস্থিতিয়ে অভিভাৱকসকলৰ মাজত উদ্বেগ সৃষ্টি কৰিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, সমস্যাটো নতুন নহয়। বছৰৰ পিছত বছৰ ধৰি বাৰিষা আহিলেই একেই সমস্যাৰ সন্মুখীন হৈ আহিছে অঞ্চলবাসী। অস্থায়ীভাৱে যাতায়াতৰ ব্যৱস্থা কৰি সমস্যাটো সাময়িকভাৱে মোকাবিলা কৰিলেও স্থায়ী সমাধানৰ বাবে এতিয়াও কোনো ফলপ্ৰসূ ব্যৱস্থা গঢ় লৈ উঠা নাই বুলি ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। এতিয়া অঞ্চলবাসীৰ প্ৰশ্ন আৰু কিমান দিন লংকাজানৰ বাঢ়নী পানীৰ মাজেৰে জীৱনক বিপদত পেলাই ইপাৰ-সিপাৰ হ'ব লাগিব? দুয়োখন জিলাৰ সীমান্তৱৰ্তী এই অঞ্চলটোৰ যাতায়াত ব্যৱস্থা উন্নত কৰাৰ লগতে এখন সুৰক্ষিত আৰু স্থায়ী সংযোগী পথ নিৰ্মাণৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই কেতিয়া গুৰুত্বসহকাৰে পদক্ষেপ গ্ৰহণ কৰিব।

# পৰকীয়া প্ৰেমৰ সন্দেহত পত্নীক হত্যা; ডিমাকুছিৰ বৰঙাজুলিত চাঞ্চল্য

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৫ আগষ্ট ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি থানাৰ অন্তৰ্গত বৰঙাজুলি চাহ বাগিচাত পৰকীয়া প্ৰেমৰ সন্দেহত পত্নীক হত্যা কৰা ঘটনাই সমগ্ৰ ডিমাকুছিত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে বৰঙাজুলি চাহ বাগিচাৰ অমিত ভুঁয়ৰ নামৰ লোকজন কৰ্মসূত্ৰে যোৱা কেইবছৰ ধৰি বহিঃৰাজ্যত কাম কৰি আহিছিল। আজি গুজৰাটৰ পৰা অমিত ভুঁএৰ নিজ বাসগৃহত আহে আৰু ঘৰত আহিয়েই পত্নী গংগা ভুঁয়ৰৰ সৈতে কাজিয়াত লিপ্ত হয়। জানিব পৰা মতে পত্নীক অন্য এজন যুৱকৰ সৈতে পৰকীয়া প্ৰেম থকাৰ উমান পাইছিল অমিত ভুঁএৱে। আৰু আজি গৃহত আহিয়েই কাজিয়াত লিপ্ত হৈ মাৰপিট আৰম্ভ কৰে। অমিতৰ লাঠিৰ কোবত থিতাতে মৃত্যু হয় পত্নী গংগাৰ। পিছত ঘটনাস্থলীত ডিমাকুছি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হিৰকজ্যোতি দাস উপস্থিত হৈ হত্যাকাৰী অমিত ভুঁএৱক আটক কৰাৰ লগতে মহিলাৰ মৃতদেহ মৰনোত্তৰ পৰীক্ষা কৰিবলৈ ওদালগুৰিলৈ প্ৰেৰণ কৰে।

# তিনিচুকীয়া জিলাৰ উচ আৰু উচ্চতৰ মাধ্যমিক স্তৰৰ 'দক্ষতা বিষয়'ৰ সমল ব্যক্তিৰ প্ৰশিক্ষণ সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ আগষ্ট ঃ** তিনিচুকীয়াৰ গেলাপুখুৰীস্থিত 'কনভেঞ্চন চেণ্টাৰ'ত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ (সংমণ্ডল-I আৰু II)ৰ জৰিয়তে উচ আৰু উচ্চতৰ বিদ্যালয়সমূহত নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'দক্ষতা বিষয়' (Skill Subject)ৰ প্ৰয়োজন আৰু এই বিষয়সমূহৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ ধাউতি বঢ়াবৰ বাবে জিলাখনৰ বিভিন্ন বিভাগৰ পৰা অহা সমল ব্যক্তিসকলক লৈ এখনি পৰ্যালোচনা তথা প্ৰশিক্ষণ কাৰ্যসূচী যোৱা ২০ আগষ্টত আয়োজন কৰা হয়। তিনিচুকীয়া জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক বিন্তী শৰ্মাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত উপস্থিত থাকি জিলা আয়ুক্ত সুমিত ছাত্তাৱানে তেওঁৰ ভাষণত এই বিষয়সমূহৰ প্ৰয়োজনীয়তাৰ ওপৰত বিস্তৃতভাৱে ব্যাখ্যা কৰে। অনুষ্ঠানটিত বিশেষভাৱে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ ৰমেশ চন্দ্ৰ জৈনে সাম্প্ৰতিক সময়ত দক্ষতা বিষয়ৰ প্ৰয়োজনীয়তাৰ ওপৰত বিতংভাৱে ব্যাখ্যা কৰে। অনুষ্ঠানটিত তিনিচুকীয়া জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) জংগমীৰ ৰংফাৰপি, তিনিচুকীয়া বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ চৈতন্য বড়া, সমগ্ৰ শিক্ষাৰ অৱসৰপ্ৰাপ্ত জিলা আঁচনি বিষয়া লিনুমা গগৈকে ধৰি জিলা শিক্ষা বিভাগৰ বহুকেইগৰাকী বিষয়া উপস্থিত থাকে।

# মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নৰনাথ হাজৰিকাৰ মৃত্যু

## কমলাবাৰীত শোক; বিভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ

**অসম বাৰ্তা, মাজুলী, ২৫ আগষ্ট** ঃ মাজুলীৰ শিক্ষা আৰু সামাজিক ক্ষেত্ৰৰ সৈতে সুদীৰ্ঘ দিন ওতপ্ৰোতভাৱে জড়িত হৈ থকা আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, বিশিষ্ট শিক্ষাবিদ তথা সমাজকৰ্মী নৰনাথ হাজৰিকাৰ (৭৬) আজি আকস্মিকভাৱে মৃত্যু হয়। দুদিনৰ পূৰ্বে নৰনাথ হাজৰিকাই জ্বৰ কাহত আক্ৰান্ত হৈ আজি পুৱা উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় লৈ লৈ যোৱাৰ পথতে মৃত্যুক আঁকোৱালি লয়। মাজুলী কমলাবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত ওপৰকাটনি গাঁৱৰ নিবাসী শিক্ষাবিদ গৰাকীৰ মৃত্যুত সমগ্ৰ মাজুলী জিলাখনতে গভীৰ শোকৰ ছাঁ পৰিছে। শিক্ষাদানক ব্ৰত হিচাপে গ্ৰহণ কৰি মাজুলীৰ শালমাৰা অঞ্চলত জন্মগ্ৰহণ কৰা নৰনাথ হাজৰিকাই আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শিক্ষক হিচাপে যোগদান কৰি ছাত্ৰ-ছাত্ৰীক সু-নাগৰিক হিচাপে গঢ়ি তুলিছিল। অৱসৰৰ পাছতো তেওঁ শিক্ষা, সাহিত্য আৰু সমাজসেৱাৰ ক্ষেত্ৰখন অবদান আগবঢ়াই কৃতী শিক্ষকৰ বঁটা লাভ কৰিছিল। অসম সাহিত্য সভা আৰু সদৌ অসম মইনা পাৰিজাতৰ আজীৱন সদস্য হিচাপে সেৱা আগবঢ়াই অহাৰ উপৰিও কমলাবাৰী আঞ্চলিক পেঞ্চনাৰ সন্থাৰ সভাপতিৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। সমাজৰ বিভিন্ন কল্যাণকামী অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত হাজৰিকাই মাজুলী মিলন সংঘ আৰু সৰ্বজনীন হৰিমন্দিৰ পৰিচালনা সমিতিৰ উপদেষ্টা, ওপৰকাটনি গাঁও পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি আৰু কেশৰৰাম বৰা স্মৃতি ন্যাসৰ সভাপতি পদেৰে সমাজৰ বিভিন্ন দিশত অগ্ৰণী ভূমিকা পালন কৰিছিল। তেওঁৰ বলিষ্ঠ নেতৃত্ব আৰু গঠনমূলক চিন্তা-চৰ্চাই অঞ্চলটোৰ সামাজিক দিশ শক্তিশালী কৰাত বিশেষ বৰঙনি যোগাইছিল। বিশিষ্ট শিক্ষাবিদ গৰাকীৰ মৃত্যুত মাজুলী জিলা কৰ্মচাৰী পৰিষদ, পেঞ্চনাৰ সন্থা, জ্যেষ্ঠ নাগৰিক সন্থা, জিলা সাংবাদিক সন্থা, মাজুলী জিলা নাট্য সন্মিলন, ৰামধনু শতদল শাখা সাহিত্য সভা, মাজুলী মহাবিদ্যালয়ৰ, কমলাবাৰী আঞ্চলিক ছাত্ৰ সন্থা, জিলা যুৱ ছাত্ৰ পৰিষদ, মাজুলী মিলন সংঘ, হৰিমন্দিৰ পৰিচালনা সমিতি আৰু মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিসহ বহু বিভিন্ন সামাজিক-সাংস্কৃতিক সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। আজি বিয়লিৰ তেওঁৰ নশ্বৰদেহ মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মাজুলী মিলন সংঘলৈ অনা হয় আৰু শেষ শ্ৰদ্ধা নিবেদন কৰে। মাজুলীৰ বিভিন্ন সংগঠনসমূহে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আত্মাৰ চিৰশান্তি কামনা কৰে। মৃত্যুৰ সময়ত পত্নী সহ দুজন পুত্ৰক সংসাৰত এৰি থৈ গৈছে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৬ বছৰ।

### প্ৰায় ৩০০ ৰোগীক বিনামূলীয়া চিকিৎসা প্ৰদানৰ লগতে ঔষধ বিতৰণ

# হাজোৰ চৰাবৰীত ভৈৰৱী হেল্প ফাউণ্ডেশ্যনৰ বিনামূলীয়া স্বাস্থ্য শিবিৰ

**অসম বাৰ্তা, হাজো, ২৫ আগষ্ট** ঃ 'আহক আশা পুনৰ জীয়াই তোলো' এই লক্ষ্য আগত ৰাখি মানৱ সেৱাৰ এক মহান উদ্দেশ্যেৰে ভৈৰৱী হেল্প ফাউণ্ডেশ্যনৰ উদ্যোগত আৰু কামৰূপ জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ সহযোগত হাজোৰ চৰাবৰী কালী মন্দিৰ প্ৰাংগণত এটি দিনজোৰা বিনামূলীয়া স্বাস্থ্য শিবিৰ সফলতাৰে সম্পন্ন হৈ যায়। দাক্ষিণাত্যৰ চলচ্চিত্ৰ জগতৰ জনপ্ৰিয় অভিনেত্ৰী তথা অসমৰ কামৰূপ জিলাৰ পাকোৰকোনাৰ জীয়ৰী ভৈৰৱী আৰাধ্যাৰ একক প্ৰচেষ্টা আৰু সমাজমুখী চিন্তাধাৰাৰ ফচল হিচাপে এই শিবিৰটোৰ আয়োজন কৰা হয়। অঞ্চলটোৰ আৰ্থিক ভাৱে পিছপৰা আৰু সাধাৰণ ৰাইজক উন্নত স্বাস্থ্য সেৱা প্ৰদান কৰাৰ উদ্দেশ্যে অনুষ্ঠিত এই শিবিৰত অঞ্চলটোৰ প্ৰায় ৩০০ গৰাকী বিভিন্ন বয়সৰ ৰোগীক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় ঔষধ-পাতিও বিনামূলীয়াকৈ বিতৰণ কৰা হয়। কামৰূপ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ৰ সহযোগত আয়োজিত এই শিবিৰত অভিজ্ঞ চিকিৎসক ক্ৰমে ডাঃ ডেভিদ মালি, ডাঃ বিজিত ডেকা আৰু ডাঃ শ্বাহিল আহমেদে ৰোগী সকলক সেৱা আগবঢ়ায়। লগতে এই চিকিৎসকৰ দলটোক সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়ায় ফাৰ্মাচিষ্ট প্ৰতাপ পল ৰয় আৰু নিৰেশ শৰ্মাই। ইয়াৰ উপৰি সমগ্ৰ কাৰ্যসূচীটো সুচাৰুৰূপে পৰিচালনা কৰাত ববিতা কলিতা, ছালমা চুলতানা পাৰবিন, দিবাকৰ দাস, দিগন্ত কলিতা আৰু পাৰ্থজিৎ ঠাকুৰীয়া আৰু ভৈৰৱী হেল্প ফাউণ্ডেচনৰ সকলো সদস্যই বিশেষভাৱে সহায় - সহযোগ কৰে। দাক্ষিণাত্যৰ ছবিজগতৰ এগৰাকী জনপ্ৰিয় অভিনেত্ৰী হৈও নিজৰ ওপজা মাটিৰ মানুহখিনিলৈ আগবঢ়োৱা এনে নিস্বাৰ্থ সেৱাক হাজো অঞ্চলৰ সচেতন ৰাইজে ভূয়সী প্ৰশংসা কৰিছে। ভৈৰৱী আৰাধ্যাৰ এই মহান মানৱীয় প্ৰচেষ্টাই অঞ্চলটোৰ দৰিদ্ৰ জনসাধাৰণক যথেষ্ট সঁকাহ দিব বুলি দাক্ষিণাত্যৰ অভিনেত্ৰী ভৈৰৱী আৰাধ্যই মন্তব্য কৰে।

# হাঁহচৰা বামুণপখুৰীত লাভ জেহাদৰ পৰিণতিত স্বামীক এৰি গ'ল দুই সন্তানৰ মাতৃ

**অসম বাৰ্তা, চেলেংহাট, ২৫ আগষ্ট** ঃ যোৰহাট জিলাৰ মৰিয়নী সমষ্টিৰ অন্তৰ্গত বামুণপুখুৰী আৰক্ষী চকীৰ অৰ্ন্তগত বৰাগাঁৱৰ এগৰাকী দুটা সন্তানৰ মাতৃয়ে এজন সন্দেহজনক নাগৰিকত্বৰ লোকৰ প্ৰেমত পৰি স্বামী আৰু ৪ বছৰীয়া কন্যাক ত্যাগ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে আঠবছৰ পূৰ্বে আমগুৰি হীৰাগাঁৱৰ যুৱতীগৰাকীৰ সৈতে বামুণপুখুৰী বৰাগাঁৱৰ যুৱক নয়নমণি বৰাৰ সামাজিকভাৱে বিবাহ সম্পন্ন হৈছিল। তেওঁলোকৰ সংসাৰত এটি তিনি বছৰীয়া পুত্ৰ আৰু এগৰাকী ৭ বছৰীয়া কন্যা সন্তান আছে। স্বামীৰ অভিযোগ অনুসৰি, বিগত প্ৰায় এবছৰ ধৰি পত্নীয়ে নগাঁৱৰ এজন মুছলমান যুৱকৰ সৈতে প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলে। স্বামী কৰ্মসূত্ৰে দিনটো বাহিৰত থকাৰ সুযোগ লৈ আৰু ঘৰত বৃদ্ধ, অসুস্থ পিতৃ-মাতৃ অকলশৰে থকাৰ সময়ত উক্ত যুৱকজন দিনৰ ভাগতে তেওঁলোকৰ ঘৰলৈ সঘনে আহিছিল বুলি স্থানীয় ৰাইজেও সন্দেহ প্ৰকাশ কৰিছে। ইয়াৰ মাজতে প্ৰায় চাৰি মাহ পূৰ্বে সামান্য কথাতে তৰ্ক-বিতৰ্ক কৰি মহিলাগৰাকীয়ে তিনি বছৰীয়া পুত্ৰ সন্তানটোক লৈ আমগুৰি হীৰাগাঁৱৰ নিজ পিতৃগৃহলৈ গুচি যায়। আনহাতে, চাৰি বছৰীয়া কন্যা সন্তানগৰাকী বৰ্তমান পিতৃৰ সৈতে বামুণপুখুৰীৰ ঘৰতে আছে। স্বামীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে, আমগুৰি ৰে'লৱে ষ্টেচনতো উক্ত যুৱকজনৰ সৈতে পত্নীক কেইবাদিনো একেলগে দেখা গৈছে। এই সন্দৰ্ভত ভুক্তভোগী স্বামীয়ে আমগুৰি আৰু বামুণপুখুৰী আৰক্ষী চকীত যোগাযোগ কৰিছে যদিও এতিয়ালৈকে কোনো উচিত সঁহাৰি পোৱা নাই। অৱশেষত উপায়ন্তৰ হৈ লোকজনে সংবাদ মাধ্যমৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক এই 'লাভ জেহাদ' সদৃশ ঘটনাৰ উচিত তদন্ত কৰি তেওঁৰ পৰিয়ালটোক ন্যায় প্ৰদান আৰু উদ্ধাৰৰ ব্যৱস্থা কৰিবলৈ কাতৰ আহ্বান জনাইছে।

# গৰাখহনীয়া ৰোধৰ অভিলাষী আঁচনিত ব্যাপক অনিয়ম; ধনশিৰি নৈৰ গৰাখহীয়াৰ কবলত ঔগুৰি আলিছিগা মাথানীচুক অঞ্চল

### চপৰা-চপৰকৈ আমাৰ কৃষকৰ মাটিবোৰ, আজু-ককা দিনৰ মাটিবোৰ চপৰা-চপৰিকৈ খহাই লৈ গৈ আছে ধনশিৰী নদীয়ে; স্থানীয়ৰ মন্তব্য

**অসম বাৰ্তা, সৰুপথাৰ, ২৫ আগষ্ট** ঃ সৰুপথাৰ সমজিলাৰ অন্তৰ্গত টেঙানী অঞ্চলৰ ঔগুৰি আলিছিগা মাথানিচুক অঞ্চলত ধনশিৰি নদীৰ ভয়ংকৰ আৰু তীব্ৰ গৰাখহনীয়াই অত্যন্ত উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি কৰিছে সমগ্ৰ অঞ্চলবাসীৰ মাজত। নদীৰ প্ৰচণ্ড জলসোঁতে স্থানীয় কৃষকসকলৰ পূৰ্বপুৰুষৰ দিনৰ শ শ বিঘা কৃষিভূমি আৰু ঘৰ-বাৰী চপৰা-চপৰকৈ খহাই নি ইতিমধ্যে নদীৰ বুকুত চিৰদিনৰ বাবে জাহ নিয়াইছে, যাৰ ফলত বহু পৰিয়াল সৰ্বস্বান্ত হোৱাৰ দিশে গতি কৰিছে আৰু এইদৰে খহনীয়া অব্যাহত থাকিলে সমগ্ৰ অঞ্চলটোৱেই এক বিচ্ছিন্ন দ্বীপত পৰিণত হোৱাৰ উপক্ৰম ঘটিছে। ইফালে, এই ধ্বংসাত্মক খহনীয়া প্ৰতিৰোধৰ নামত চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহত মিচিং



স্বায়ত্তশাসিত পৰিষদৰ (MAC) পুঁজিৰ পৰা প্ৰায় ১৫ লাখ টকা ব্যয় সাপেক্ষে 'Bamboo Cribs' বা বাঁহৰ পাৰ্কোপাইন নিৰ্মাণৰ এক অভিলাষী আঁচনি গ্ৰহণ কৰা হৈছিল যদিও বাস্তৱ ক্ষেত্ৰত সেয়া সম্পূৰ্ণ ফুটুকাৰ ফেনত পৰিণত হোৱাৰ অভিযোগ উঠিছে। অঞ্চলবাসীৰ গুৰুতৰ অভিযোগ অনুসৰি, আঁচনিখন সঠিকভাৱে ৰূপায়ণ নকৰি নদীৰ পাৰত মাত্ৰ কেইডালমান বাঁহ পুতি দায়িত্ব সামৰি ঠিকাদাৰ আৰু সংশি-ষ্ট কৰ্তৃপক্ষই আবণ্টিত লাখ লাখ টকা লুণ্ঠন তথা আত্মসাৎ কৰিলে। এনে সংকটকালীন সময়তো ৰাইজৰ দুখ-দুৰ্দশাক আওকাণ কৰি কৰা ব্যাপক দুৰ্নীতিৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰি স্থানীয় ৰাইজে বিধায়ক, প্ৰশাসন আৰু অসম চৰকাৰক অনতিপলমে হস্তক্ষেপ কৰিবলৈ দাবী জনায় আৰু নামমাত্ৰ কামৰ পৰিৱৰ্তে বৈজ্ঞানিক পদ্ধতিৰে উপযুক্ত পাৰ্কোপাইন তথা জিঅ' বেগ (Geo-bag) স্থাপন কৰি ধনশিৰি নদীৰ এই প্ৰলয়ংকাৰী গৰাখহনীয়া স্থায়ীভাৱে ৰোধ কৰিবলৈ একমুখে আহ্বান জনাইছে।

# ডিব্ৰুগড়ৰ সোণোৱাল কছাৰী সাহিত্য সভাৰ চৰাইদেউৰ বানপীড়িত ৰাইজৰ চাৰিটা নামঘৰলৈ সাহায্য প্ৰদান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ আগষ্ট** ঃ বানত বিধ্বস্ত হোৱা চৰাইদেউ জিলাৰ চিংল'পথাৰ আৰু কলিয়ামাটি অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠানত সোণোৱাল কছাৰী সাহিত্য সভাৰ উদ্যোগত দেওবাৰে আৰ্থিক সাহায্য বিতৰণ কৰাৰ লগতে একোখনকৈ সজাগতা সভাও অনুষ্ঠিত কৰা হয়। সোণোৱাল সাহিত্য সভাৰ এই পদক্ষেপৰ জৰিয়তে উক্ত বানপীড়িত অঞ্চলসমূহৰ সামাজিক অনুষ্ঠান বিশেষকৈ চাৰিটাকৈ নামঘৰৰ প্ৰয়োজনীয় মেৰামতি তথা চাফচিকুণৰ বাবে গাইপতি দহ হেজাৰকৈ মুঠ চল্লিশ হেজাৰ টকাৰ আৰ্থিক সাহায্যৰ চে'ক আগবঢ়োৱাৰ লগতে বানপানীৰ সময়ত ল'বলগীয়া সাৱধানতা আৰু সজাগতাৰ সন্দৰ্ভত স্থানীয় ৰাইজৰ উপস্থিতিত একোখনকৈ ৰাজহুৱা সভাও অনুষ্ঠিত কৰা হয়। এই গুৰুত্বপূৰ্ণ কাৰ্যসূচীত সভাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ড° লবৰাম সোণোৱাল, মুখ্য সম্পাদক মৃদুল সোণোৱাল, সাংগঠনিক সম্পাদক নেত্ৰ বড়া, দ্ৰোণ বড়া, প্ৰচাৰ সম্পাদক হেমচন্দ্ৰ কছাৰী, কাৰ্যনিৰ্বাহক সদস্য পূৰ্ণ কান্ত হাজৰিকা, শিৱ সোণোৱাল, সম্ৰাট সোণোৱাল, লোচন সোণোৱাল আৰু সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ সদস্য জয়ন্ত সোণোৱাল, পৱিত্ৰ ঢেকিয়াল, প্ৰণৱজ্যোতি সোণোৱাল উপস্থিত থাকি কাৰ্যসূচী সফল কৰি তোলে।

### থিতাতে নিহত দুই বাইক আৰোহী

# গহপুৰৰ মিছামাৰীত শোকাৱহ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, গহপুৰ, ২৫ আগষ্ট** ঃ গহপুৰ সমজিলাৰ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত মিছামাৰীৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা প্ৰায় ৭ বজাত সংঘটিত হোৱা এক ভয়াৱহ পথ দুৰ্ঘটনাত দুজনকৈ বাইক আৰোহী থিতাতে নিহত হয়। নিহত বাইক আৰোহী দুজন হেলেম আৰক্ষী থানাৰ অন্তৰ্গত বৰুৱা পথাৰৰ আমগুৰিৰ ৰোস্তম মিৰ্ধা আৰু ৰহমত আলী বুলি চিনাক্ত কৰা হৈছে। জানিব পৰা মতে -এক বিবাহ অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ লখিমপুৰ অভিমুখী ৰে'ল ধৰাৰ বাবে হেলেম ৰে'ল ষ্টেচনলৈ বুলি দুয়ো ঘৰৰ পৰা বাইকেৰে (এছ ৩২ ডি ৪৩১৭) ওলাই আহিছিল। যুৱক দুজনে মিছামাৰীৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ডিভাইডাৰ অতিক্ৰম কৰিবলৈ লওঁতেই লখিমপুৰ অভিমুখী এখন তীব্ৰবেগী ট্ৰাকে (এএছ ০১ পিচি ৫৩১৭) তেওঁলোকক প্ৰচণ্ড বেগেৰে খুন্দা মাৰে। ফলত দুয়োৰে ঘটনাস্থলীতে কৰুণ মৃত্যু ঘটে। পিছত হেলেম আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। যুৱক দুজনৰ অকাল বিয়োগত সমগ্ৰ হেলেম অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে। হেলেম আৰক্ষীয়ে ট্ৰাক আৰু বাইকখন জব্দ কৰিছে।

# ৰূপাই চাইডিংত মটৰ চাইকেল-বলেৰ'ৰ মুখামুখি সংঘৰ্ষ; ১ জনৰ মৃত্যু, গুৰুতৰভাৱে আহত ২ যুৱক

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ আগষ্ট** ঃ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত তথা ডুমডুমাৰ সমীপৰ ৰূপাই চাইডিংত ৰূপাই-কাকপথাৰ সংযোগী ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা প্ৰায় ৯ বজাত সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত তিনিজন যুৱক গুৰুতৰভাৱে আহত হয়। ঘটনাৰ বিষয়ে প্ৰত্যক্ষদৰ্শী আৰু স্থানীয় ৰাইজে জানিবলৈ দিয়া বিৱৰণ অনুসৰি ৰূপাই চাইডিং দিশৰ পৰা যোৱা এ এছ ২৩ এফ ৭৫২৮ নম্বৰ মটৰচাইকেল এখনে কাকপথাৰ দিশৰ পৰা অহা এ এছ ০৬ কে ০১৯৭ বলেৰ' বাহনখনৰ সৈতে মুখামুখি সংঘৰ্ষ হোৱাত মটৰচাইকেলখনৰ আৰোহী ৰঙাজান গাঁৱৰ ক্ৰমে ৰাহুল মুড়া (১৮), শিৱম মুড়া (১৭) আৰু সুৰজ মুড়া (১৮) নামৰ যুৱককেইজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পৰৱৰ্তী সময়ত স্থানীয় লোকে আৰক্ষীক খবৰ দিয়াৰ লগতে আঘাতপ্ৰাপ্ত যুৱক তিনিওজনক ডুমডুমা এফ আৰ ইউ চিকিৎসালয়লৈ আনে যদিও আঘাত গুৰুতৰ হোৱাৰ বাবে অতি সংকটজনক অৱস্থাত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে তিনিওকে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হস্পিতাললৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে, ইয়াৰে শিৱম মুড়া নামৰ যুৱকজনৰ আজি চিকিৎসাধীন অৱস্থাতে মৃত্যু হোৱাৰ লগতে আন দুজন যুৱক বৰ্তমান সংকটজনক অৱস্থাত চিকিৎসা মহাবিদ্যালয়খনত চিকিৎসাধীন হৈ আছে। ডুমডুমা আৰক্ষীয়ে ইতিমধ্যে এই দুৰ্ঘটনাৰ প্ৰাৰম্ভিক তদন্ত আৰম্ভ কৰিছে। ইপিনে আজি সন্ধিয়াও সেই একে স্থানৰ সমীপতে আন এক পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত তিনিজন নাবালক উঠি অহা অহা এখন মটৰ চাইকেলে বিপৰীত দিশৰ পৰা বাইচেকেলেৰে আহি থকা আন এজন নাবালকক খুণ্ডিয়াই গুৰুতৰভাৱে আহত কৰে। আৰক্ষীয়ে বাইচাইকেল আৰোহীজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে মটৰ চাইকেলখন জব্দ কৰিছে আৰু মটৰ চাইকেলখনৰ এজন আৰোহীক আটক কৰিছে।

### দেশে স্বাধীনতা লাভ কৰা ৮০ বছৰে বিদ্যুৎ সংযোগৰ পৰা বঞ্চিত

# মাজুলীৰ আঁহতগুৰি গাঁও পঞ্চায়ত ৭ হাজাৰ পৰিয়ালৰ মাজলৈ আহিছে আশাৰ বতৰা

**অসম বাৰ্তা, মাজুলী, ২৫ আগষ্ট** ঃ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা ৮০ বছৰ অতিক্ৰম কৰাৰ পিছতো এন্ধাৰৰ মাজত দিন কটোৱা মাজুলীৰ দুৰ্গম আঁহতগুৰি নদীদ্বীপবাসীৰ বাবে অৱশেষত কঢ়িয়াই আনিলে এক আনন্দৰ খবৰ। শক্তি বিভাগৰ বিশেষ তৎপৰতাত অঞ্চলটোৰ প্ৰায় ৭ হাজাৰ পৰিয়াললৈ প্ৰথমবাৰৰ বাবে বিদ্যুৎ যোগান প্ৰদান কৰা হৈছে। সুদীৰ্ঘ দিনৰ অপ্ৰাপ্তিৰ অন্ত পেলাই আঁহতগুৰিত এনেদৰে পোহৰৰ জোৱাৰ উঠাত সমগ্ৰ অঞ্চলটোত এতিয়া উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। আজিৰ পৰা অঞ্চলটোত বিদ্যুৎ সংযোগৰ আৰম্ভ কৰে। নদীদ্বীপ মাজুলীৰ এই দুৰ্গম আৰু ভৌগোলিকভাৱে বিচ্ছিন্ন আঁহতগুৰিত বিদ্যুৎ পাব্লিক নেটৱৰ্ক সংযোগী কৰাটো এক প্ৰকাৰ অসম্ভৱ যেন হৈ পৰিছিল। কিন্তু মাজুলী সমষ্টিৰ বিধায়ক ভুবন গামৰ প্ৰচেষ্টা আৰু পদক্ষেপৰ ফলতেই এই দুৰূহ কাৰ্য সম্ভৱ হৈ উঠিল। অঞ্চলটোৰ ৰাইজৰ দীৰ্ঘদিনীয়া সমস্যা সমাধানৰ বাবে বিধায়কগৰাকীয়ে চৰকাৰ আৰু শক্তি বিভাগৰ সৈতে ধাৰাবাহিকভাৱে আলোচনা মৰ্মে ব্যৱস্থা গ্ৰহণ কৰিছিল। বিধায়কগৰাকীৰ এই যোগাত্মক পদক্ষেপৰ বাবে স্থানীয় জনসাধাৰণে তেওঁলৈ গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰিছে। আঁহতগুৰিৰ পোহৰৰ এই নতুন যাত্ৰাত আনন্দিত হৈ পৰিছে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি বয়োবৃদ্ধসকললৈকে। বিদ্যুৎ সংযোগ পোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত থকা ডাঙৰ বাধা আঁতৰিল। ইয়াৰ উপৰি ব্যৱসায়-বাণিজ্য আৰু যোগাযোগৰ ক্ষেত্ৰতো এক নতুন দিগন্তৰ সূচনা হ'ব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে যোৱা লোকসভা নিৰ্বাচনৰ পূৰ্বে আঁহতগুৰিলৈ অহা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাইজৰ সমস্যা সমাধানৰ আশ্বাস দিছিল। অঞ্চলটোৰ ৰাইজে এই ঐতিহাসিক পদক্ষেপৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিধায়ক ভুবন গামক আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰে। স্বাধীনতাৰ ইমান বছৰ পিছত লাভ কৰা এই পোহৰে আঁহতগুৰিৰ জনসাধাৰণৰ জীৱনযাত্ৰা উন্নত কৰাৰ লগতে অঞ্চলটোৰ সামগ্ৰিক বিকাশৰ পথ প্ৰশস্ত কৰিব।

# বিলাসীপাৰাৰ শিমলাকান্দিত ১২ তম্ ফুটবল টুৰ্ণামেণ্টৰ শুভাৰম্ভ

**অসম বাৰ্তা, লক্ষ্মীগঞ্জ, ২৫ আগষ্ট** ঃ বিলাসীপাৰাৰ শিমলাকান্দিত ক্ৰীড়াপ্ৰেমীৰ বিৰাট উৎসাহ-উদ্দীপনাৰ মাজত ডাইনামিক স্পোৰ্টছ ক্লাবৰ সৌজন্যত আয়োজন কৰা হৈছে ১২ তম নক আউট ফুটবল টুৰ্ণামেণ্ট। বৃহত্তৰ অঞ্চলটোৰ ফুটবল প্ৰেমীসকলক একত্ৰিত কৰা আৰু নতুন প্ৰতিভাক স্থান দিয়াৰ উদ্দেশ্যৰে আয়োজিত এই টুৰ্ণামেণ্টখনে অঞ্চলটোত এক উখল-মাখল পৰিবেশৰ সৃষ্টি কৰিছে। চলিত বৰ্ষৰ এই টুৰ্ণামেণ্টত মুঠ ১২টা শক্তিশালী দলে অংশগ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে খেল পৰিচালনা সমিতিৰ সম্পাদক মনিৰুল ইছলামে। প্ৰতিটো দলেই খিতাপ দখলৰ যুঁজত অৱতীৰ্ণ হ'বলৈ সম্পূৰ্ণ সাজু হৈ আহিছে, যাৰ ফলত প্ৰতিখন খেলেই সমানে প্ৰতিদ্বন্দ্বিতামূলক আৰু ৰোমাঞ্চকৰ হৈ পৰাৰ পূৰ্ণ সম্ভাৱনা আছে। টুৰ্ণামেণ্টখন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে স্থানীয় বিধায়ক জীবেশ ৰায়ে। উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকি বিধায়কগৰাকীয়ে উদ্যোক্তাসকলৰ এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে গ্ৰামাঞ্চলৰ ক্ৰীড়া সংস্কৃতি

### বাঁহেৰে নিৰ্মিত দক্ষিণ ভাৰতীয় আৰ্হিৰ ষ্টেডিয়ামে কাঢ়িছে ৰাইজৰ দৃষ্টি

সজীৱ কৰি ৰখা আৰু যুৱ প্ৰজন্মক ক্ৰীড়াৰ প্ৰতি আকৃষ্ট কৰাৰ ক্ষেত্ৰত ডাইনামিক স্পোৰ্টছ ক্লাবে গ্ৰহণ কৰা ভূমিকা সঁচাকৈয়ে প্ৰশংসনীয়। দক্ষিণ ভাৰতৰ আৰ্হিত বাঁহেৰে নিৰ্মিত অনন্য ষ্টেডিয়াম দৃষ্টি আকৰ্ষণ কৰে ফুটবল প্ৰেমী ৰাইজৰ। অইন বছৰৰ দৰে এইবেলিও এই টুৰ্ণামেণ্টৰ অন্যতম মূল আকৰ্ষণ হৈছে খেলপথাৰৰ শ্ৰীবৃদ্ধি আৰু দৰ্শকৰ সুবিধাৰ বাবে নিৰ্মাণ কৰা বিশেষ ষ্টেডিয়ামখন। দক্ষিণ ভাৰতৰ বিভিন্ন খেলপথাৰৰ আৰ্হিক অনুসৰণ কৰি একাগ্ৰতাৰে স্থানীয় বাঁহেৰে নিৰ্মাণ কৰা হৈছে এই বাকৰি বা ষ্টেডিয়াম। দৰ্শকসকলে যাতে সুৰক্ষিত আৰু আৰামদায়কভাৱে বহিলৈ খেল উপভোগ কৰিব পাৰে, তাৰ বাবেই ক্ৰীড়া প্ৰেমি উদ্যোক্তাসকলে এই ব্যৱস্থা গ্ৰহণ কৰিছে। বাঁহেৰে তৈয়াৰী এই ব্যতিক্ৰমী গাথনিটোৱে স্থানীয় ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। টুৰ্ণামেণ্টৰ প্ৰথম দিনাৰ পৰাই ৰাইজৰ সঁহাৰি আছিল অতিকে লক্ষণীয়। খেল উপভোগ কৰিবলৈ শিমলাকান্দিৰ লগতে কাষৰীয়া অঞ্চলসমূহৰ পৰা সহস্ৰাধিক ফুটবলপ্ৰেমী ৰাইজৰ সমাগম ঘটিছে। স্থানীয় ৰাইজৰ এই ব্যাপক উপস্থিতিয়ে খেলুৱৈসকলক অধিক উৎসাহিত কৰি তুলিছে। ডাইনামিক স্পোৰ্টছ ক্লাবৰ কৰ্মকৰ্তাসকলে জনোৱা মতে, অনাগত দিনবোৰত খেলসমূহ আৰু অধিক আকৰ্ষণীয় হৈ পৰিব। ক্ৰীড়াপ্ৰেমী ৰাইজক টুৰ্ণামেণ্ট খনৰ বাকী থকা খেলসমূহ পথাৰত উপস্থিত থাকি উপভোগ কৰিবলৈ আহ্বান জনাইছে খেল পৰিচালনা সমিতি তথা উদ্যোক্তা শিমলাকান্দি আঞ্চলিক ডাইনামিক স্পোৰ্টছ ক্লাব।

# বীৰ লাচিত সেনাৰ নেতা মানস জ্যোতি চেতিয়াৰ অকাল বিয়োগ

### শোকত ভাগি পৰিছে বীৰ লাচিত সেনা পৰিয়াল

**অসম বাৰ্তা, গেলেকী, ২৫ আগষ্ট** ঃ বীৰ লাচিত সেনাৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ সভাপতি তথা প্ৰতিভাসম্পন্ন যুৱ নেতা মানস জ্যোতি চেতিয়া আৰু আমাৰ মাজত নাই। যোৱানিশা ডিব্ৰুগড়ৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ এই অকাল বিয়োগে সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত তথ্য অনুসৰি, পৰহি নিশা বিহুবৰ নেপালী খুটিৰ সমীপত এক দুৰ্ঘটনাত পতিত হৈছিল মানস জ্যোতি চেতিয়াৰ মটৰ চাইকেলখন। দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত যুৱকজনক লগে লগে উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। অৱশ্যে চিকিৎসাধীন অৱস্থাত যোৱানিশা তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটে। মাতৃভূমি আৰু দুৰ্যোগগ্ৰস্ত মানুহৰ সেৱাত সদায় আগৰণুৱা আছিল সদ্য প্ৰয়াত মানস চেতিয়া। ৰাজ্যত অহা ভয়াৱহ বানপানীৰ সময়ত বানাক্ৰান্তৰ সেৱাত দিন-ৰাত একাকাৰ কৰি কাম কৰিছিল তেওঁ। বিশেষকৈ, বানত মৃত্যুমুখত পৰা কেবাটাও দুৰ্ভগীয়া পৰিয়ালৰ কাষত থিয় হৈ তেওঁ নিজ হাতে মৃতকসকলৰ শেষকৃত্য সম্পন্ন কৰাত গুৰুত্বপূৰ্ণ সহযোগিতা আগবঢ়াইছিল। এজন সমাজপ্ৰাণ যুৱক হিচাপে তেওঁৰ এই অৱদান চিৰস্মৰণীয় হৈ ৰ'ব। যুৱকজনৰ মৃত্যুত বিভিন্ন দল সংগঠনে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰিছে।

'স্বাৱলম্বনে জীৱনটো উপলব্ধি কৰিবলৈ শিকায়' ঃ ড° দেৱজিৎ শইকীয়া

# মাজুলী মহাবিদ্যালয়ত স্ব-নিয়োজন সম্পৰ্কীয় সজাগতা সভা সম্পন্ন




**অসম বাৰ্তা, উজনী মাজুলী, ২৭ আগষ্ট ঃ** মাজুলী জিলাৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সৌজন্যত আৰু মাজুলী মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সেলিং কোষৰ সহযোগত আজি এক বিশেষ সজাগতামূলক অনুষ্ঠান সম্পন্ন হয়। অসমত দক্ষতা বিকাশ আৰু স্ব-নিয়োজনৰ সুবিধাৰ্থে প্ৰণয়ন কৰা দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা আৰু গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ আঁচনি সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰাৰ বাবে এই সজাগতা অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত দিনৰ ১ বজাৰ পৰা আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সেলিং কোষৰ সমন্বয়ক ড° দেৱজ্যোতি ভট্টাচাৰ্য্যই সকলোকে আদৰণি জনায়। অনুষ্ঠানটি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। নিজৰ বক্তব্যত ডঃ শইকীয়াই চৰকাৰী আঁচনিসমূহৰ পৰা পাব পৰা সুযোগসমূহ যথাৰ্থভাৱে গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ আগবঢ়াই কয়, স্বাৱলম্বনে জীৱনটো প্ৰকৃতপক্ষে উপলব্ধি কৰিবলৈ শিকায়। লগতে অসমৰ নিৱনুৱা সমস্যা দূৰ কৰাৰ ক্ষেত্ৰত এনে চৰকাৰী আঁচনিসমূহ বিশেষভাৱে সহায়ক হ'ব বুলি উল্লেখ কৰি তেওঁ এনে সজাগতা প্ৰদান কৰাৰ বাবে সংশ্লিষ্ট বিভাগক কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকি দক্ষতা বিকাশৰ জিলা কাৰ্যবাহী বিষয়া মনাং দলেয়ে দক্ষতা, নিয়োগ আৰু ঔদ্যোগীকৰণেৰে গ্ৰামীণ তথা দৰিদ্ৰ যুৱ সমাজ সবলীকৰণৰ উদ্দেশ্যে চৰকাৰীভাৱে গ্ৰহণ কৰা আঁচনিসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীৰ আগত ব্যাখ্যা দাঙি ধৰে। আনজন সমল ব্যক্তি তথা মাজুলী উন্নয়ন খণ্ডৰ সমন্বয়ক ৰমানন্দ গোপাল হাজৰিকাই গ্ৰামীণ কৌশল যোজনা আৰু গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ আঁচনিৰ সুবিধা গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকল কিদৰে আগবাঢ়িব আহিব লাগিব তাৰ বিষয়ে ব্যাখ্যা কৰে। লগতে এই আঁচনিৰ জৰিয়তে মাজুলীৰ বিভিন্নজন যুৱক-যুৱতী কিদৰে উপকৃত হৈছে তাকো অৱগত কৰে। সমল ব্যক্তিৰ বক্তব্যৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলে অন্তৰংগ আলাপেৰে অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানত মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক বসন্ত বৰা, অধ্যাপক বিজয় টিমুং, আচাৰ্য মোহন দাস, বিতোপন হাজৰিকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি নিজৰ মন্তব্যৰে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰে। অনুষ্ঠানৰ অন্তত সকলোকে শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক আচাৰ্য মোহন দাসে।

# নাজিৰা লিগিৰীপুখুৰী কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া চিকিৎসালয়ৰ নৱ নিৰ্মিত ভৱন উদ্বোধন মন্ত্ৰী অশোক সিংঘলৰ

**অসম বাৰ্তা, নাজিৰা, ২৭ আগষ্ট ঃ** নাজিৰা সমজিলাৰ লিগিৰীপুখুৰীস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া চিকিৎসালয়ৰ নৱ নিৰ্মিত ভৱন আজি উদ্বোধন কৰে অসম চৰকাৰৰ স্বাস্থ্য মন্ত্ৰী অশোক সিংঘলে। নাজিৰা সমজিলাৰ বিভিন্ন প্ৰান্তৰ ৰোগীসকলৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত সহায় হ'ব পৰাকৈ নিৰ্মাণ কৰি উলিওৱা অত্যাধুনিক নৱনিৰ্মিত ভৱণ শুভ উদ্বোধন কৰি স্বাস্থ্য মন্ত্ৰী অশোক সিংঘলে কয় যে আজি নাজিৰা কৰ্মশ্ৰী শ্ৰী হিতেশ্বৰ শইকীয়া চিকিৎসালয়খনৰ নতুন ভৱনৰ কেন্দ্ৰটো আৰম্ভ হৈছে আৰু বহু ধৰণৰ ইকুইপমেণ্ট ইয়াত আমি দিছো। চিকিৎসক, নাৰ্ছ, চপোৰ্ট ষ্টাফ যথেষ্ট দিয়া হৈছে। অহা দিনবোৰত আৰু প্ৰয়োজনীয় হ'লে চিকিৎসক আৰু নাৰ্ছ দিয়াৰ ব্যৱস্থা আমি কৰিম। বিধায়ক হোৱাৰ পিছত বিধায়ক ডাঙৰীয়াই প্ৰায়ে মোক কৈ আছিলে চিকিৎসালয়খনৰ নৱ নিৰ্মিত ভৱনটোৰ কথা। ময়ো আজি তেখেতৰ অনুগ্ৰহ মানি বিষয়টো বিবেচনা কৰি আজি মুকলি কৰিলো বুলি কৈ মন্ত্ৰীগৰাকীয়ে কয় মই আজি অলপ সন্তোষ পাইছো যে ৰাইজে ইয়াৰ পৰা বহুত উপকৃত হ'ব। স্বাস্থ্য বিভাগৰ তৎপৰতাত, স্বাস্থ্যকৰ্মীৰ তৎপৰতাত চিকিৎসক, পেৰামেডিকেল আৰু বিশেষকৈ পি.এইচ.ই. বিভাগ (Public Health Engineering) বিভাগৰ তৎপৰতাত কলেৰা আদি বেমাৰৰ সংক্ৰমণৰ পৰা বাছিবলৈ সক্ষম হয়। মই শলাগ লৈছু যিহকলে ইয়াত এই ব্যৱস্থাৰ লগত জড়িত আছিলে প্ৰত্যেকজন স্বাস্থ্যকৰ্মী, আশাকৰ্মীক মই শলাগ লৈছো আৰু স্বাস্থ্যমন্ত্ৰী হিচাপে ধন্যবাদ দিছো চিকিৎসসকলকো যিসকলৰ প্ৰচেষ্টাত এক ডাঙৰ দুৰ্ঘটনাৰ পিছত জীৱনটো আমি সামান্য গঢ়ি তুলিবলৈ চেষ্টা কৰিছো। লাহে লাহে সকলো আমি আগুৱাই লৈ যাম। একেদিনাই কোনো হস্পিটেল পূৰ্ণাঙ্গ কৰিব পৰা নাযায় অশোক সিংঘলে কয় যে আজি এই নতুন বিল্ডিং আৰম্ভ হৈছে। কেইদিনমানটো লাগিব মানুহহে জানিবাৰ কাৰণে যে নতুন বিল্ডিংত আৰম্ভ হ'ল। গাইনিৰ চিকিৎসককে ধৰি পেডিয়াট্ৰিচিয়ান ইয়াত আছে, মেডিচিনৰ চিকিৎসক আছে আৰু কেবাজন চিকিৎসক যেনে চকু চিকিৎসক, দাতৰ চিকিৎসক, মেডিচিনৰ চিকিৎসক, এম.বি.বি.এছ. চিকিৎসক আছে। আপোনালোকে আগবাঢ়িব দিয়ক। এই মহকুমা চিকিৎসালয়, ডিষ্ট্ৰিক্ট চিকিৎসালয়, চি.এইচ.চি.বোৰ ভাল হ'লে মেডিকেল কলেজৰ ওপৰত প্ৰেচাৰ কম পৰিব। মেডিকেল কলেজৰ ওপৰত প্ৰেচাৰ কমিলে মেডিকেল কলেজো গুণগত মানদণ্ড চিকিৎসা আগবঢ়াব পাৰিব। ১৯ তাৰিখে ঘটনাটো হৈ যোৱাৰ পিছতে টেলিফোনৰ যোগেদি ডি.চি.ৰ লগত কথা পাতি আৰু মিডিয়াত যিটো মই দেখিলোঁ, স্বাস্থ্যমন্ত্ৰী হিচাপে মোৰ মনত এটাই ভয় আছে যে ইয়াৰ পৰাটো হয়তো দুদিনৰ পিছত আমি উদ্ধাৰ হৈ যাম, পানী উলাই যাব, এছ.ডি.আৰ.এফ. লাগি আছে, ৰেভিনিউ ডিপাৰ্টমেণ্ট লাগি আছে, সব আছে। কিন্তু শেষত যিটো কাম থাকিব, এতিয়া স্বাস্থ্য বিভাগৰ থাকিব যে সংক্ৰমণ হ'বলৈ নালাগে, মানুহে যৱতীয়া চিকিৎসা যিটো আছে সেয়া পাব লাগে বুলিও উল্লেখ কৰে স্বাস্থ্য মন্ত্ৰী গৰাকীয়ে। আজিৰ এই ভৱন উদ্বোধনী অনুষ্ঠানত নাজিৰাৰ বিধায়ক ময়ূৰ বৰগোঁহাই, ৰাজ্য সভাৰ সাংসদ যোগেন মহনৰ লগতে কেইবাগৰাকীও স্বাস্থ্য বিষয়া উপস্থিত থাকে।

# অভয়াপুৰী সমজিলাৰ নৱনিযুক্ত আয়ুক্ত মহোদয় আৰু অভয়াপুৰী সমজিলাৰ সাংবাদিকসকলৰ সৈতে বৈঠক

**অসম বাৰ্তা, অভয়াপুৰী, ২৭ আগষ্ট ঃ** অভয়াপুৰী সমজিলাৰ নৱনিযুক্ত আয়ুক্ত গৰাকীয়ে আজি অভয়াপুৰীৰ সাংবাদিকসকলৰ সৈতে এক সৌহাৰ্দ্যপূৰ্ণ চিনাকি পৰ্বত মিলিত হয়। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত সমজিলাখনৰ বিভিন্ন সংবাদ মাধ্যমৰ সৈতে জড়িত সাংবাদিকসকলে অংশগ্ৰহণ কৰি নৱনিযুক্ত সমজিলা আয়ুক্তগৰাকীৰ সৈতে মত-বিনিময় কৰে। চিনাকি পৰ্বৰ সময়ছোৱাত সমজিলা আয়ুক্ত গৰাকীয়ে সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে অভয়াপুৰী সমজিলাৰ সামগ্ৰিক উন্নয়ন, জনসাধাৰণৰ সমস্যা আৰু প্ৰশাসনিক কাম-কাজৰ ক্ষেত্ৰত সংবাদ মাধ্যমৰ ভূমিকা সন্দৰ্ভতো আলোচনা কৰে। সাংবাদিক সকলেও সমজিলাখনৰ বিভিন্ন সমস্যা, জনসাধাৰণৰ অভাৱ-অভিযোগ আৰু উন্নয়নমূলক বিষয়সমূহ প্ৰশাসনৰ দৃষ্টিগোচৰ কৰাত সংবাদ মাধ্যমৰ দায়িত্বৰ বিষয়ে মত প্ৰকাশ কৰে। নতুন সমজিলা আয়ুক্তগৰাকীৰ সৈতে অনুষ্ঠিত এই চিনাকি পৰ্বত সাংবাদিক সকলৰ মাজত এক ইতিবাচক আৰু সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশৰ সৃষ্টি হয়। ভৱিষ্যতে প্ৰশাসন আৰু সংবাদ মাধ্যমৰ মাজত সু-সমন্বয়ৰ জৰিয়তে জনসাধাৰণৰ সমস্যা অধিক ফলপ্ৰসূভাৱে উপস্থাপন আৰু সমাধানৰ পথ প্ৰশস্ত হ'ব বুলি আশা প্ৰকাশ কৰা হয়। চিনাকি পৰ্বৰ অন্তত সাংবাদিকসকলে নৱনিযুক্ত সমজিলা আয়ুক্ত গৰাকীক আন্তৰিক ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰে। লগতে তেওঁৰ নতুন দায়িত্বৰ কৰ্মজীৱন সফল, সুন্দৰ আৰু মংগলময় হোৱাৰ কামনা কৰে। অভয়াপুৰী সমজিলাৰ জনসাধাৰণৰ স্বাৰ্থত নৱনিযুক্ত সমজিলা আয়ুক্ত গৰাকীৰ নেতৃত্বত প্ৰশাসনে নতুন গতি লাভ কৰিব বুলি আশা প্ৰকাশ কৰে সাংবাদিক সকলে।

# ৰঙিয়াৰ প্ৰেমদা শিৱনাথ বিদ্যাপীঠত বিশ্বনবী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰঙিয়া, ২৭ আগষ্ট ঃ** ২০২৬ বৰ্ষৰ বিশ্বনবী দিৱস আগষ্ট মাহৰ ২৬ তাৰিখে উদযাপন কৰা হয়। ৰঙিয়াৰ চেপ্তিস্থ প্ৰেমদা শিৱনাথ বিদ্যাপীঠ হাইস্কুলত জাতীয় সংগীতেৰে আৰম্ভণি কৰা সভাত উজ্জ্বল ডেকাৰ সভাপতিত্বত উদ্‌যাপিত এই অনুষ্ঠানটি আঁত ধৰি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক বিপুল চক্ৰৱৰ্তীয়ে। পৰিচালনা সমিতিৰ সভাপতি নগেন ডেকাৰ লগতে বিশিষ্ট বক্তা হিচাপে বিশ্বনবী হজৰত মহম্মদৰ জীৱনৰ বহু কথা বৰ্তমানৰ লগত সামঞ্জস্য দেখুৱাই বক্তব্য আগবঢ়ায় ৰঙিয়াৰ জেষ্ঠ নাগৰিক সন্মানীয় আব্দুল জব্বৰ ডাঙৰীয়াই আৰু মুখ্য অতিথি হিচাপে হজৰত মহম্মদৰ জন্মৰ পৰা মৃত্যুলৈ কিছু গুৰুত্বপূৰ্ণ ঘটনা ছাত্ৰছাত্ৰীৰ সন্মুখত অৱগত কৰায় পশ্চিম বড়িগোগ মহাবিদ্যালয়ৰ অধ্যাপক ডাঃ খাইৰুল জামান ডাঙৰীয়াই। উক্ত সভাত ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষয়িত্ৰী সকলেও জিকিৰ পৰিৱেশন কৰি সভাৰ সৌন্দৰ্য বৰ্দ্ধন কৰে। অনুষ্ঠানত শিক্ষক শিক্ষয়িত্ৰী ছাত্ৰ-ছাত্ৰীৰ সহযোগিতাই সভাখন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সভাৰ সভাপতি উজ্জ্বল ডেকাই সকলোকে ধন্যবাদ জনাই ৰাষ্ট্ৰীয় সংগীতেৰে সভাৰ সমাপ্তি ঘটোৱা হয়।

# ডিব্ৰুগড়ৰ দাৰুল উলুম চাউলখোৱা মাদ্ৰাছাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ মাজত মক্তব প্ৰতিযোগিতা ও দোৱা মেহফিল

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৭ আগষ্ট ঃ** যোৱা ইং ২৩ আগষ্টত ডিব্ৰুগড়স্থিত দাৰুল উলুম চাউলখোৱা মাদ্ৰাছাৰ প্ৰাঙ্গণত এদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা ছাত্ৰ-ছাত্ৰীৰ মাজত 'মক্তব প্ৰতিযোগিতা ও দোৱা মেহফিল'ৰ অন্ত পৰে। অনুষ্ঠানটিৰ একমাত্ৰ উদ্দেশ্য আৰু লক্ষ্য আছিল চাউলখোৱা অঞ্চলৰ অন্তৰ্গত চবাহী মক্তব (ধৰ্মীয় শিক্ষা কেন্দ্ৰ) সমূহৰ ছাত্ৰ-ছাত্ৰী সকলক ইচলাম ধৰ্মৰ মানৱীয় দিশৰ প্ৰাথমিক তথা প্ৰয়োজনীয় ধৰ্মীয় শিক্ষাৰে অনুপ্ৰাণিত ও প্ৰভাৱিত কৰা। অনুষ্ঠানত চাউলখোৱা অঞ্চলৰ প্ৰায় ১০খন চবাহী মক্তবৰ ছাত্ৰ -ছাত্ৰী সকলে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বিষয়বস্তু উপস্থাপন কৰে। আমন্ত্ৰিত অতিথিৰ উপস্থিতিত বঁটা বিতৰণী সভাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক বঁটা, প্ৰশংসা পত্ৰ আৰু নগদ ধন দি সন্মানিত কৰা হয়। অনুষ্ঠানত সভাপতিত্ব কৰে মাদ্ৰাছা পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি লিয়াকত আলিয়ে। অনুষ্ঠানত উপস্থিত থাকে মাদ্ৰাছা পৰিচালনা সমিতিৰ সভাপতি চেলিম উদ্দিন আহমেদ প্ৰমুখ্য কৰি নেকিব উদ্দিন আহমেদ, নেজিব হুছেইন চাবৰী, নূৰ আলম খান, ছফি আলম খান, মাদ্ৰাছাৰ প্ৰাক্তন সভাপতি মুহিবুল আহমেদ, মহম্মদ ইছলাম, নজিফুৰ ৰহমান, মাদ্ৰাছাৰ জ্যেষ্ঠ উপদেষ্টা জেহিৰ উদ্দিন আহমেদ, ফিৰোজ আহমেদ হাজৰিকা, মহম্মদ হুছেইন, ডিব্ৰুগড় জাকাত এণ্ড ইমদাদ ফাউণ্ডেচন ট্ৰাষ্টৰ নাচিৰ চুলতান, মাদ্ৰাছাৰ সাধাৰণ সম্পাদক ৰিয়াজ উদ্দিন আহমেদৰ লগতে সহঃ সম্পাদক চলন্ত আলি, ইনামুল শ্বেখ, সমাজ সেৱক দিয়ানুদ্দিন আহমেদ, জ্যেষ্ঠ সাংবাদিক এম হাছিম আলী, মনিৰুদ্দিন আহমেদ তথা অন্যান্য গণ্যমান্য ব্যক্তিসকল। অনুষ্ঠানত আমন্ত্ৰিত বিশিষ্ট অতিথিদ্বয় জামিয়া ইছলামীয়া জালালিয়া হোজাই মাদ্ৰাছাৰ শ্বেইখুল হাদিচ হজৰত মৌলানা মুফতি চবিহ আখতাৰ কাছিমী আৰু মোহাদ্দিচ হজৰত মৌলানা আকিলুৰ ৰহমান কাছিমীয়ে তেখেতলোকৰ তত্ত্বগধুৰ ভাষণেৰে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। আমন্ত্ৰিত মুখ্য অতিথি হজৰত মৌলানা মুফতি চবিহ আখতাৰে বিশ্ব শান্তি তথা ৰাইজৰ বাবে দোৱা -প্ৰাৰ্থনা কৰে। সভাপতিৰ মন্তব্যত লিয়াকত আলিয়ে অনুষ্ঠানটিৰ আয়োজক মাদ্ৰাছাৰ শিক্ষকসকলৰ প্ৰশংসা কৰাৰ লগতে উপস্থিত ৰাইজৰ শলাগ লয় আৰু অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাৰ বাবে ৰাইজক ধন্যবাদ জ্ঞাপন কৰে।

# মাকুম বাইপাছত নিয়ন্ত্ৰণ হেৰুৱাই দ খাৱৈত বাহন

**অসম বাৰ্তা, মাকুম, ২৭ আগষ্ট ঃ** মাকুম বাইপাছৰ পি চি চাং ধাবাৰ সমীপত আজি বিয়লি ভাগত এক পথ দুৰ্ঘটনা সংঘটিত হয়। পথ দুৰ্ঘটনাত এখন মাহিন্দ্ৰা এ' ইউ ভি 300 বাহন দ খাৱৈত সোমাই পৰে। জানিব পৰা মতে, এ এছ ২৩ এ এ ৭৯৯৯ নম্বৰৰ বাহনখন ডিগবৈ দিশৰ পৰা আহি থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ দ খাৱৈত সোমাই পৰে। দুৰ্ঘটনাটোত বাহনখনৰ চালক লোহিত দাস কিছু পৰিমাণে আঘাতপ্ৰাপ্ত হয়। স্থানীয় ৰাইজে বাহন খনৰ পৰা চালক জনক উদ্ধাৰ কৰি চিকিৎসাৰ বাবে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। ইফালে, ঘটনাৰ খবৰ লাভ কৰাৰ পাছতে মাকুম থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ দুৰ্ঘটনাগ্ৰস্ত বাহনখন উদ্ধাৰ কৰে।

চিকিৎসালয়খন সুচাৰুৰূপে পৰিচালনাৰ পূৰ্ণ সহযোগ কৰিব সচেতন নাগৰিকে

# মাজুলীত মেডিকেল কলেজ স্থাপনৰ দাবী; মাজুলী জিলা চিকিৎসালয়ত নাগৰিক সভা

**অসম বাৰ্তা, মাজুলী, ২৭ আগষ্ট ঃ** মাজুলীবাসীৰ স্বাস্থ্য সেৱাৰ ডাঙৰ সম্পদ গড়মূৰস্থিত শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ৰ চিকিৎসা সেৱা উন্নত কৰা, মাজুলীৰ সচেতন নাগৰিকৰ পৰামৰ্শ গ্ৰহণৰ বাবে কালি জিলা চিকিৎসালয়ৰ 'সন্মিলন কক্ষ'ত এখন সভা ৰাজহুৱা সভা অনুষ্ঠিত হয়। জিলা চিকিৎসালয় পৰিচালনা সমিতিৰ সদস্য তথা শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঘনকান্ত নাথৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ৰাজহুৱা সভাৰ আহবায়ক ভবেন কাকতিয়ে। সভাত চিকিৎসালয়ৰ অধীক্ষক ডাঃ মাণিক মিলিয়ে সভাত উপস্থিত সকলোকে স্বাগতম জনায় জিলা চিকিৎসালয়ৰ পৰা মাজুলীৰ লগতে মাজুলীৰ লগতে মাজুলীৰ বাহিৰৰ ৰোগীয়ে কিদৰে ডায়েলাইচিচ সেৱাৰ লগতে বিনামূলীয়া কোনো ব্লাড ড'নাৰ নোহোৱাকৈ পাঁচ ইউনিট পৰ্যন্ত তেজ দি ৰোগীক সুস্থ কৰাকে ধৰি চিকিৎসালয়ৰ চিকিৎসক-নাৰ্ছে কিদৰে সেৱা আগবঢ়াই আহিছে, সেই বিষয়ে তথ্য সহকাৰে সকলো বিৱৰি কয়। বৰ্তমান চিকিৎসালয়খনত মুঠ ১৮ গৰাকীৰে ১২ গৰাকী বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়াই আছে। অৱশ্যে ৰোগীৰ অনুপাতে চিকিৎসকৰ সংখ্যা কম যদিও পাৰ্যমানে সেৱা আগবঢ়াই আহিছে চিকিৎসক-নাৰ্ছে। তৎস্বত্ত্বেও যদি কোনোবা ৰোগীৰ আত্মীয় এদিন আহিয়েই চিকিৎসালয়ৰ বদনাম কৰি সামাজিক মাধ্যমত যিকোনো বিষয়ে প্ৰচাৰ কৰাটো গ্ৰহণযোগ্য নহয় বুলি সভাত উপস্থিত সচেতন ৰাইজে মতপোষণ কৰে। ভৱিষ্যতৰ দিনত কোনো লোকে কাৰোবাৰ বিৰুদ্ধে কৰ্তব্যত গাফিলতি কৰা আদি বিষয় দৃষ্টিগোচৰ হ'লে চিকিৎসালয়ৰ অধীক্ষক বা অভিযোগ বাকচত অভিযোগ দিবলৈ যুটীয়া সঞ্চালক ডাংকিশোৰ কুমাৰ কমানে সকলোৰে প্ৰতি আহবান জনায়। কোনো কাৰণতে সামাজিক মাধ্যম আদিত চিকিৎসালয় তথা চিকিৎসকৰ মন ভাগি যোৱা ধৰণৰ মন্তব্য আদি দিয়াৰ পৰা বিৰত থাকিবলৈ আহবান জনায়। সভাত মাজুলীৰ ৰাইজৰ স্বাৰ্থত চিকিৎসালয়খন চিকিৎসক, চিকিৎসা কৰ্মীৰ লগতে কৰ্তৃপক্ষক পূৰ্ণ সহযোগ কৰাৰ মত পোষণ কৰে। সভাই মাজুলীৰ চিকিৎসা খণ্ড অধিক আগুৱাই নিবৰ বাবে মাজুলী জিলাত অতি সোনকালে চৰকাৰে এখন মেডিকেল কলেজ স্থাপনৰ কাম আৰম্ভ কৰিবলৈ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰমুখ্যে চৰকাৰ আৰু স্বাস্থ্য বিভাগক আহ্বান জনায় বহুমূলীয়া পৰামৰ্শ প্ৰদান কৰে। লগতে সভাই বৰ্তমান চিকিৎসালয় খনত অতি জৰুৰী বিভাগ সমূহ চলাবৰ কাৰণে প্ৰয়োজনীয় বিশেষজ্ঞ চিকিস্যক নিয়োগৰ বাবে চৰকাৰক আহ্বান জনায়। সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কিশোৰী মোহন পাল, সমাজকৰ্মী বীৰেন শইকীয়া, সাংবাদিক সঞ্জীৎ অসম বৰা, সমাজকৰ্মী জয়ন্ত হাজৰিকা, মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পৱিত্ৰ গোস্বামী আদিয়ে বহুমূলীয়া পৰামৰ্শ আগবঢ়াই। সভাত মাজুলী সমন্বয় মঞ্চৰ সম্পাদক জগত হাজৰিকা, জ্যেষ্ঠ সাংবাদিক জীৱন বৰুৱা, উৎপল কাকতি, সমাজকৰ্মী যুগল হাজৰিকা, দিলীপ ভূঞা, দীপ ভূঞা, ব্ৰজেন গাম, অমূল্য নাথ, মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অজিত হাজৰিকা, সভাপতি প্ৰাঞ্জল শইকীয়া, সমাজকৰ্মী দিনমণি দত্তৰ প্ৰমুখ্যে চিকিৎসক, নাৰ্ছ, চিকিৎসা কৰ্মীসকল উপস্থিত থাকে।

# বোকাখাতৰ বৰচাপৰি চাহ বাগিচাত গছ বাগৰি পৰি পাঁচজন আহত

কণমানি শিশু-মহিলাৰ কথমপি প্ৰাণৰক্ষা

**অসম বাৰ্তা, নুমলীগড়, ২৭ আগষ্ট ঃ** বোকাখাত সমষ্টিৰ বৰচাপৰি চাহ বাগিচাৰ ৬নম্বৰ লাইনত আজি এক ভয়াৱহ অঘটন সংঘটিত হয়। বাগিচাৰ শ্ৰমিক সুমিত্ৰা সিংৰ বাসগৃহত এজোপা বৃহৎ গছ বাগৰি পৰাত ঘৰটো সম্পূৰ্ণৰূপে ধ্বংসস্তূপত পৰিণত হয় আৰু ঘৰৰ সকলো সামগ্ৰী নষ্ট হয়। ঘটনাৰ সময়ত গৃহত থকা এটি কণমানি শিশু আৰু দুগৰাকী মহিলা ধ্বংসস্তূপৰ তলত আবদ্ধ হৈ পৰে। স্থানীয় শ্ৰমিকসকলৰ তৎপৰতাত তেওঁলোকক উদ্ধাৰ কৰা হয়। আঘাত গুৰুতৰ হোৱা বাবে প্ৰথমে বাগিচাৰ চিকিৎসালয়লৈ নিয়াৰ পাছত বাগিচা কৰ্তৃপক্ষই আহতসকলক বোকাখাতৰ শ্বহীদ কমলা মিৰি মহকুমা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উদ্ধাৰ অভিযানৰ সময়ত দুজন স্থানীয় লোকও আহত হয়। এই দৰে কণমানি শিশু আৰু দুগৰাকী মহিলাকে ধৰি মুঠ পাঁচজন লোক আহত হয় যদিও "ৰাখে হৰি মাৰে কোনে" বুলি ক'ব পৰাকৈ সকলোৰে প্ৰাণৰক্ষা হয়। এই আকস্মিক ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। বাতৰি লিখাৰ পৰলৈকে আহতসকলৰ চিকিৎসা অব্যাহত আছে।

সৰবৰাহকাৰীৰ দুজন পলাতক

# দেৰগাঁৱত ১৮টাকৈ চোৰাং কুকুৰ উদ্ধাৰ

**অসম বাৰ্তা, দেৰগাঁও, ২৭ আগষ্ট ঃ** দেৰগাঁৱত চলি থকা চোৰাং কুকুৰ সৰবৰাহৰ বিৰুদ্ধে দেৰগাঁও আৰক্ষীয়ে সোমবাৰে নিশা অভিযান চলাই চ'গুৰি গাঁৱৰ পৰা বস্তাত বান্ধি থোৱা অৱস্থাত ১৮টাকৈ কুকুৰ উদ্ধাৰ কৰে। আৰক্ষীৰ সূত্ৰে জানিব পৰা মতে, সৰবৰাহকাৰীৰ এটা চক্ৰই কুকুৰকেইটা নাগালেণ্ডলৈ প্ৰেৰণৰ বাবে সাজু কৰিছিল। আৰক্ষীৰ দলটো ঘটনাস্থলীত উপস্থিত হোৱাৰ উমান পাই সৰবৰাহকাৰী দুজন পলায়ন কৰে। উদ্ধাৰ কৰা কুকুৰকেইটা নিশাই সুৰক্ষিতভাৱে দেৰগাঁও থানালৈ লৈ যোৱা হয়। উল্লেখ্য যে, দেৰগাঁৱত বিগত কেইবাবছৰ ধৰি চোৰাংভাৱে কুকুৰ সৰবৰাহৰ ব্যৱসায় চলি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে। আৰক্ষীৰ এই অভিযানক স্থানীয় সচেতন ৰাইজে আদৰণি জনাইছে। লগতে অবৈধ সৰবৰাহৰ সৈতে জড়িত মূল চক্ৰটোক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

কৃষকৰ সৈতে কৃষি বিজ্ঞানীৰ মত-বিনিময় অনুষ্ঠান সম্পন্ন

# মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত নামনি মাজুলীৰ ভকত চাপৰিত কৃষক প্ৰশিক্ষণ কাৰ্যসূচী

**অসম বাৰ্তা, উজনী মাজুলী, ২৭ আগষ্ট ঃ** মাজুলী জিলা কৃষি বিভাগৰ অধীনৰ কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা (আটমা) ৰ মাজুলী উন্নয়ন খণ্ডৰ উদ্যোগত মংগলবাৰে গড়মূৰ কৃষি চক্ৰৰ অন্তৰ্গত নামনি মাজুলীৰ ভকত চাপৰিত অনুষ্ঠিত হয় এক কৃষক প্ৰশিক্ষণ কাৰ্যসূচী। এই প্ৰশিক্ষণ কাৰ্যসূচীত কৃষি আৰু আনুষংগিক খণ্ডৰ বিভিন্ন বিষয় সন্দৰ্ভত প্ৰায় অৰ্ধ শতাধিক কৃষকক সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ প্ৰদান কৰে যোৰহাট কৃষি বিজ্ঞান কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড° সঞ্জয় বৰঠাকুৰ আৰু বিজ্ঞানী ড° সমীৰণ ভট্টাচাৰ্যই। এই প্ৰশিক্ষণ কাৰ্যসূচীত মূলতঃ সংহত কৃষি পদ্ধতি, সংহত কীট ব্যৱস্থাপনা আৰু বহনক্ষম কৃষি আয়ৰ বাবে মূল্য সংযোজন আদি গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত কৃষক ৰাইজক বিজ্ঞানী সকলে প্ৰশিক্ষণ প্ৰদান কৰে। এই কাৰ্যসূচীত কৃষক আৰু বিজ্ঞানী সকলৰ মাজত মত-বিনিময় কাৰ্যসূচীও সম্পন্ন হয়। য'ত কৃষক সকলে কৃষি আৰু আনুষংগিক খণ্ডৰে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত বিজ্ঞানী সকলৰ পৰা জানিবলৈ চেষ্টা কৰে। সেই অনুসৰি, কৃষক সকলক বিজ্ঞানী সকলে তত্ত্বগত প্ৰশিক্ষণ প্ৰদান কৰে। যাৰ জৰিয়তে কৃষক ৰাইজে কৃষি খণ্ডৰ সমন্ধিত বহু মূল্যৱান দিহা পৰামৰ্শ তথা জ্ঞান লাভ কৰে। উল্লেখ্য যে, প্ৰশিক্ষণৰ অন্তত প্ৰতিগৰাকী অংশগ্ৰহণকাৰী কৃষকক কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থা (আটমা) ৰ তৰফৰ একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত জিলা কৃষি বিষয়া নাচেৰ ইকবাল ৰেজা, জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া ভাস্কৰ জ্যোতি ফুকন, সহকাৰী কৃষি পৰিদৰ্শক অযোধ্যা দাস, আটমাৰ উপ প্ৰকল্প সঞ্চালক ৰাণা বুঢ়াগোহাঁই, খণ্ড প্ৰযুক্তি প্ৰবন্ধক প্ৰাণজিৎ ভূঞা, সহকাৰী প্ৰযুক্তি প্ৰবন্ধক জয়ন্ত মাধৱ দত্ত আৰু কৃষক ৰাইজ উপস্থিত থাকে।

# ৬ ছেপ্তেম্বৰত টংলা প্ৰেছ ক্লাৱৰ উদ্যোগত সাংবাদিক ধনেশ্বৰ ৰাভাৰ ষষ্ঠ বাৰ্ষিক মৃত্যু তিথি আৰু ধনেশ্বৰ ৰাভা সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠান

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৭ আগষ্ট ঃ** টংলা প্ৰেছ ক্লাৱৰ সতীৰ্থ সাংবাদিক, সমাজহিতৈষী তথা ক্ৰীড়া সংগঠক ধনেশ্বৰ ৰাভা বিগত ২০২০ চনৰ ৬ চেপ্তেম্বৰত স্বৰ্গগামী হয়। তেখেতৰ পবিত্ৰ স্মৃতি সজীৱ কৰি ৰখাৰ মানসেৰে ২০২১ চনৰে পৰা সাংবাদিক ধনেশ্বৰ ৰাভা স্মৃতিচাৰণ সভা আৰু সোঁৱৰণী বঁটা প্ৰদান অনুষ্ঠানটি টংলা প্ৰেছ ক্লাৱে অনুষ্ঠিত কৰি আহিছে। এই বেলিও সেই উদ্দেশ্যে ৬ চেপ্তেম্বৰত দিনজোৰা কাৰ্যসূচীৰে টংলা মিলনপুৰস্থিত চিলাৰায় ভৱনত আয়োজন কৰিছে। কাৰ্যসূচী অনুসৰি ৬ চেপ্তেম্বৰৰ পুৱা ১০ বজাত বন্তি প্ৰজ্বলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব সমাজকৰ্মী দণ্ডিৰাম ৰাভাই। ১০-১৫ বজাত সাংবাদিক ধনেশ্বৰ ৰাভালৈ একাঁজলি শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান মুকলি কৰিব ক্ৰমে টংলা সাহিত্য সভাৰ উপ-সভাপতি তপেশ্বৰ ৰাভা আৰু প্ৰয়াত ধনেশ্বৰ ৰাভাৰ পত্নী সুমিত্ৰা ৰাভাই। ১১ বজাত জ্যেষ্ঠ সাংবাদিক গৌৰীশংকৰ দাসৰ সঞ্চালনাত অনুষ্ঠিতব্য স্মৃতিচাৰণ সভা আৰু বঁটা প্ৰদান অনুষ্ঠান উদ্বোধন কৰিব টংলা প্ৰেছ ক্লাৱৰ উপদেষ্টা জয়ন্ত কুমাৰ দাসে। সন্মানীয় অতিথিৰূপে বিটিচি পৰিষদৰ পাৰিষদ ক্ৰমে অৰ্জুন দৈমাৰী আৰু দিগন্ত বৰুৱা, টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱা, আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য চিণ্টুমনি চক্ৰৱৰ্তী, বিজেপিৰ ওদালগুৰি জিলা সমিতিৰ সাধাৰণ সম্পাদক সুজিত সৰকাৰ, আক্ৰাছুৰ ওদালগুৰি জিলা সমিতিৰ সভাপতি মিণ্টু বৰুৱা, ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া, আপকু ওদালগুৰি জিলা সমিতিৰ সভাপতি নৱ কুমাৰ ডেকা, বড়োলেণ্ড সাংবাদিক সংস্থা ওদালগুৰি জিলা সমিতিৰ সম্পাদক নাৰায়ণ ডেকাআৰছুৰ ওদালগুৰি জিলা সমিতিৰ শিক্ষা সম্পাদক অৰূপ জ্যোতি ৰাভা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ টংলা আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি পৱন বনিয়া, টংলা প্ৰেছ ক্লাৱৰ প্ৰাক্তন সভাপতি উজ্জ্বল কুমাৰ দাসৰ উপৰি বিভিন্ন দল-সংগঠনৰ নেতৃত্ব উপস্থিত থাকিব। সভাত বিধায়ক বিকন চন্দ্ৰ ডেকা, বিটিচিৰ কাৰ্যবাহী সদস্য লোমশ্ৰাউ দৈমাৰী, জ্যেষ্ঠ সাংবাদিক গায়ত্ৰী ভট্টৰায়, ক্ৰীড়া সংগঠক জোনাচ চাংমাক টংলা প্ৰেছ ক্লাৱে সম্বৰ্দ্ধনা জনাব।

# সৰুপথাৰ সমজিলা সাংবাদিক সন্থাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অসম বাৰ্তা, সৰুপথাৰ, ২৫ আগষ্ট ঃ** সৰুপথাৰ সমজিলা সাংবাদিক সংস্থাৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা সোমবাৰে অনুষ্ঠিত হৈযায়। সৰুপথাৰ আৱৰ্ত্ত ভৱনত অনুষ্ঠিত উক্ত সভাখনত সভাপতিত্ব কৰে সংস্থাৰ সভাপতি দ্বীপেন কুমাৰ বৰাই আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক বেদান্ত ভাৰ্গৱ বৰাই। সভাখনত জেষ্ঠ সাংবাদিক তথা উপদেষ্টা মাখমুদ আলী, অৰুণী শৰ্মা, মাণিক শৰ্মা, দেৱাশিস শৰ্মা, দেৱাশিস গৌতম, জিতু ৰঞ্জন গোঁহাই, মাধুৰ্য কোঁৱৰ, পৰাণ গোস্বামী, হেমন্ত তামোলী আদি সদস্যসকলে কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ত নিজৰ মতামত অৰু পৰামৰ্শ আগবঢ়াই। সভাখনত সৰুপথাৰ সমজিলা সাংবাদিক সংস্থাৰ নৱ নিৰ্মিত কাৰ্যালয় গৃহটি শুভ উদ্বোধন কৰা, নতুন সদস্য ভৰ্তি কৰা, সংস্থাৰ নামত থকা বেংক একাউণ্টত লেনদেনৰ কৰ্তৃত্ব বৰ্তমানৰ সভাপতি সম্পাদকৰ জৰিয়তে কৰাৰ ব্যৱস্থা কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সংবাদকৰ্মীৰ মৌলিক দায়িত্ব সংবাদ সংগ্ৰহৰ উপৰিও সৰুপথাৰ সমজিলা সাংবাদিক সংস্থাৰ উদ্যোগত সামাজিক উন্নয়নমূলক কাম আৰু গণমুখী সামাজিক কাৰ্যসূচী ৰূপায়ণ কৰা, বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত ক্ৰীড়া, সুকুমাৰ কলা আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ কাৰ্যসূচী ৰূপায়ণ কৰা, সৰুপথাৰ সমজিলাৰ বিভিন্ন অঞ্চলৰ ইতিহাস-সমস্যা-সম্পদ আৰু সম্ভাৱনাৰ সন্দৰ্ভত আলোচনা চক্ৰ অনুষ্ঠিত কৰা আদি গুৰুত্বপূৰ্ণ প্ৰস্তাৱ সমূহ সভাখনত সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰা হয়। ইপিনে সৰুপথাৰ সমজিলা সাংবাদিক সংস্থাৰ WhatsApp Groupত সংস্থাৰ আভ্যন্তৰীণ বিষয়ত কৰা আলোচনাৰ স্ক্ৰীণশ্বট এটা দুষ্ট চক্ৰই সামাজিক মাধ্যমৰ জৰিয়তে অপপ্ৰচাৰ কৰিবলৈ চেষ্টা কৰা কাৰ্যৰ বিষয়েও সভাত আলোচনা কৰা হয় আৰু এনে কাৰ্যৰ তীব্ৰ গৰিহনা দিয়া হয়। সংস্থাৰ কোনো সদস্য যদি এনে কাৰ্যত জড়িত আছে তেনে দুদিনৰ ভিতৰত ভুল স্বীকাৰ কৰিবৰ বাবে সভাই সময় সীমা বান্ধি দিয়ে। অন্যথা বিষয়টোৰ সন্দৰ্ভত সংস্থাৰ তৰফৰ পৰা আইনৰ আশ্ৰয় লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত সভাপতি দ্বীপেন কুমাৰ বৰা, সাধাৰণ সম্পাদক বেদান্ত ভাৰ্গৱ বৰাই সৰুপথাৰ সমজিলা সাংবাদিক সংস্থাৰ সদস্যসকল একত্ৰিত হৈ সততা নিৰপেক্ষতা আৰু উৎসৰ্গিত মনোভাৱেৰে সমাজৰহে কাম কৰি যাবলৈ আহ্বান জনাই।

### গোচৰ ৰুজু আৰক্ষী থানাত; সামাজিক মাধ্যমত ব্যাপক চৰ্চা

# গোলাঘাটত চিকিৎসকৰ গাফিলতিত যুৱতীৰ মৃত্যুৰ অভিযোগ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৫ আগষ্ট ঃ** যোৱা ২৫ জুলাই তাৰিখে গোলাঘাটৰ খুমটাইৰ কচুপথাৰৰ জ্যোস্মিতা বৰা নামৰ এগৰাকী যুৱতি গোলাঘাট নগৰৰ এইচ জি এম নাৰ্চিংহোমত ডাঃ ভাস্কৰ হাজৰিকাৰ তত্ত্বাৱধানত পেংকিয়াচ (Pancreas) ত হোৱা পাথৰৰ এটি অপাৰেচন সম্পন্ন হৈছিল। অপাৰেচন কৰাৰ ৮ দিনৰ পিছত চিকিৎসকগৰাকীয়ে যুৱতীগৰাকীক ঘৰলৈ যাবলৈ দিয়ে। যুৱতীগৰাকীৰ নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ সময়ত স্বাস্থ্য পুনৰ অৱনতি হোৱাত পৰিয়ালৰ লোকে ডাঃ ভাস্কৰ হাজৰিকাৰ এন আৰ এলৰ সমীপৰ তেলগৰমত থকা চেম্বাৰলৈ নিয়ে আৰু চিকিৎসক হাজৰিকাই পুনৰ যুৱতীগৰাকীক এইচ জি এম নাৰ্চিহোমত ভৰ্তি কৰোৱাৰ পৰামৰ্শ দিয়াত ভৰ্তি কৰে যদিও ৰোগীৰ স্বাস্থ্যৰ অধিক অৱনতি ঘতাত যোৰহাটলৈ স্থানান্তৰ কৰাৰ পৰামৰ্শ প্ৰদান কৰে। যোৰহাটৰ চিকিৎসকসকলে যুৱতী ৰোগীৰ পেটৰ ফলা অংশৰ চিলাই দেখি হতচকিত হৈ পৰে আৰু ৰোগীক চিকৎসাৰ বাবে ততাতয়াকৈ গুৱাহাটীলৈ প্ৰেৰণ কৰাৰ পৰামৰ্শ দিয়াত পৰিয়ালে গুৱাহাটীলৈ নিয়ে যদিও গুৱাহাটীত ৯ দিন চিকিৎসাধীন হৈ থাকি যোৱা ২০ আগষ্টত মৃত্যু হয়। জ্যোস্মিতা বৰাৰ মৃত্যু হোৱাত এতিয়া সৰ্বত্ৰ ব্যাপক চৰ্চা হৈছে। যুৱতীগৰাকীৰ পৰিয়ালৰ অভিযোগ গোলাঘাটৰ ভুল অপাৰেচন পদ্ধতিৰ বাবেই যুৱতিগৰাকীৰ মৃত্যু হয়। এই ঘটনাৰ সন্দৰ্ভত আজি পৰিয়ালৰ লোকে গোলাঘাট আৰক্ষী থানাত এক গোচৰ ৰুজু কৰি উচিত ন্যায়ৰ দাবী জনাইছে। অন্যহাতে সামাজিক মাধ্যমতো ঘটনাটোৰ ব্যাপক চৰ্চা হোৱাৰ লগতে তদন্তৰ দাবী জনাইছে বিভিন্নজনে।

# গোলাঘাটত এইচ আই ভি/এইডছ সম্পৰ্কীয় জিলা সামূহিক সম্পদ গোটৰ বৈঠক অনুষ্ঠিত

### অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ গোলাঘাটৰ স্বাস্থ্য বিভাগৰ লগত বৈঠক

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ২৫ আগষ্ট ঃ** এইচ আই ভি/এইডছ প্ৰতিৰোধ, চিকিৎসা, যত্ন আৰু সহায়ৰ দিশত সজাগতা, সমন্বয় আৰু সামূহিক প্ৰচেষ্টাক শক্তিশালী কৰাৰ উদ্দেশ্যেৰে আজি অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত জিলা স্বাস্থ্য সমিতি, গোলাঘাটৰ সৌজন্যত এখন জিলা সামূহিক সম্পদ গোটৰ বৈঠক জিলা আয়ুক্তৰ সভাকক্ষত অনুষ্ঠিত হয়। গোলাঘাটৰ অতিৰিক্ত আয়ুক্ত (স্বাস্থ্য) জিণ্টু বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ জিআইপিএৰ সহকাৰী সঞ্চালক মানব সূৰ্য দাসে অসমৰ এইচ আই ভি/এইডছৰ বিভিন্ন দিশসমূহৰ ওপৰত আলোকপাত কৰে। বৈঠকৰ সময়ত গোলাঘাট জিলাত এইচ আই ভি/এইডছ সম্পৰ্কীয় সজাগতা, প্ৰতিৰোধ, চিকিৎসাৰ আনুগত্য, ৰাইজৰ অংশ গ্ৰহণ আৰু এইচ আই ভি ৰোগৰ নিয়ন্ত্ৰণৰ গুৰুত্বৰ ওপৰত আলোচনা কৰা হয়। তদুপৰি বিভিন্ন বিভাগীয় অংশীদাৰীৰ সমন্বিত প্ৰচেষ্টাৰ গুৰুত্বৰ বিষয়েও এই সভাত আলোচনা কৰা হয়। সভাত জিলা এইডছ নিয়ন্ত্ৰণ বিষয়া, জিলা সমাজ কল্যাণ বিষয়া, মহকুমা চিকিৎসা বিষয়া (বিদ্যালয় স্বাস্থ্য), এ আৰ টি কেন্দ্ৰৰ ডাঃ মালবিকা ডেকা, ৰাজ্যিক সমন্বয়ক, এইচএলএনপিপিটি, জিলা মিডিয়া বিশেষজ্ঞ, পি পি টি চি টি কাউন্সেলাৰ, আই চি টি চিৰ পৰামৰ্শদাতা, ৰন্ধিয়া আৰু ব্ৰহ্মপুত্ৰ গ্ৰাম্য পুস্তকভাণ্ডাৰ সংস্থা নামক দুই বেচৰকাৰী প্ৰতিষ্ঠান, ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণৰ কাৰ্যক্ৰমৰ সদস্যসকলৰ উপৰিও সমুদায় পৰ্যায়ৰ সদস্য উপস্থিত থাকে। অংশগ্ৰহণকাৰীসকলে সম্প্ৰদায়ৰ সংযোগ শক্তিশালী কৰা, দুৰ্বল আৰু উচ্চ বিপদজনক গোটসমূহৰ মাজত সজাগতা বৃদ্ধি কৰা, এইচ আই ভি পৰীক্ষা আৰু পৰামৰ্শ সেৱাৰ সুবিধা প্ৰদান কৰা আৰু পিপিচিটিচি, অ'এছটি আৰু এআৰটি কেন্দ্ৰৰ সৈতে সংযোগ নিশ্চিত কৰাৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰে। বৈঠকখনে সমাজত সজাগতা সৃষ্টি, বৈষম্য হ্ৰাস কৰা আৰু সমাজৰ বাবে সুলভ আৰু সহায়ক এইচ আই ভি সম্পৰ্কীয় সেৱা নিশ্চিত কৰাৰ দিশত বিভিন্ন বিভাগৰ সহযোগিতাত ভাৰত বৰ্ষক ২০৩০ চনৰ ভিতৰত এইচ আই ভি মুক্ত বুলি গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে।

### 'ইণ্ডিয়াছ টেলেণ্ট ফাইট'ৰ মূল ৰাউণ্ডলৈ যোগ্যতা অৰ্জন

# সৰ্বভাৰতীয় মঞ্চত উজলিছে চেলেংহাটৰ প্ৰিয়ানুজ

**অসম বাৰ্তা, চেলেংহাট, ২৫ আগষ্ট ঃ** যোৰহাট জিলাৰ চেলেংহাট দলৌ গাঁৱৰ প্ৰতিভাৱান ছাত্ৰ প্ৰিয়ানুজ শইকীয়াই সৰ্বভাৰতীয় পৰ্যায়ত অঞ্চলটোলৈ কঢ়িয়াই আনিছে গৌৰৱ আৰু আনন্দৰ বতৰা। ৰাষ্ট্ৰীয় পৰ্যায়ৰ জনপ্ৰিয় টিভি ৰিয়েলিটি শ্ব' 'ইণ্ডিয়াছ টেলেণ্ট ফাইট'ৰ মেগা অডিশ্যনত সুখ্যাতিৰে উত্তীৰ্ণ হৈ প্ৰিয়ানুজে আগন্তুক টিভি ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। উত্তৰাখণ্ডত অনুষ্ঠিত হোৱা শ্ব'টোৰ মেগা অডিশ্যনত দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰতিভাৱান প্ৰতিযোগীৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰি প্ৰিয়ানুজে নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰে। কঠিন প্ৰতিযোগিতাৰ মাজতো তেওঁ সফলতাৰে অডিশ্যন ৰাউণ্ড অতিক্ৰম কৰি টেলিভিছনৰ মূল ৰিয়েলিটি শ্ব'লৈ নিৰ্বাচিত হৈছে। চলিত বৰ্ষৰ ছেপ্টেম্বৰ মাহৰ পৰা 'ইণ্ডিয়াছ টেলেণ্ট ফাইট'ৰ টিভি ৰাউণ্ড আৰম্ভ হ'ব বুলি আয়োজক পক্ষই জানিবলৈ দিছে। মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত দলৌ গাঁও নিবাসী পৱন শইকীয়া আৰু পম্পী দলৈ শইকীয়াৰ সন্তান প্ৰিয়ানুজ বৰ্তমান আমগুৰিস্থিত অৰুণোদয় একাডেমীৰ একাদশ শ্ৰেণীৰ ছাত্ৰ। পঢ়া-শুনাৰ সমান্তৰালভাৱে নিজৰ প্ৰতিভাৰ সাধনা অব্যাহত ৰখা প্ৰিয়ানুজৰ এই সফলতাই তেওঁৰ সহপাঠী, শিক্ষক-শিক্ষয়িত্ৰী, পৰিয়ালবৰ্গৰ লগতে বৃহত্তৰ চেলেংহাট অঞ্চলবাসীৰ মাজতো উৎসাহৰ সৃষ্টি কৰিছে। সীমিত সুবিধাৰ মাজতো অধ্যৱসায়, আত্মবিশ্বাস আৰু কঠোৰ পৰিশ্ৰমৰ জৰিয়তে ৰাষ্ট্ৰীয় পৰ্যায়ৰ মঞ্চত স্থান লাভ কৰাটো বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে। প্ৰিয়ানুজৰ এই সাফল্যত অঞ্চলটোৰ বিভিন্ন দল-সংগঠন, শিক্ষানুষ্ঠান, শুভাকাংক্ষী আৰু ৰাইজে অভিনন্দন জ্ঞাপন কৰি আগন্তুক টিভি ৰাউণ্ডতো তেওঁ সফলতা অৰ্জন কৰি চেলেংহাট তথা সমগ্ৰ যোৰহাট জিলালৈ অধিক গৌৰৱ কঢ়িয়াই আনিবলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। টিভি ৰাউণ্ডত প্ৰিয়ানুজৰ পৰিৱেশন চাবলৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰিছে চেলেংহাটবাসী।

### ❑ গোলাঘাট জিলাৰ গুলোংটেমেৰাত বিৰল প্ৰজাতিৰ 'বেং বগীয়া কাছ' উদ্ধাৰ ❑

# যুদ্ধৰ অস্ত্ৰ নহয়, জীৱন ৰক্ষাৰ বিজ্ঞান হওক পৃথিৱীৰ ভৱিষ্যতৰ আটাইতকৈ শক্তিশালী অস্ত্ৰ

**অসম বাৰ্তা, নুমলীগড়, ২৫ আগষ্ট ঃ** নুমলীগড় খণ্ড বনবিভাগৰ অন্তৰ্গত, ৰঙামাটি অঞ্চলৰ গুলোংটেমেৰাত নুমলীগড় খণ্ড বন কাৰ্যালয়ৰ এটা দলে বিৰল প্ৰজাতিৰ ইণ্ডিয়ান নেৰ' হেডেড ছফটশ্বেল কাছ উদ্ধাৰ কৰে। স্থানীয়ভাৱে এই কাছবিধক 'বেং বগীয়া কাছ' নামেৰে জনা যায়। জানিব পৰা মতে, বাদুলীপাৰৰ মানৱ গগৈৰ পৰা লাভ কৰা খবৰৰ ভিত্তিত নুমলীগড় খণ্ড বন কাৰ্যালয়ৰ এটা দলে যোৱা নিশা গুলোংটেমেৰা অঞ্চলৰ এজন লোকৰ ঘৰৰ পৰা কাছটো উদ্ধাৰ কৰে। জালত আবদ্ধ হোৱা কাছটো উদ্ধাৰ কৰি লোকজনে ঘৰলৈ আনি স্থানীয় গাঁওবুঢ়াসহ সংশ্লিষ্ট লোকক খবৰ দিয়ে। পৰৱৰ্তী সময়ত বন বিভাগে কাছটো নুমলীগড় খণ্ড বন কাৰ্যালয়লৈ লৈ আহে। ইয়াৰ পিছত কাছটো বোকাখাতৰ বৰজুৰিস্থিত বন্যপ্ৰাণী পুনৰ উদ্ধাৰ আৰু সংৰক্ষণ কেন্দ্ৰৰ জ্যেষ্ঠ পশু চিকিৎসক ডাঃ ভাস্কৰ চৌধুৰীক দেখুওৱা হয়। পশু চিকিৎসকৰ পৰামৰ্শ অনুসৰি কাছটো সুস্থ অৱস্থাত পুনৰ তাৰ প্ৰাকৃতিক বাসস্থানত মুকলি কৰি দিয়া হয়। নুমলীগড় খণ্ড বন কাৰ্যালয়ৰ খণ্ড বিষয়া আইহোম শ্যামে ঘটনাটো সন্দৰ্ভত জানিবলৈ দিয়ে যে স্থানীয় লোকৰ পৰা লাভ কৰা খবৰৰ ভিত্তিতে বন বিভাগে তৎপৰতাৰে কাছটো উদ্ধাৰ কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে। ইফালে, ৰাজ্যৰ অন্যতম কাছ গৱেষক তথা গোলাঘাট দেবৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰৱক্তা ডাঃ ৰাজীৱ বসুমতাৰীৰ মতে, বেং বগীয়া কাছ বা ইণ্ডিয়ান নেৰ' হেডেড ছফটশ্বেল কাছ এবিধ বিৰল প্ৰজাতিৰ কাছ। এই প্ৰজাতিটো ভাৰতীয় বন্যপ্ৰাণী (সুৰক্ষা) আইন, ১৯৭২ৰ প্ৰথম অনুসূচীভুক্ত হোৱাত ইয়াৰ সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আছে। বিশেষজ্ঞগৰাকীৰ মতে, ধনশিৰি, গেলাবিল আদি নদীৰ উপৰি নদীৰ এৰা-সুঁতি আৰু সংলগ্ন জলাশয়তো এই বিৰল কাছবিধ কেতিয়াবা দেখা পোৱা যায়। জলজ পৰিৱেশতন্ত্ৰৰ গুৰুত্বপূৰ্ণ অংশ হিচাপে এনে বিৰল প্ৰজাতিৰ বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত স্থানীয় লোকসকলৰ সজাগতা আৰু সহযোগিতা অতি প্ৰয়োজনীয়। জালত আবদ্ধ হোৱা বিৰল কাছটো উদ্ধাৰ কৰি পুনৰ প্ৰাকৃতিক বাসস্থানলৈ ঘূৰাই দিয়াৰ ঘটনাই বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত স্থানীয় ৰাইজ আৰু বন বিভাগৰ সহযোগিতাৰ এক ইতিবাচক নিৰ্দশন দাঙি ধৰিছে।

### নগদ ৯, ৮২০ টকা আৰু ৮টা ম'বাইল ফোনসহ জুৱা খেলৰ সামগ্ৰী জব্দ

# ডবকাত জুৱাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান; ৭জন আটক

**অসম বাৰ্তা, ডবকা, ২৫ আগষ্ট ঃ** হোজাই জিলাৰ ডবকা আৰক্ষীয়ে জুৱাৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি দেওবাৰে নিশা ডবকা থানাৰ অন্তৰ্গত নাহৰ গাঁৱত অভিযান চলাই জুৱা খেলি থকা অৱস্থাত ৭জন লোকক আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে অভিযানত জুৱা খেলত ব্যৱহৃত তাচপাত, নগদ ধন আৰু ম'বাইল ফোন জব্দ কৰে। জানিব পৰা মতে এক গোপন খবৰৰ ভিত্তিত ডবকা আৰক্ষী থানাৰ আৰক্ষী উপ-পৰিদৰ্শক সাগৰ আলীৰ নেতৃত্বত আৰক্ষীৰ এটা দলে নাহৰ গাঁৱৰ শ্বফিকুৰ হকৰ বাসগৃহত অভিযান চলায়। অভিযানৰ সময়ত বাসগৃহটোত কেইবাজনো লোকে তাচপাতৰ জৰিয়তে জুৱা খেলি থকা বুলি আৰক্ষীয়ে প্ৰত্যক্ষ কৰে। লগে লগে আৰক্ষীয়ে ঘৰটো ঘেৰাও কৰি অভিযান চলাই মুঠ ৭জন লোকক ঘটনাস্থলীৰ পৰাই আটক কৰে। আৰক্ষীয়ে অভিযানস্থলীৰ পৰা জুৱা খেলত ব্যৱহৃত তাচপাতৰ লগতে নগদ ৯, ৮২০ টকা আৰু ৮টা ম'বাইল ফোন জব্দ কৰে। আটকাধীন লোককেইজন হৈছে ক্ৰমে শ্বফিকুৰ হক (পিতৃ: আব্দুল মুছাৱিৰ) বাবুল হুছেইন (পিতৃ: আব্দুল কৰিম) মজিবুৰ ৰহমান (পিতৃ: ছৰাফত আলী) আছিকুৰ ৰহমান (পিতৃ: ফজৰ আলী) আশ্ৰাফ আহমেদ তালুকদাৰ (পিতৃ: শ্বফিকুৰ ৰহমান) হাবিজুৰ ৰহমান (পিতৃ: ফজৰ আলী) আৰু আব্দুল আছাদ (পিতৃ: ৰইছ আলী) আটাইকেইজনেই নাহৰগাঁও অঞ্চলৰ বাসিন্দা। ইতিমধ্যে ডবকা আৰক্ষীয়ে এই ঘটনাৰ সন্দৰ্ভত ১৪৫/২০২৬ নম্বৰত এটা গোচৰ ৰুজু কৰি আটকাধীন লোককেইজনক আদালতত হাজিৰ কৰাইছে। ইফালে উক্ত জুৱা খেলৰ চক্ৰটোৰ সৈতে আৰু কোনো লোক জড়িত আছে নেকি, সেই সন্দৰ্ভতো আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। জুৱাৰ বিৰুদ্ধে আৰক্ষীৰ এই অভিযান আগন্তুক দিনতো অব্যাহত থাকিব বুলি ৰাইজে আশা কৰিছে। ঐতিহাসিক শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানাক্ৰান্তৰ পুনৰসংস্থাপনৰ বাবে ১০ হেজাৰ কোটি টকাৰ কেন্দ্ৰীয় সাহায্যৰ দাবীত আটাছুৰ বৃহৎ বিক্ষোভ শিৱসাগৰত।

# বোমা-বাৰুদৰ যুঁজ নহয়, কেঞ্চাৰৰ বিৰুদ্ধে হওক বিশ্বৰ ঐক্যবদ্ধ যুঁজ

**অসম বাৰ্তা, চেঙা, ২৫ আগষ্ট ঃ** বিশ্বৰ বিভিন্ন প্ৰান্তত দেশৰ মাজত সংঘাত, যুদ্ধ আৰু অস্ত্ৰ-শস্ত্ৰৰ প্ৰতিযোগিতা চলি আছে। দেশৰ সুৰক্ষাৰ নামত কোটি কোটি টকা বোমা-বাৰুদ, ক্ষেপণাস্ত্ৰ আৰু সামৰিক শক্তি বৃদ্ধিৰ বাবে ব্যয় কৰা হয়। কিন্তু ইয়াৰ মাজতে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন হয়- মানৱ জাতিৰ জীৱন ৰক্ষাৰ বাবে আমি সকলোৱে একেলগে কিয় যুঁজিব নোৱাৰোঁ? কেঞ্চাৰ আজি বিশ্বৰ অন্যতম গুৰুতৰ স্বাস্থ্য সমস্যা। এই ৰোগত আক্ৰান্ত হৈ বহু মানুহে অকালতে প্ৰাণ হেৰুৱায়। এজন ব্যক্তিৰ কেঞ্চাৰ ধৰা পৰিলে কেৱল ৰোগীগৰাকীয়েই নহয়, সমগ্ৰ পৰিয়ালটোৱেই মানসিক, সামাজিক আৰু অৰ্থনৈতিকভাৱে কঠিন পৰিস্থিতিৰ সন্মুখীন হয়। বহু পৰিয়ালৰ বাবে দীৰ্ঘদিনীয়া চিকিৎসাৰ ব্যয়ো এক বৃহৎ বোজা হৈ পৰে। এনে সময়ত স্বাভাৱিকভাৱেই প্ৰশ্ন উঠে- এখন দেশে আন এখন দেশৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ যিমান বৃহৎ পৰিমাণৰ ধন-সম্পদ ব্যয় কৰে, তাৰ এটা অংশ যদি কেঞ্চাৰৰ গৱেষণা, প্ৰতিৰোধ, আগতীয়া চিনাক্তকৰণ আৰু উন্নত চিকিৎসা ব্যৱস্থাৰ বাবে ব্যয় কৰা হয়, তেন্তে মানৱ জাতি কিমান উপকৃত হ'ব পাৰে? কেঞ্চাৰৰ বিৰুদ্ধে বিজ্ঞান আৰু চিকিৎসা বিজ্ঞানত ইতিমধ্যে বহু অগ্ৰগতি হৈছে। কিছুমান বিশেষ ধৰণৰ কেঞ্চাৰৰ ক্ষেত্ৰত ভেকচিনে প্ৰতিৰোধত সহায় কৰে। কিন্তু সকলো ধৰণৰ কেঞ্চাৰৰ বাবে এটা মাত্ৰ ভেকচিনে সম্পূৰ্ণ সমাধান দিব পৰা অৱস্থা এতিয়াও অহা নাই। সেয়ে অধিক গৱেষণা আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰয়োজন আছে। বিশ্বৰ বিভিন্ন দেশৰ বিজ্ঞানী, চিকিৎসক আৰু গৱেষকসকলে যদি নিজৰ জ্ঞান, প্ৰযুক্তি আৰু সম্পদ একত্ৰিত কৰি কেঞ্চাৰৰ বিৰুদ্ধে বৃহৎ পৰিসৰত গৱেষণা আগবঢ়ায়, তেন্তে নতুন চিকিৎসা পদ্ধতি, অধিক ফলপ্ৰসূ ঔষধ আৰু প্ৰতিৰোধমূলক ব্যৱস্থা উদ্ভাৱনৰ পথ অধিক মুকলি হ'ব পাৰে। যুদ্ধত জয়ী হোৱা মানে এখন দেশে আন এখন দেশক পৰাস্ত কৰা। কিন্তু কেঞ্চাৰৰ বিৰুদ্ধে জয়ী হোৱা মানে কোনো দেশৰ পৰাজয় নহয়- ই হ'ব সমগ্ৰ মানৱ জাতিৰ জয়। এজন ৰোগীক সুস্থ কৰি পৰিয়াললৈ ঘূৰাই পঠিয়াব পৰাটো হ'ব এক বৃহৎ মানৱীয় সফলতা। সেয়ে এতিয়া সময় আহিছে যুঁজৰ সংজ্ঞা সলনি কৰাৰ। দেশৰ সীমা, ৰাজনীতি, মতাদৰ্শ আৰু স্বাৰ্থৰ ঊৰ্ধ্বলৈ গৈ মানৱতাৰ স্বাৰ্থত সকলো দেশ একত্ৰিত হোৱাৰ প্ৰয়োজন আছে। আমি যুঁজিব লাগিব- কিন্তু ক'ত? এখন দেশৰ বিৰুদ্ধে আন এখন দেশ নহয়। মানুহৰ বিৰুদ্ধে মানুহ নহয়। আমাৰ যুঁজ হওক ৰোগৰ বিৰুদ্ধে, কেঞ্চাৰৰ বিৰুদ্ধে আৰু অকাল মৃত্যুৰ বিৰুদ্ধে। বোমা-বাৰুদে ধ্বংস আনিব পাৰে, কিন্তু বিজ্ঞান, চিকিৎসা আৰু মানৱতাই জীৱন ৰক্ষা কৰিব পাৰে। সেয়ে বিশ্বৰ সকলো দেশৰ প্ৰতি এক মানৱীয় আহ্বান- যুদ্ধৰ বাবে যিমান ঐক্য আৰু শক্তি দেখুওৱা হয়, তাৰ সমানেই যদি কেঞ্চাৰৰ গৱেষণা আৰু চিকিৎসাৰ বাবে দেখুওৱা হয়, তেন্তে হয়তো এদিন কেঞ্চাৰৰ বিৰুদ্ধে মানৱ জাতিয়ে এক ঐতিহাসিক জয় লাভ কৰিব।

## ডিব্ৰুগড়ত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ৭ দফীয়া দাবীৰে মুখ্যমন্ত্ৰীলৈ উপায়ুক্তৰ জৰিয়তে স্মাৰক

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়,** ডিব্ৰুগড়ত সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সিদ্ধান্ত মৰ্মে আজি ডিব্ৰুগড় জিলা সমিতিয়ে কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ৰুবুল আলী, জিলাৰ সভাপতি ৰহিমুল হুছেইন, জিলাৰ সাধাৰণ সম্পাদক ইয়াকুব আলীৰ (ৰিকি)আদিৰ নেতৃত্বত দহ জনীয়া এটি সঁজাতি দলে পৰিষদৰ সাত দফীয়া দাবী সম্বলিত এখন স্মাৰক পত্ৰ ডিব্ৰুগড় জিলা উপায়ুক্তৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে। স্মাৰক পত্ৰত উল্লেখ কৰা মতে অসম চৰকাৰে যি ভূমি নীতি নিৰ্ধাৰণ কৰিছে সেই ভূমি নীতিক সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদে আদৰণি জনাইছে। এই ভূমি নীতিয়ে যি দৰে অসমৰ খিলঞ্জীয়া জনগোষ্ঠীয় লোকে মৰ্যাদা পাব লাগে, ঠিক তেনেদৰে একেই মৰ্যাদা সদৌ অসম গৰিয়া মৰিয়া দেশী জনগোষ্ঠী সকলকো সমমৰ্যাদা দিবৰ বাবে চৰকাৰক দাবী জনোৱা হয়।

# স্বপ্ৰতিভাৰে ৰাষ্ট্ৰীয় নৃত্য প্ৰতিযোগিতাৰ গ্ৰেণ্ড ফিনালেলৈ নিৰ্বাচিত ভেৰগাঁৱৰ কণমানি শিল্পী কাইৰা

## বৰ্মনক বৰ্মন কছাৰী ছাত্ৰসন্থাৰ অভিনন্দন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৭ আগষ্ট ঃ** এজনী ছবছৰীয়া কণমানি, নাম কাইৰা বৰ্মন। ওদালগুৰি জিলাৰ ভেৰগাঁৱৰ সমীপৰ শিঙিমাৰী গাঁৱৰ এই শিশুশিল্পী কাইৰাই স্বপ্ৰতিভাৰ বলত নৃত্যৰ ক্ষেত্ৰখনত উজলি উঠিছে। কাইৰাই ৰেগাই ইভেণ্টছ এণ্ড প্ৰডাকচনে গুৱাহাটীৰ জ্যোতি চিত্ৰবনত আয়োজন কৰা ৰেগাই মেগা মডেল -২০২৬শীৰ্ষক উত্তৰ পূৰ্বাঞ্চলভিত্তিক চীজন -৮ নৃত্য প্ৰতিযোগিতাত সৰ্বশ্ৰেষ্ঠ স্থান দখল কৰিছে। তেওঁ এই সুবাদত মুম্বাইত ডিচেম্বৰত হ'বলগীয়া উক্ত অনুষ্ঠানৰ এলিট মুম্বাই-২০২৬ শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ নৃত্যৰ গ্ৰেণ্ড ফিনালেত পোনপতীয়াকৈ অংশগ্ৰহণৰ বাবে নিৰ্বাচিত হৈছে। কালি জ্যোতি চিত্ৰবনত অনুষ্ঠিত নৃত্য প্ৰতিযোগিতাখনত নিজৰ নৃত্যশৈলী প্ৰদৰ্শনেৰে বিচাৰকৰ মন মুহি ৰাষ্ট্ৰীয় পৰ্যায়ৰ গ্ৰেণ্ড ফিনালেত অংশগ্ৰহণ বাবে নিৰ্বাচিত হোৱা কাইৰাৰ সফলতাই গাঁওখনত আনন্দৰ জোৱাৰ তুলিছে। পিতৃ নিৰ্মল বৰ্মন, মাতৃ মাইনা বড়োসহ পৰিয়ালটোৰ সদস্যসকলৰ উপৰি গাঁওবাসীয়ে কাইৰাৰ এই সাফল্যত আনন্দ প্ৰকাশ কৰিছে। ইপিনে কাইৰাক উৎসাহ যোগাবলৈ সদৌ বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ খৈৰাবাৰী আঞ্চলিকৰ বিষয়ববীয়াসকল তেওঁৰ গৃহত উপস্থিত হৈ শিশু নৃত্যশিল্পী গৰাকীক এখন স্বজাতীয় গামোচাৰে অভিনন্দন জনায়। সৰ্বদিশত পিচপৰা বৰ্মন কছাৰী জনগোষ্ঠীৰ পৰা প্ৰথম বাৰৰ বাবে এজনী কণমানিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাৰ বাবে বাছনি হোৱা বিষয়টো জাতিটোৰ বাবে গৌৰৱৰ কথা বুলি উল্লেখ কৰি নৃত্যৰ ক্ষেত্ৰখনত আগুৱাই যোৱাৰ বাবে কাইৰাক সহায়- সহযোগ আগবঢ়াই যাব বুলি ছাত্ৰ সংগঠনটোৰ নেতৃবৃন্দই আশ্বাস দিয়ে। তেওঁলোকে আসন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিযোগিতাখনত বিজয়ী হোৱাৰ বাবে কাইৰাক সমৰ্থন জনাবলৈ ৰাজ্যবাসীক আহ্বান জনায়। উল্লেখ্য যে নৃত্যৰ ক্ষেত্ৰখনত শিশু শিল্পী গৰাকীক প্ৰতিষ্ঠা কৰাবলৈ নিৰালস্য প্ৰয়াস অব্যাহত ৰখা কাইৰাৰ নৃত্য প্ৰশিক্ষক বি কে দৈমাৰীক বৰ্মন কছাৰী ছাত্ৰ সন্থাৰ লগতে কাইৰাৰ মাতৃয়ে সম্বৰ্ধনা জনোৱাৰ লগতে এই ক্ষেত্ৰত তেওঁ লোৱা ভূমিকাৰ শলাগ হয়।

### মেকেনজি পথত সন্দেহজনকভাৱে ৯টা গৰুসহ পিকাপ বাহন জব্দ ৰাইজৰ

# টংলাত গৰু চোৰৰ আতংক; বিলাসী বাহনেৰে চুৰি কৰিলে তিনিটা গৰু

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ২৫ আগষ্ট ঃ** ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিলাসী বাহনেৰে গৰু চুৰিৰ ঘটনাৰ ধাৰাবাহিক ভাবে চলি অহাৰ খবৰে সৰ্বসাধাৰণ ৰাইজক হতাশ কৰি অহাৰ সময়তে যোৱা নিশা টংলা চহৰৰ নিকটৱৰ্তী বৰজলাহ গাঁৱৰ মিলনপুৰৰ পৰা এখন বিলাসী বাহনেৰে দুটা পৰিয়ালৰ তিনিটা গৰু চুৰি কৰি নিয়ে। চি চি টিভিৰ ফুতেছত ধৰা পৰা অনুসৰি এ এছ ১৫ এল ২০৭৮ পঞ্জীয়ন নম্বৰৰ নীলা ৰঙৰ বেলেনো বিলাসী বাহনত এটা পৰিয়ালৰ দুটা গৰু আৰু আনটো পৰিয়ালৰ এটা মুঠ তিনিটা গৰু চুৰি কৰি নিয়ে। আনহাতে আজি পুৱা টংলাৰ সমীপৰ মেকেনজি পথৰ কাউলিভঙা আৰু বগৰীবাৰীৰ মাজত এ এছ ১৩ এ চি ৪৯৯৯ পঞ্জীয়ন নম্বৰৰ এখন বলেৰো পিকাপ বহানত কঢ়িয়াই অনা ৯টা গৰু কেইজনমান স্থানীয় ছাত্ৰ সন্থাৰ কৰ্মীয়ে দেখি সন্দেহ উপজাত স্থানীয় ৰাইজৰ সৈতে মিলি উক্ত গৰু কঢ়িয়াই অনা বাহনখন ৰখাই টংলা আৰক্ষীক খবৰ দিয়ে। আৰক্ষী উপস্থিত হৈ গৰুসহ বাহনখন টংলালৈ লৈ আনে। জানিব পৰা মতে এই ৯ টাকৈ উন্নত জাতৰ গৰু কঢ়িয়াই অনা বাহনখনক ইতিধ্যেই পানেৰীৰ পৰাই সন্দেহ হোৱাত কিছু সংখ্যক লোকে অনুসৰণ কৰি আহি আছিল। আৰক্ষীয়ে গৰু সৰবৰাহৰ লগত দুজনলোকক আৰক্ষীয়ে আটক কৰি তদন্ত অব্যাহত ৰাখিছে। বৃহত্তৰ টংলা অঞ্চলৰ গৰু পালন কৰা প্ৰতিঘৰ মানুহে এতিয়া বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। নিশা হ'লেই গৰু চোৰৰ আতংকত ভোগা ৰাইজে আৰক্ষীক এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

# ২৯ আগষ্টত কংগ্ৰেছৰ ৰাজ্যজুৰি পদযাত্ৰা

কাজিৰঙাৰ বন্যপ্ৰাণী, জৈৱ-বৈচিত্ৰ্য আৰু স্পৰ্শকাতৰ পৰিৱেশতন্ত্ৰৰ প্ৰতি এই সিদ্ধান্তই চৰম ভাবুকি কঢ়িয়াই আনিছে বুলি উদ্বেগ প্ৰকাশ কৰি দলটোৱে প্ৰতিখন জিলাতে প্ৰতিবাদী পদযাত্ৰা আয়োজন কৰিব। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি গৌৰৱ গগৈৰ প্ৰত্যক্ষ নিৰ্দেশত এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। প্ৰদেশ কংগ্ৰেছৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰামান্না বৰুৱাই আনুষ্ঠানিক নিৰ্দেশনাযোগে ৰাজ্যৰ সকলো জিলা কংগ্ৰেছ সভাপতিক নিজ নিজ জিলাত পদযাত্ৰাৰ আয়োজন কৰিবলৈ আহ্বান জনায়। দলীয় নেতৃত্বৰ মতে, চৰকাৰৰ এই সিদ্ধান্ত পৰিৱেশ বিৰোধী আৰু ইয়াৰ বিৰুদ্ধে এখন শক্তিশালী জনমত গঢ়ি তুলিবলৈ সকলো নেতা-কৰ্মীক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও কংগ্ৰেছ দলে গৌৰৱ গগৈৰ নেতৃত্বত কাজিৰঙাত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল। কিন্তু তাৰ পাছতে ৰাজ্যত গগৈৰ বিৰুদ্ধেও প্ৰতিবাদ আৰম্ভ হয়, কাৰণ একাংশই চৰকাৰৰ সিদ্ধান্তক আদৰণি জনাই এই সিদ্ধান্তই অঞ্চলটোৰ স্থানীয় ৰাইজক লাভান্বিত কৰিব বুলি দাবী কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই সিদ্ধান্তৰ সপক্ষে স্পষ্ট মত প্ৰকাশ কৰি কয় যে পৰিৱেশ সংবেদনশীল এলেকাৰ পৰিধি ৰঞ্জ কিলোমিটাৰলৈ হ্ৰাস নকৰিলে তাত বসবাস কৰা মানুহৰ আৰ্থিক জীৱন প্ৰভাৱান্বিত হ'ব। তেওঁ এটা সংবাদমেলত প্ৰশ্ন উত্থাপন কৰে, "যদি পৰিৱেশ সংবেদনশীল অঞ্চলটো বোকাখাত বা কলিয়াবৰলৈকে হয়, তেন্তে জনসাধাৰণ কেনেকৈ জীয়াই থাকিব?" মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, "স্থানীয় লোকসকলে জীয়াই থাকিবলৈ ব্যৱসায় চলাব লাগিব। কাজিৰঙাৰ আশে-পাশে ১০ কিলোমিটাৰলৈ পৰিৱেশ সংবেদনশীল এলেকা হ'লে নুমলীগড় শোধনাগাৰটোও বন্ধ কৰিব লাগিব।" তেওঁ স্পষ্টভাৱে কৈছে যে এনে অধিসূচনাৰ বিৰুদ্ধে স্থানীয় ৰাইজে নিজেই উচ্চতম ন্যায়ালয়ত গোচৰ দাখিল কৰিছে। মুখ্যমন্ত্ৰীৰ মতে, কাজিৰঙাৰ পৰিৱেশ সংবেদনশীল এলেকাক ৰাজনৈতিক মুনাফা আদায়ৰ অপপ্ৰয়াসেৰে অসম কংগ্ৰেছৰ সভাপতিকে ধৰি এচাম লোকে বিষয়টোৰ মূল ভিত্তিক অতি কৌশলৰে অন্য ৰূপ প্ৰদান কৰি ৰাইজক বিভ্ৰান্ত কৰাৰ চেষ্টা কেতিয়াও গ্ৰহণযোগ্য নহয়। ২৯ আগষ্টৰ কংগ্ৰেছৰ প্ৰতিবাদী কাৰ্যসূচী আগতে ৰাজ্যৰ ৰাজনৈতিক মহলত ইতিমধ্যেই তীব্ৰ আলোড়ন সৃষ্টি কৰিছে, আৰু অহা দিনবোৰত এই সিদ্ধান্তক লৈ আৰু বিতৰ্ক হোৱাৰ সম্ভাৱনা আছে।

# ডিফু, হাফলং, উমৰাংছ'ক পৰ্যটনস্থলী

প্ৰধানমন্ত্ৰীৰ সৈতে বিস্তৃতভাৱে আলোচনা কৰে। তেওঁ স্পষ্টকৈ কয় যে এই শতবাৰ্ষিকী অনুষ্ঠান অসমৰ সাংস্কৃতিক গৌৰৱৰ বাবে এক মাইলৰ খুঁটি হিচাপে গণ্য হ'ব। বানপানী সম্পৰ্কে মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয় যে তেওঁ কেন্দ্ৰীয় গৃহমন্ত্ৰীক সাক্ষাৎ কৰি বানপীড়িত প্ৰায় ৮০ হাজাৰ লোকক পুনৰ্বাসন আৰু সাহায্য প্ৰদানৰ বাবে ১০০০ কোটি টকাৰ জৰুৰীকালীন আৰ্থিক সহায় বিচাৰি কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনা চলাইছে। তেওঁ উল্লেখ কৰে যে অসম চৰকাৰে বিভিন্ন বিত্ত বিভাগৰ বিষয়সমূহ লৈ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনকো সাক্ষাৎ কৰিছে আৰু ৰাজ্যৰ বিত্তীয় প্ৰয়োজনীয়তা সন্দৰ্ভত গুৰুত্বপূৰ্ণ মত বিনিময় কৰা হৈছে। ইফালে কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিঙৰ সৈতে হোৱা বৈঠক প্ৰসঙ্গত মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে বৈঠকৰ অন্তত কেন্দ্ৰীয় চৰকাৰে অসমৰ চাহ বাগিচাৰ শ্ৰমিকসকলক ২ লাখ অতিৰিক্ত ঘৰ প্ৰদান কৰাৰ আশ্বাস দিছে। তদুপৰি অসমৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহ আৰু কাজিৰঙা এলিভেটেড কৰিড'ৰৰ উন্নয়ন সম্পৰ্কে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰিৰ সৈতে গভীৰ আলোচনা কৰা হয় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত জানায়। শ্বিলঙত সংঘটিত হিংসাত্মক ঘটনা সম্পৰ্কে মুখ্যমন্ত্ৰী শৰ্মাই নিজৰ মন্তব্য আগবঢ়ায়। তেওঁ কয়, "মেঘালয়ত একাংশ লোক আছে যিসকলে অসমৰ পৰা যোৱা মেঘালয়ৰ পৰ্যটকসকলক ভাল নাপায়। কিন্তু একাংশ লোকেহে বেয়া পায়, বহুতো মানুহে অসমৰ লোকসকলক ভাল পায়।" তেওঁ লগতে কয় যে অসমে পৰ্যটনৰ ক্ষেত্ৰত ডিফু, হাফলং আদি স্থানসমূহ আগুৱাই নিব লাগিব আৰু মাজুলী আৰু উমৰাংছুত বিমানবন্দৰ নিৰ্মাণৰ প্ৰকল্পো লৈছো। সংবাদমেলতে মুখ্যমন্ত্ৰীগৰাকীয়ে স্পষ্টকৈ কয় যে তেওঁৰ চৰকাৰৰ কাৰ্যকালত মাজুলী আৰু উমৰাংছুত বিমানবন্দৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সম্পৰ্কে তেওঁ কয়, "কাজিৰঙাত এতিয়া ইকো-চেন্সিটিভ জ'ন (ইএছজেড) নাই। কিছু লোক বিষয়টোৰ বিষয়ে নজনাকৈ পৰিৱেশ বেয়া কৰিছে। কাজিৰঙা কংগ্ৰেছে শেষ কৰি পেলালে। গৌৰৱ গগৈৰ পিতৃ আৰু পাঁচ বছৰ মুখ্যমন্ত্ৰী হৈ থকা হ'লে কাজিৰঙাত গঁড়েই নাথাকিলে হয়।" এই মন্তব্যই ৰাজনৈতিক মহলত ইতিমধ্যে চৰ্চা সৃষ্টি কৰিছে। বীৰ লাচিত সেনাৰ নেতা মানস জ্যোতি চেতিয়াৰ মৃত্যুৰ ঘটনা প্ৰসঙ্গত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ইয়াৰো নিৰপেক্ষ তদন্ত কৰা হ'ব আৰু সঠিক পৰিস্থিতি পোহৰলৈ আনিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ইপিনে বিধায়ক অখিল গগৈক তীব্ৰ সমালোচনা কৰি তেওঁ কয়, "অখিল গগৈৰ প্ৰতিবাদ তেওঁৰ ভিটামিন। ৰাতি তেওঁৰ ভিডিঅ'বোৰ চাব লাগে মনটো ভাল লাগে।" লগতে তেওঁ ঘোষণা কৰে যে নগাঁও লোকসভা সমষ্টিত দল হিচাপে নিৰ্বাচন খেলিব আৰু তাত জয়ী হ'বলৈ প্ৰয়োজনীয় প্ৰস্তুতি চলাই আছে। এই সংবাদমেলত মুখ্যমন্ত্ৰী শৰ্মাৰ মন্তব্যবোৰ অসম ৰাজনীতি আৰু উন্নয়নৰ বাবে অত্যন্ত তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে।

# যুৱ সমাজকে শক্তি হিচাপে স্বীকৃতি

পোনপটীয়াকৈ মত-বিনিময় কৰিব। মাই ভাৰত (এম ওয়াই ভাৰত)ৰ দ্বাৰা আয়োজিত এই মত-বিনিময় অনুষ্ঠানটো পুৱা ১১ বজাত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে অনুষ্ঠিত হ'ব। ইয়াত দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতিখন জিলাৰ দুখনকৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে সংযোগ স্থাপন কৰাৰ আশা কৰা হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে চৰকাৰে যুৱ ভাৰতীয়সকলৰ সৈতে সম্পৰ্ক গভীৰ কৰাৰ লগতে ক্ৰীড়া, শাৰীৰিক সক্ষমতা আৰু ৰাষ্ট্ৰ নিৰ্মাণত তেওঁলোকৰ অংশগ্ৰহণক উৎসাহিত কৰাৰ প্ৰয়াস চলাইছে। চৰকাৰী বিষয়াসকলৰ মতে, এই পদক্ষেপৰ মূল উদ্দেশ্য হৈছে এনে এখন প্ৰত্যক্ষ মঞ্চ তৈয়াৰ কৰা, য'ত ছাত্ৰ-ছাত্ৰীসকলে দেশৰ ক্ৰীড়া আৰু যুৱ উন্নয়নৰ ভৱিষ্যত সম্পৰ্কে নিজৰ ধাৰণা আৰু পৰামৰ্শসমূহ মুকলিকৈ ভাগ-বতৰা কৰিব পাৰে। এই অনুষ্ঠানটোৰ অন্যতম মুখ্য অধ্যায় হ'ব 'যুৱ সংবাদ'। অংশগ্ৰহণকাৰীসকলে এই অংশত ক্ৰীড়া আন্তঃগাঁথনি আৰু প্ৰশিক্ষণ সুবিধাৰ পৰা আৰম্ভ কৰি নেতৃত্ব, স্বেচ্ছাসেৱী কাৰ্যকলাপ আৰু সামাজিক দায়িত্ববোধৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰিব। বিষয়াসকলৰ মতে, আলোচনাসমূহ মুখ্যতঃ ক্ৰীড়াৰ সুবিধাসমূহৰ প্ৰসাৰ, প্ৰশিক্ষণ আৰু ক্ৰীড়া বিজ্ঞানৰ সহায়ক ব্যৱস্থাসমূহ শক্তিশালী কৰা, দীৰ্ঘম্যাদী খেলুৱৈৰ বিকাশৰ বাবে প্ৰতিভা চিনাক্তকৰণ, আৰু ২০৩৬ চনৰ অলিম্পিক গেমছকে ধৰি ভৱিষ্যতৰ অলিম্পিকৰ বাবে ভাৰতক প্ৰস্তুত কৰি তোলাৰ দিশত কেন্দ্ৰিত হ'ব। যুৱ নেতৃত্বৰ বিষয়টোৱেও এই অনুষ্ঠানত বিশেষ স্থান লাভ কৰিব বুলি আশা কৰা হৈছে। স্বেচ্ছাসেৱী কাৰ্যসূচী, প্ৰশাসনীয় মঞ্চ আৰু ভাৰতৰ উন্নয়ন যাত্ৰাত যুৱ নাগৰিকৰ ভূমিকা সম্পৰ্কে ইয়াত বিশদভাৱে আলোচনা কৰা হ'ব। লগতে এই কাৰ্যসূচীয়ে ড্ৰাগছ বা নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰৰ বিৰুদ্ধে যুঁজ দিয়াতো বিশেষ গুৰুত্ব আৰোপ কৰিব। চৰকাৰৰ ড্ৰাগছ বিৰোধী সজাগতা প্ৰচেষ্টাক শক্তিশালী কৰিবলৈ আৰু যুৱপ্ৰজন্মৰ মাজত 'নিচামুক্ত যুৱ' অভিযান সম্প্ৰসাৰিত কৰিবলৈ ক্ৰীড়া আৰু সম্প্ৰদায়ৰ অংশগ্ৰহণ কেনেদৰে কামত লগাব পাৰি, সেই বিষয়েও অংশগ্ৰহণকাৰীসকলে আলোচনা চলাব। এই সামগ্ৰী কাৰ্যসূচীৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে যুৱ সম্প্ৰদায়ক দেশৰ উন্নয়নৰ মূল চালিকা শক্তি হিচাপে গঢ়ি তোলাৰ এক দৃঢ় প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰিছে।

# নেপালৰ ধ্বংসাত্মক বানপানীত

আন্তঃগাঁথনিবোৰৰ ব্যাপক ক্ষতিসাধন কৰে। আটাইতকৈ দুখৰ বিষয় যে প্ৰায় ৩৮৪জন তীৰ্থযাত্ৰী এই দুৰ্যোগত সন্ধানহীন হৈ পৰিছে, যিসকল পৱিত্ৰ কৈলাস-মানসৰোবৰ দৰ্শনৰ বাবে যাত্ৰা কৰিছিল। নেপাল পৰ্যটন ব'ৰ্ড আৰু সংশ্লিষ্ট ট্ৰেভেল এজেন্সীসমূহৰ প্ৰাথমিক তথ্য অনুসৰি, বুধবাৰে ৰাছুৱাগাড়ী চেকপইন্টেদি সীমান্ত অতিক্ৰম কৰিবলগীয়া ২৯১জন বিদেশী নাগৰিক আৰু ৯৩জন নেপালী নাগৰিকৰে গঠিত ৩৮৪ জনীয়া তীৰ্থযাত্ৰী দলটোৰ লগত যোগাযোগ সম্পূৰ্ণৰূপে বিচ্ছিন্ন হৈ পৰিছে। বাতৰি পোৱা মতে, এতিয়ালৈকে এই দলটোৰ মাত্ৰ দুজনমান ব্যক্তিৰ সৈতেহে যোগাযোগ স্থাপন কৰিব পৰা গৈছে। নিৰুদ্দেশ হোৱাসকলৰ ভিতৰত কমেও ১০৫জন ভাৰতীয় নাগৰিক আৰু ৩৭জন প্ৰবাসী ভাৰতীয় লোকো আছে বুলি পৰ্যটন ব'ৰ্ডে নিশ্চিত কৰিছে। বিভিন্ন ভ্ৰমণ সংস্থাৰ জৰিয়তে আয়োজিত এই তীৰ্থযাত্ৰাত যোৱাসকলৰ বৰ্তমান অৱস্থা সম্পৰ্কে কোনো নিশ্চিত তথ্য নোপোৱালৈকে উদ্ধাৰকাৰী দলসমূহৰ মাজত উদ্বেগ-উৎকণ্ঠা বাঢ়ি আহিছে। ইফালে পৰ্যটন আৰু ভ্ৰমণ কোম্পানীসমূহৰ পৰা সংগ্ৰহ কৰা তথ্য সমূহ পৰীক্ষা-নিৰীক্ষা কৰি সত্যাসত্য নিৰ্ণয় কৰাৰ কাম চলি আছে। নেপাল পৰ্যটন নিগম, পৰ্যটন আৰক্ষী আৰু স্থানীয় অংশীদাৰসকলে ক্ষতিগ্ৰস্ত অঞ্চলত থকা পৰ্যটক আৰু তীৰ্থযাত্ৰীসকলৰ সুৰক্ষা আৰু অৱস্থান সম্পৰ্কে তথ্য সংগ্ৰহত ব্যস্ত হৈ পৰিছে। ব'ৰ্ডে জনোৱা মতে, ট্ৰেভেল এজেন্সী, গাইড, স্থানীয় কৰ্তৃপক্ষ আৰু নিৰাপত্তা সংস্থাৰ সমন্বয়ত উদ্ধৃত তথ্যসমূহৰ সত্যাসত্য নিৰূপণৰ কাম একাধাৰে চলাই থকা হৈছে আৰু নিৰাপত্তা বাহিনীৰ সৈতে সমন্বয় কৰি অতি সোনকালে উদ্ধাৰ অভিযান ত্বৰান্বিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। উদ্ধাৰ আৰু অনুসন্ধান অভিযানত নেপাল আৰক্ষী, সশস্ত্ৰ আৰক্ষী বাহিনী আৰু নেপালী সেনাই যুটীয়াভাৱে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। ইতিমধ্যে দুৰ্গম অঞ্চলসমূহত বিচাৰ অভিযান চলাবলৈ ১৪খন হেলিকপ্টাৰ মোতায়েন কৰা হৈছে। তথাপি নেপাল-চীন সীমান্তৰ সমীপৱৰ্তী টাইমুৰেত থকা সশস্ত্ৰ আৰক্ষী বাহিনীৰ ৯জন জোৱানো বানপানীৰ বলি হৈ সন্ধানহীন হৈ আছে, যাৰ ফলত অভিযানকাৰীসকল অধিক সতৰ্ক আৰু সজাগ হৈ পৰিছে। আনহাতে স্থানীয় বজাৰ অঞ্চল আৰু নিৰাপত্তা চকীসমূহতো ব্যাপক ধ্বংসযজ্ঞ সংঘটিত হৈছে। ত্ৰিশূলী নদীৰ পাৰৱৰ্তী অঞ্চলৰ বাসিন্দাসকলক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিবলৈ কৰ্তৃপক্ষই সতৰ্কবাণী জাৰি কৰিছে। ড্ৰ'ণ ফুটেজত ধ্বংসলীলাৰ ভয়াবহতা স্পষ্টকৈ ফুটি ওলাইছে, কাৰণ বানপানীৰ সোঁতত সংযোগী পথসমূহ উটুৱাই নিয়াৰ বাবে দুৰ্যোগপীড়িত মূল অঞ্চলবোৰ সম্পূৰ্ণৰূপে দুৰ্গম হৈ পৰিছে। ফলত গধুৰ উদ্ধাৰ সামগ্ৰী আৰু ত্ৰাণ সামগ্ৰী পঠিওৱাত যথেষ্ট জটিলতাৰ সৃষ্টি হৈছে। অৱশ্যে নদীসমূহৰ পানী পৰ্যায় ধীৰে ধীৰে নামি অহাৰ বাবে পৰিস্থিতি কিছু সন্তোষজনক হ'ব পাৰে বুলি বিষয়াসকলে আশা প্ৰকাশ কৰিছে। এই প্ৰলয়ংকৰী বানপানীৰ সঠিক কাৰণ সম্পৰ্কে নেপাল চৰকাৰে এতিয়ালৈকে আনুষ্ঠানিকভাৱে একো নিশ্চিত কৰা নাই। অৱস্থাৰ গুৰুত্ব অনুধাৱন কৰি নেপালৰ প্ৰধানমন্ত্ৰীয়ে বানপানীৰ লগতে চৰকাৰী প্ৰতিকাৰ সন্দৰ্ভত আলোচনা কৰিবলৈ জৰুৰীভিত্তিতে এখন উচ্চস্তৰীয় বৈঠক আহ্বান কৰে। উদ্ধাৰ আৰু ত্ৰাণ কাৰ্য অব্যাহত থকাৰ সময়তে নেপাল চৰকাৰে পৰিস্থিতি নিয়ন্ত্ৰণত আনিবলৈ আৰু নিৰুদ্দেশসকলৰ সন্ধানত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সমন্বয় গঢ়িবলৈ সৰ্বোচ্চ চেষ্টা চলাই আছে।

# অখ্যাত নগা সংগঠনৰ ২ নং

চলি থকাৰ সময়তে নগা আৰু অসমীয়া লোকৰ মাজত বাক-বিতণ্ডাৰ সূত্ৰপাত ঘটে, যাৰ ফলত পৰিস্থিতি অধিক জটিল আৰু উত্তেজনাপূৰ্ণ হৈ পৰে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষী, বন বিভাগ আৰু জিলা প্ৰশাসনৰ উচ্চপদস্থ বিষয়াসকলে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ চেষ্টা চলায়। বিষয়াসকলে উভয়পক্ষক শান্ত হৈ থাকিবলৈ আহ্বান জনায় আৰু আইনীভাৱে দোষীৰ বিচাৰ কৰোৱাৰ আশ্বাস দিয়ে। তথাপি ঘটনাক কেন্দ্ৰ কৰি সমগ্ৰ মেৰাপানী সীমান্ত অঞ্চলত এতিয়াও চেপা উত্তেজনা অব্যাহত আছে। প্ৰশাসনে পৰিস্থিতি স্বাভাৱিক কৰিবলৈ অতিৰিক্ত আৰক্ষী মোতায়েন কৰিছে আৰু অঞ্চলটোত নিয়মীয়া অভিযান চলাইছে।

# ৰঙাপৰা ৰে'ল জংচনত বৃহৎ তেল

অভিযান চলাই চোৰাং তেলৰ ঘাটি উৎখাত কৰিছে যদিও বৰ্তমানও সক্ৰিয় হৈ আছে চোৰাং তেল চুৰি চক্ৰ। ইয়াৰ মাজতে শোণিতপুৰ জিলাৰ ৰঙাপৰা ৰে'ল জংচনত বিগত প্ৰায় ৭-৮ বছৰ ধৰি অবাধে চলি থকা এক বৃহৎ তেল চুৰি চক্ৰ ভাৰতীয় সেনাৰ চোৰাংচোৱা শাখাৰ তৎপৰতাত উৎখাত হয়। ভাৰতীয় সেনাৰ মিছামাৰী ৰেজিমেণ্টৰ চোৰাংচোৱা দলে গোপন সূত্ৰৰ পম খেদি বুধবাৰে পুৱা প্ৰায় ৫ বজাত ৰঙাপৰা ৰে'ল ষ্টেচনত হঠাৎ অভিযান চলায়। এই অভিযানত AS-12-CC-4188 নম্বৰৰ এখন বলেৰ' পিক-আপ ভানৰ পৰা প্ৰায় ৭৪ ড্ৰাম চুৰি ডিজেল জব্দ কৰে। জব্দকৃত তেল আৰু অন্যান্য সামগ্ৰীখিনি মিছামাৰী চোৰাংচোৱা বিভাগে পৰৱৰ্তী আইনী কাৰ্যপন্থাৰ বাবে ৰে'ল আৰক্ষীক হস্তান্তৰ কৰে। ঘটনাৰ তদন্তত পোহৰলৈ আহে যে ৰে'ল বিভাগৰ ডিপ'ৰ দায়িত্বত থকা বিভুৱন বিজয় ৰাভা আৰু ৰঙাপৰা ৰে'ল বিভাগৰ একাংশ কৰ্মচাৰী এই অবৈধ ব্যৱসায়ৰ সৈতে মূলভাৱে জড়িত। অসমৰ চোৰাং তেল বেপাৰীসকলৰ মাজত 'গেং অৱ ফাইভ' নামেৰে পৰিচিত মনচুৰ হুছেইনে ৰে'ল কৰ্মচাৰীসকলৰ পৰা এই চুৰি ডিজেল ক্ৰয় কৰি আহিছিল। অভিযানৰ পাছতেই ৰে'ল আৰক্ষীয়ে ঘটনা সংক্ৰান্তত ৯জন লোকক গ্ৰেপ্তাৰ কৰে আৰু মূল অভিযুক্ত বিভুৱন বিজয় ৰাভাক জেৰা চলাই আছে। উল্লেখনীয় যে তেল চুৰিৰ সময়ত ডিপ'ৰ চিচিটিভি কেমেৰাসমূহ বন্ধ ৰাখিছিল বুলি ৰাভাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ পোহৰলৈ আহিছে। অভিযান আৰু প্ৰাথমিক তথ্য বিশ্লেষণত দেখা গৈছে যে এই ক'লা ব্যৱসায় বিগত কেইবাবছৰ ধৰি সপ্তাহত তিনিদিনকৈ চলি আছিল। ৰে'ল বিভাগৰ ডিপ'ৰ পৰা মাহে প্ৰায় ৬০০০ লিটাৰ ডিজেল আৰু সপ্তাহত প্ৰায় ১২, ০০০ৰ পৰা ১৪, ০০০ লিটাৰ পৰ্যন্ত ডিজেল চোৰাং বজাৰত বিক্ৰী কৰি অহা হৈছিল। এই বিপুল পৰিমাণৰ তেল চুৰিয়ে ৰে'ল বিভাগক আৰ্থিকভাৱে যথেষ্ট ক্ষতিগ্ৰস্ত কৰি আহিছে বুলি জানিব পৰা গৈছে। বৰ্তমান ৰে'ল বিভাগৰ ৰঙিয়া ডিভিজনৰ এটা উচ্চস্তৰীয় দলে ঘটনাটোৰ বিস্তৃত তদন্ত অব্যাহত ৰাখিছে। দীৰ্ঘদিন ধৰি চলি থকা এই বৃহৎ অনিয়মৰ বিৰুদ্ধে ৰে'ল বিভাগে কি বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰে, সেয়া এতিয়া লক্ষ্য কৰিবলগীয়া হৈ পৰিছে।

# কাৰ ছত্ৰছায়াত গিবনৰ বুকুত অবৈধ

লগতে গিবন অভয়াৰণ্যৰ সংবেদনশীল পৰিৱেশৰ ওপৰতো বিৰূপ প্ৰভাৱ পৰাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। ইফালে, এই খনন কাৰ্যৰ আঁৰত কোন কোন বালি ব্যৱসায়ী বা ঠিকাদাৰ জড়িত, কাৰ পৃষ্ঠপোষকতাত এই কাৰ্য চলি আছে আৰু কাৰ সাহসত চৰকাৰী নিয়ম-কানুনক উপেক্ষা কৰি বালি খনন অব্যাহত আছে, তাক লৈ প্ৰশ্ন উত্থাপিত হৈছে ৰাইজৰ মাজত। স্থানীয় ৰাইজে সংশ্লিষ্ট বালি ঘাট, খননকাৰী, বালি কঢ়িওৱা বাহন আৰু অনুমোদনকাৰী বিভাগ সম্পূৰ্ণ তদন্তৰ দাবী জনাইছে। আনফালে বন বিভাগৰ ভূমিকাক লৈও প্ৰশ্ন উত্থাপন হৈছে এই সমগ্ৰ ঘটনাক লৈ বন বিভাগৰ ভূমিকাক লৈও তীব্ৰ প্ৰশ্ন উত্থাপিত হৈছে। স্থানীয় মহলৰ অভিযোগ- মৰিয়নিত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ বন বিভাগ যেন কুম্ভকৰ্ণৰ নিদ্ৰাতহু সংবেদনশীল বনাঞ্চলৰ কাষত বালি খনন চলি থকাৰ অভিযোগ উত্থাপিত হোৱাৰ পাছতো সংশ্লিষ্ট বিভাগে কিয় কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা নাই? বিশেষকৈ সংশ্লিষ্ট খণ্ড বন বিষয়া (Beat Officer), বনাঞ্চলিক বিষয়া (Forest Ranger) আৰু সংমণ্ডল বন বিষয়া (DFO)-ৰ দায়িত্ব আৰু তদাৰকীক লৈ প্ৰশ্ন উঠিছে। যদি নিয়মীয়াকৈ এলেকা পৰিদৰ্শন আৰু তদাৰকি কৰা হয়, তেন্তে এনেদৰে খনন কাৰ্য চলি থকাৰ অভিযোগ বিভাগৰ চকুত নপৰাটো কেনেকৈ সম্ভৱ-সেই প্ৰশ্নও উত্থাপন কৰিছে সচেতন মহলে। স্থানীয় ৰাইজে দাবী কৰিছে যে, খননস্থলীৰ EC, TP, মাইনিং অনুমতি, ৰাজহ আদায়ৰ নথি, খনন পৰিমাণ, বালি পৰিবহণ কৰা বাহন আৰু সংশ্লিষ্ট ব্যক্তি-প্ৰতিষ্ঠানৰ ভূমিকা তদন্ত কৰা হওক। তদন্তত কোনো ব্যক্তি বা প্ৰতিষ্ঠান অবৈধ খননৰ সৈতে জড়িত বুলি প্ৰমাণিত হ'লে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে। এতিয়া মূল প্ৰশ্ন-কোন এই বালি ব্যৱসায়ীসকল? কাৰ সাহসত সংবেদনশীল এলেকাত এই খনন চলিছে? বিভাগীয় বিষয়াসকলে কিয় সময়মতে ব্যৱস্থা লোৱা নাই? এই প্ৰশ্নসমূহৰ উত্তৰ বন বিভাগ, মাইনিং বিভাগ আৰু জিলা প্ৰশাসনে ৰাজহুৱাভাৱে দিয়াৰ দাবী উঠিছে।

# নেপালত ভয়ংকৰ বানপানী

আত্মাৰ চিৰশান্তি কামনা কৰে আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে তেওঁ নেপালৰ প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহৰ সৈতে বানপীড়িত অঞ্চলৰ পৰিস্থিতি সন্দৰ্ভত দূৰভাষযোগে বিস্তৃত আলোচনা কৰিছে। বাৰ্তালাপ কালত নেপাল চৰকাৰক প্ৰয়োজনীয় সকলো ধৰণৰ মানৱীয় আৰু আপদকালীন সহায় আগবঢ়াবলৈ ভাৰত সম্পূৰ্ণৰূপে সাজু বুলি মোদীয়ে পুনৰ ব্যক্ত কৰে। তেওঁ কয়, "নেপালৰ এই কঠিন সময়ত ভাৰতৰ জনসাধাৰণে দুৰ্ভগীয়া নেপালী লোকসকলৰ কাষত থিয় হৈ আছে। আমাৰ উদ্ধাৰকাৰী দলসমূহে উদ্ধাৰ আৰু ত্ৰাণ বিতৰণৰ ক্ষেত্ৰত আটাইতকৈ সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব।" প্ৰধানমন্ত্ৰীৰ এই ঘোষণাৰ কিছু সময়ৰ ভিতৰতে ভাৰতে তৎক্ষণাত ত্ৰাণ কাৰ্য আৰম্ভ কৰে। জানিব পৰা মতে, বান সাহায্য সামগ্ৰীৰে ভৰ্তি ভাৰতীয় বায়ুসেনাৰ এখন বিশেষ বিমান নেপাল অভিমুখে যাত্ৰা কৰিছে। ইয়াৰ উপৰিও ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনীৰ (এনডিআৰএফ) এটা সজাগ দল ইতিমধ্যে নেপাললৈ প্ৰেৰণ কৰিছে। এই দলটোৱে ঘটনাস্থলীত উদ্ধাৰকাৰ্য আৰু ত্ৰাণ সামগ্ৰী বিতৰণত নেপালী কৰ্তৃপক্ষক সহায় কৰি আছে। নেপালৰ এই প্ৰাকৃতিক দুৰ্যোগই সীমান্তৰ ৰাজ্য বিহাৰতো সতৰ্কতাৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। বুধবাৰে পুৱা এই বানপানী ঘটা মাত্ৰ বিহাৰৰ বহু জিলাত উচ্চ সতৰ্কতা শ্চহাই এলাৰ্টগ্ন জাৰি কৰা হয়। বিহাৰ চৰকাৰ, দুৰ্যোগ ব্যৱস্থাপনা বিভাগ আৰু জিলা প্ৰশাসনৰ যৌথ উদ্যোগত সীমান্তীয় অঞ্চলবোৰত নজৰ ৰখাৰ লগতে সম্ভাব্য বিপদৰ পৰা ৰক্ষা পাবলৈ প্ৰয়োজনীয় নিৰ্দেশনা প্ৰেৰণ কৰা হৈছে। ইফালে নেপালত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ সুৰক্ষা আৰু তথ্য প্ৰদানৰ বাবে ভাৰতীয় উচ্চায়ুক্তই জৰুৰীকালীন হেল্পলাইন নম্বৰ মুকলি কৰিছে। এক্সযোগে জাৰি কৰা এক বিবৃতিত উচ্চায়ুক্তই কয়, "আজি নেপালত হোৱা আকস্মিক বানপানীৰ ফলত ক্ষতিগ্ৰস্ত ভাৰতীয় নাগৰিকসকলে তলত উল্লিখিত নম্বৰত যোগাযোগ কৰি প্ৰয়োজনীয় সহায় আৰু তথ্য লাভ কৰিব পাৰিব।" হেল্পলাইন নম্বৰকেইটা হ'ল — +977 985 131 6807 আৰু, +977 970 910 7500। নেপাল চৰকাৰৰ বিষয়া সূত্ৰে জনোৱা মতে, বৰ্তমানলৈকে প্ৰায় ৪০০জন লোক নিৰুদ্দেশ হৈ আছে। ইয়াৰে কমেও ৰজ্মপ্তজন লোক ভাৰতীয় নাগৰিক আৰু ৩৭জন প্ৰবাসী ভাৰতীয় বুলি নিশ্চিত কৰা হৈছে। তীৰ্থযাত্ৰাৰ বাবে কৈলাস অভিমুখে যোৱা কেইবাশতাধিক যাত্ৰীও এই বানপানীৰ কবলত পৰি নিৰুদ্দেশ হৈ থকাৰ আশংকা কৰা হৈছে, যাৰ বাবে উদ্ধাৰকাৰ্য জটিল আৰু সময়সাপেক্ষ হৈ পৰিছে। ভাৰত আৰু নেপাল উভয় চৰকাৰে যৌথভাৱে উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে আৰু ক্ষতিগ্ৰস্তসকলৰ পুনৰ্বাসনৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি আছে।

# অসমৰ সাঁচি কাঠ খণ্ডৰ উন্নয়নৰ

সভাখনত অসম চৰকাৰৰ কৃষিমন্ত্ৰী পীযুষ হাজৰিকা, উদ্যোগমন্ত্ৰী বিমল বৰা, বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱা আৰু মুখ্য সচিব ড° ৰবি কোটা প্ৰত্যক্ষভাৱে উপস্থিত থাকে। লগতে বিভিন্ন চৰকাৰী বিভাগৰ জ্যেষ্ঠ পদাধিকাৰী, সাঁচি খেতিয়ক, কৃষক, ব্যৱসায়ী, প্ৰচেছৰ, উদ্যোগ প্ৰতিনিধি আৰু এই খণ্ডটোৰ সৈতে জড়িত অন্যান্য বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে। বৈঠকত অসমৰ বৰ্তমান স্থিতি সম্পৰ্কে আলোকপাত কৰি উল্লেখ কৰা হয় যে ৰাজ্যখনত আনুমানিক চ লাখ হেক্টৰ ভূমি আগৰউডৰ ৰোপণেৰে আচ্ছাদিত। এই বিপুল সম্পদক মূলধন হিচাপে ব্যৱহাৰ কৰি খেতি, প্ৰচেছিং, মান সংযোজন শ্চভেলু এডিচনগ্ন, বিপণন আৰু ৰপ্তানি-এই পাঁচটা স্তৰক সামৰি এখন সুসংহত মূল্য শৃংখলা গঢ়ি তোলাৰ অৰ্থপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অংশীদাৰসকলে মত প্ৰকাশ কৰে যে এই শৃংখলা সুসংহত হ'লে অসমৰ সাঁচি কাঠ খণ্ড বিশ্ববজাৰত প্ৰতিযোগিতামূলক হৈ উঠিব আৰু স্থানীয় কৃষকসকলেও ন্যায্য মূল্য লাভ কৰিব। মত-বিনিময় অনুষ্ঠানতে কৃষিমন্ত্ৰী পীযুষ হাজৰিকাই সাঁচি কৃষকসকলৰ সৈতে পোনপটীয়াকৈ বাৰ্তালাপ কৰি তেওঁলোকৰ দৈনন্দিন সমস্যা, ব্যৱহাৰিক অসুবিধা, বজাৰৰ জটিলতা আৰু আগন্তুক সময়ৰ আশা-আকাংক্ষা সম্পৰ্কে অৱগত হয়। কৃষক আৰু ব্যৱসায়ীসকলৰ উত্থাপিত সমস্যাসমূহৰ সমাধান দ্ৰুতগতিত কৰিবলৈ আৰু খণ্ডটোৰ বিকাশ সুশৃংখল ৰূপ দিবলৈ এখন সুনিৰ্দিষ্ট 'আগৰউড নীতি' প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সভাত আগৰউডৰ পৰা উচ্চমানৰ তেল, সুগন্ধি দ্ৰব্য, ধূপ আৰু ফ্ৰেগ্ৰেন্স আদি উৎপাদন কৰি ইয়াৰ জৰিয়তে বহুসংখ্যক সংস্থাপন সৃষ্টি কৰা সম্ভৱ বুলি আলোচনা হয়। লগতে এই উদ্যোগসমূহে কৃষকৰ উপাৰ্জন কেইবাগুণো বৃদ্ধি কৰিব পাৰে বুলি আশা প্ৰকাশ কৰা হয়। ইয়াৰ উপৰি টাস্ক ফ'ৰ্চে কৃষি, বন আৰু উদ্যোগ বিভাগৰ মাজত আন্তঃবিভাগীয় সমন্বয় অধিক জোৰদাৰ কৰি এখন সুসংহত আৰু কাৰ্যকৰী ৰোডমেপ প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাখনত মুখ্য সচিব ড° ৰবি কোটাই স্পষ্টভাৱে কয় যে অংশীদাৰসকলৰ পৰা সংগৃহীত গঠনমূলক পৰামৰ্শসমূহ আগন্তুক দিনত কাৰ্যকৰী নীতি প্ৰস্তুত কৰোঁতে সম্পূৰ্ণভাৱে বিবেচনা কৰা হ'ব। চৰকাৰৰ এই সময়োপযোগী পদক্ষেপৰ জৰিয়তে অসমৰ সাঁচি কাঠ খণ্ডই অভূতপূৰ্ব গতি আৰু সম্প্ৰসাৰণ লাভ কৰিব বুলি আশাবাদ প্ৰকাশ কৰা হয়। অনুষ্ঠান শেষত অংশীদাৰসকলে চৰকাৰৰ এই উদ্যোগক স্বাগতম জনায় আৰু অদূৰৱৰ্তী সময়ত ইয়াৰ সাৰ্থক ৰূপায়ণৰ বাবে নিজৰ পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ প্ৰতিশ্ৰুতি দিয়ে।

# বিজেপিৰ সম্ভাব্য প্ৰাৰ্থী দেৱাশিস

বুলি স্বীকৃত নহয়। ৰকিবুল হুছেইনে স্পষ্টকৈ কয় যে জিলা আয়ুক্তগৰাকী যদি প্ৰাৰ্থী নহয়, তেন্তে তেওঁৰ কোনো আপত্তি নাই। কিন্তু তেওঁ ইতিমধ্যে ৰাজনৈতিক কাৰ্যসূচী আৰম্ভ কৰিছে বুলি অভিযোগ উত্থাপন কৰি অতিশীঘ্ৰে তদন্ত কৰি তেওঁৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ দাবী জনায়। উল্লেখযোগ্য যে মঙলবাৰে অসম ৰাজ্যিক নিৰ্বাচন আয়ুক্ত অনুৰাগ গোৱালে জিলাখনৰ মুৰব্বীসকলৰ সৈতে অহা উপ-নিৰ্বাচন সম্পৰ্কে পৰ্যালোচনা কৰে। তাত জিলা আয়ুক্তক লগত লৈ বৈঠক অনুষ্ঠিত কৰা হয়, যাৰ ফলত তেওঁ প্ৰাৰ্থী হ'ব পাৰে বুলি সন্দেহৰ সৃষ্টি হৈছে। ৰকিবুলে কয় যে এই পৰ্যালোচনাৰ পদ্ধতি সম্বন্ধে তেওঁ কেন্দ্ৰীয় নিৰ্বাচন আয়োগক অৱগত কৰিব। আত্মবিদ্ৰূপ আৰু ৰাজনৈতিক কটাক্ষৰে নিজৰ স্মৃতিশক্তি সম্পৰ্কে ৰকিবুল হুছেইনে কয়, "মোৰ আকৌ শ্বৰ্ট টাইম মেম'ৰি লষ্ট হৈছে, লং টাইম মেম'ৰি জাগি উঠিছে।" তেওঁ বিগত নিৰ্বাচনসমূহৰ স্মৃতিচাৰণ কৰি কয় যে তৰুণ গগৈৰ দিনত বিজেপি উঠি গৈ মোকেই হৰুৱাম বুলি কৈছিল। দ্বীপ গগৈ আহিল, তেতিয়া বদৰুদ্দিন আজমলে নিজৰ ভায়েকক প্ৰাৰ্থী কৰি ডাঙৰ হুংকাৰ দিছিল। তাৰ পিছত গৌৰৱ গগৈ আহিল, গতিকে গোটেই অংকটো জংকপংক হৈ পৰিছে। তেওঁ কয় যে যোৱাবাৰ মাৰ্ঘেৰিটাৰ পৰা এজনক মাতি অনা হৈছিল আৰু জিকাৰ পিছদিনাই 'ৰকি হাও আৰ ইউ' হৈছিল, যাৰ পৰাই ঘটনা বুজিব পাৰি। তেওঁ পুনৰুচ্চাৰ কৰে, "আমাৰো পাপ আছে, আমিও ভুল কৰিছো, মানুহ চিনাৰ ভুল।" সংবাদমেলতে ৰকিবুল হুছেইনে এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলকো কটাক্ষ কৰে। তেওঁ কয়, "বিগত লোকসভা নিৰ্বাচনত পৃথিৱীৰ ভিতৰতে ৰেকৰ্ড সংখ্যক ভোটত পৰাজিত হোৱা বদৰুদ্দিন আজমলৰ বিষয়ে মন্তব্য কৰাৰ যুক্তি নাই।" ইফালে উজনি অসমৰ ভয়াবহ বানপানী সম্পৰ্কেও তেওঁ বিজেপি চৰকাৰক সমালোচনা কৰি কয় যে এই বানপানী মানৱসৃষ্ট। তেওঁ কয় যে চৰকাৰে যথাযথ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবেই এনে বিপৰ্যয় ঘটিছে। নগাঁও লোকসভা সমষ্টিৰ আসনখন খালী হৈ থকাৰ প্ৰসংগত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনৰ পূৰ্বে ৰকিবুল হুছেইনৰ এই মন্তব্যবোৰে ৰাজনৈতিক মহলত ইতিমধ্যে চৰ্চা সৃষ্টি কৰিছে।

# বিহাৰ-উত্তৰ প্ৰদেশলৈ হাই এলাৰ্ট

বানপানীৰ আশংকা দেখা দিয়াত প্ৰশাসন সতৰ্ক হৈ পৰে। বিহাৰ চৰকাৰে সীমান্তীয় জিলাসমূহত অতিৰিক্ত সজাগতা অৱলম্বন কৰিবলৈ নিৰ্দেশ দিছে। ৰাজ্যখনত ইতিমধ্যে মুঠ ৯টা ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনী (এনডিআৰএফ)ৰ দল মোতায়েন কৰা হৈছে। এই দলসমূহে উদ্ধাৰ আৰু ত্ৰাণ কাৰ্যৰ বাবে সম্পূৰ্ণ সজাগ অৱস্থাত ৰখা হৈছে। দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ বিষয়াসকলে নদীসমূহৰ পানীৰ স্তৰ নিৰীক্ষণ কৰি থকাৰ লগতে সম্ভাব্য বানপীড়িত অঞ্চলৰ লোকসকলক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰাৰ বাবে প্ৰস্তুতি চলাইছে। ইফালে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে মহাৰাজগঞ্জ আৰু কুশীনগৰ জিলাৰ স্থানীয় প্ৰশাসনক বিশেষভাৱে সজাগ হৈ থকাৰ নিৰ্দেশ প্ৰদান কৰিছে। নেপালৰ সীমান্তৱৰ্তী এই জিলা দুখনত নদীসমূহৰ পানীৰ প্ৰবাহ বৃদ্ধি পোৱা বাবে প্ৰশাসনক গছ-গছনি আৰু নদী পাৰৰ অঞ্চলসমূহত নিয়মীয়া গস্তি চলাবলৈ নিৰ্দেশ দিয়া হৈছে। মুখ্যমন্ত্ৰী আদিত্যনাথে কৈছে, "যিকোনো ধৰণৰ দুৰ্যোগ মোকাবিলা কৰিবলৈ প্ৰশাসন সম্পূৰ্ণ প্ৰস্তুত থাকিব লাগিব। জনসাধাৰণকো সজাগ কৰি তুলিবলৈ প্ৰচাৰ চলাওক।"

# অবৈধ অনুপ্ৰৱেশ আৰু অপৰাধ

আনি দৃষ্টান্তমূলক শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰিছে সংগঠনটোৱে। আজি আমগুৰিত এক সংবাদ মেল সম্বোধন কৰি অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সম্পাদক আকাশ শইকীয়াই কয় যে বিহুৱৰকে ধৰি ৰাজ্যৰ বিভিন্ন স্পৰ্শকাতৰ অঞ্চলত অবৈধ অনুপ্ৰৱেশকাৰীৰ অবাধ বিচৰণে খিলঞ্জীয়া লোকৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। বিশেষকৈ বানপানী আদি প্ৰাকৃতিক দুৰ্যোগৰ সুযোগ লৈ চৰকাৰী তথা সংৰক্ষিত ভূমি বেদখল কৰা কাৰ্যই উজনি অসমৰ জনগাঁথনিৰ ওপৰতো প্ৰভাৱ পেলাইছে। সেয়েহে খিলঞ্জীয়া জনসাধাৰণৰ জীৱন, সম্পত্তি আৰু ভৱিষ্যত সুৰক্ষিত কৰিবলৈ প্ৰশাসনে বিশেষ পদক্ষেপ গ্ৰহণ কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে। তেওঁ চৰকাৰক পূৰ্বৰ প্ৰতিশ্ৰুতি অনুসৰি অবৈধ অনুপ্ৰৱেশকাৰীক চিনাক্ত কৰি বিতাড়ন কৰাৰ ব্যৱস্থা ক্ষিপ্ৰ কৰিবলৈ আহ্বান জনায়। ইয়াৰ সমান্তৰালকৈ স্থগিত হৈ থকা উচ্ছেদ অভিযানসমূহ পুনৰ সক্ৰিয়ভাৱে আৰম্ভ কৰি অবৈধভাৱে বেদখল হৈ থকা মাটি-ভেটি শীঘ্ৰে মুক্ত কৰিবলৈ প্ৰশাসনৰ ওচৰত দাবী জনায়। আইন-শৃংখলা অটুট ৰাখি অপৰাধৰ তদন্ত ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈও গৃহ বিভাগক বিশেষভাৱে দাবী জনাই নেতাজনে।

# মানসজ্যোতি চেতিয়াৰ মৃত্যুৰ

দণ্ডাধীশ পৰ্যায়ৰ তদন্তকাৰী বিষয়াসকলক সম্পূৰ্ণ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে মানসজ্যোতি চেতিয়াক চণ্টক বিহুৱৰ পথৰ পজাবস্তি স্কুলৰ সমীপত মটৰ চাইকেলসহ আঘাতপ্ৰাপ্ত অৱস্থাত উদ্ধাৰ কৰা হৈছিল। পিছলৈ চিকিৎসালয়ত তেওঁৰ মৃত্যু হয়। তেওঁৰ এই আকস্মিক আৰু ৰহস্যজনক মৃত্যুৰ পিছতেই তেওঁক উদ্দেশ্যপ্ৰণোদিতভাৱে হত্যা কৰা হৈছে বুলি বিভিন্ন মহলত অভিযোগ উত্থাপিত হয়। ৰাইজৰ মাজত সৃষ্টি হোৱা প্ৰতিক্ৰিয়া আৰু গুৰুতৰ অভিযোগৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ মন্ত্ৰী বিমল বৰাই ইতিমধ্যে এই সমগ্ৰ কাণ্ডৰ দণ্ডাধীশ পৰ্যায়ৰ তদন্ত হ'ব বুলি ঘোষণা কৰিছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নিৰ্দেশ অনুসৰি আৰক্ষী বিভাগে তৎক্ষণাত তদন্তক গতি প্ৰদান কৰিছে। এই নিৰ্দেশৰ পাছতে গুৱাহাটীৰ পৰা এটা বিশেষ ফৰেনছিক দল বিহুৱৰ অভিমুখে ৰাওনা হৈছে। তদন্তকাৰী দলটোত আছে আৰক্ষীৰ আইজি কে জে শইকীয়া আৰু ডিআইজি ড° ৰবিন কুমাৰ। তদন্ত দলটোৱে ঘটনাস্থলী পৰিদৰ্শন কৰাৰ লগতে প্ৰয়োজনীয় প্ৰমাণ সংগ্ৰহ কৰি ঘটনাৰ সঠিক ৰূপ উদঙাবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে। ইফালে ঘটনা সন্দৰ্ভত ইতিমধ্যে 10/26 (u/s 103(1)/3(5) BNS) নম্বৰৰ গোচৰ ৰুজু কৰা হৈছে। এই গোচৰত দুৰ্ঘটনাজনিত মৃত্যু নহৈ ই এক পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। ৰাজ্যৰ আৰক্ষী নিৰীক্ষক (ডিজিপি) হৰমিত সিঙেও সামাজিক মাধ্যমযোগে এক গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰি কয় যে মানসজ্যোতি চেতিয়াৰ মৃত্যু কোনো সাধাৰণ দুৰ্ঘটনা নাছিল, বৰঞ্চ ই এক সুনিৰ্দিষ্ট পৰিকল্পনাৰ অংশ হিচাপে সংঘটিত হত্যাকাণ্ড। ডিজিপিৰ এই মন্তব্যৰ পাছতেই ঘটনাটোক লৈ ৰাজ্যৰ ৰাজনৈতিক আৰু সামাজিক মহলত তীব্ৰ আলোচনা-সমালোচনাৰ সূত্ৰপাত ঘটে। তদন্তৰ অংশ হিচাপে জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰী চেতিয়া মানসজ্যোতি চেতিয়াৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালবৰ্গৰ পৰা প্ৰয়োজনীয় তথ্য-প্ৰমাণ সংগ্ৰহ কৰে। ঘটনাৰ আঁৰৰ ৰহস্য উদঙাবলৈ আৰক্ষীয়ে ঘটনাস্থলীৰ আশে-পাশে থকা চিচি টিভি ফুটেজ, প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্য, আৰু মোবাইল ফোনৰ তথ্য আদি সংগ্ৰহ কৰি আছে। তদন্তকাৰী বিষয়াসকলৰ মতে, অতি সোনকালে ঘটনাৰ সঠিক কাৰণ আৰু দোষীসকলৰ পৰিচয় স্পষ্ট কৰিব পৰা যাব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কঠোৰ ভাষাত কয় যে দোষী নিৰ্ণয় কৰা নহয় মানে এই তদন্ত শেষ নহয় আৰু এই ঘটনাত জড়িত সকলোকে আইনৰ সন্মুখীন কৰোৱাই হ'ব ৰাজ্য চৰকাৰৰ মূল লক্ষ্য।

# বিটিচিৰ পাঁচ জিলাৰ মুখ্য ব'ৰ্ডত

বাক্সা জিলাৰ মুছলপুৰত অনুষ্ঠিত বিপিএফৰ ৰাজনৈতিক পৰিক্ৰমা ব'ৰ্ড (পিএমবি)ৰ বৈঠকটো অত্যন্ত তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। এই বৈঠকত দলটোৰ আগন্তুক ৰাজনৈতিক কৌশল আৰু আন ৰাজনৈতিক দলৰ সৈতে সম্পৰ্ক সন্দৰ্ভত একাধিক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত মুখ্যতঃ বিজেপিৰ লগত বিপিএফে কেনেদৰে আগলৈ কাম কৰিব, সেই সম্পৰ্কীয় ৰূপৰেখা আৰু কাৰ্যপন্থাৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। দুয়োটা দলৰ মাজৰ সম্পৰ্ক সুদৃঢ় কৰি তুলিবলৈ কৌশল আৰু আগন্তুক সময়ছোৱাত সহমতত কাম কৰাৰ পদ্ধতি সম্পৰ্কে মতবিনিময় হয়। ৰাজনৈতিক বিশ্লেষকসকলে এই বৈঠকক অদূৰৱৰ্তী বিটিচি নিৰ্বাচন বা ৰাজ্যিক ৰাজনৈতিৰ বাবে এক গুৰুত্বপূৰ্ণ সূচক বুলি অভিহিত কৰিছে। বৈঠকৰ আটাইতকৈ উল্লেখযোগ্য সিদ্ধান্তটো আছিল বিটিচিৰ অন্তৰ্গত পাঁচখন জিলাৰ বিভিন্ন মুখ্য পৰিষদত বিজেপিৰ সদস্যসকলক অন্তৰ্ভুক্ত কৰাৰ পদক্ষেপ। বিপিএফে এই পাঁচখন জিলাৰ সংৰক্ষিত জনজাতি (এছ টি) ব'ৰ্ড, লেণ্ড এডভাইচাৰী ব'ৰ্ড, আৰু চেণ্ট্ৰেল চিলেকচন ব'ৰ্ডত এজনকৈ বিজেপি সদস্যক স্থান দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই কৌশলে আগন্তুক দিনত বিটিচি অঞ্চলৰ শাসন আৰু পৰিচালনাত বিজেপিৰ অংশগ্ৰহণক আনুষ্ঠানিক ৰূপ দিয়াৰ লগতে দুয়োটা দলৰ মাজৰ সমন্বয় অধিক সুদৃঢ় কৰাৰ লক্ষ্য বুলি জানিব পৰা গৈছে। অনুষ্ঠিত বৈঠকতে অহা ৫ অক্টোবৰ তাৰিখটোৰ বিশেষ গুৰুত্বও উল্লেখ কৰা হয়। কাৰণ ৫ অক্টোবৰত বিপিএফৰ বৰ্তমানৰ কাৰ্যকালে এক বছৰ সম্পূৰ্ণ কৰিব। এই বিশেষ দিনটো স্মৰণীয় আৰু অৰ্থপূৰ্ণভাৱে পালন কৰাৰ বাবে কি ধৰণৰ কাৰ্যসূচী গ্ৰহণ কৰিব পাৰি, তাৰ ওপৰত দলীয় নেতৃত্বই গভীৰভাৱে আলোচনা চলায়। বৈঠকত এই দিনটো উপলক্ষে ৰাজহুৱা অনুষ্ঠান, সাংস্কৃতিক কাৰ্যসূচী, আৰু স্মৃতিগ্ৰন্থ প্ৰকাশকে ধৰি কেইবাটাও প্ৰস্তাৱ লৈ আলোচনা কৰা হয় আৰু আগতীয়া প্ৰস্তুতি আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত উপস্থিত জ্যেষ্ঠ নেতাসকলে পাঁচখন জিলাত বিজেপি সদস্য অন্তৰ্ভুক্তিৰ জৰিয়তে অঞ্চলটোৰ বিকাশ আৰু শাসন অধিক ফলপ্ৰসূ হ'ব বুলি আশা প্ৰকাশ কৰে। লগতে ৫ অক্টোবৰৰ কাৰ্যকালৰ বাৰ্ষিকী উৎসৱে দলৰ কৰ্মকৰ্তা আৰু সমৰ্থকসকলক উৎসাহিত কৰিব বুলি মত প্ৰকাশ কৰা হয়। হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত অনুষ্ঠিত এই বৈঠকে বিটিচিৰ ৰাজনৈতিৰ লগতে অসমৰ ৰাজনৈতিক সমীকৰণতো নতুন চমক আনি দিব বুলি ৰাজনৈতিক মহলত চৰ্চা চলি আছে।

# কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লাল খট্টৰৰ

উপভোক্তাসকলক সুলভ আৰু নিৰ্ভৰযোগ্য বিদ্যুৎ যোগান নিশ্চিত কৰাৰ লগতে দীৰ্ঘম্যাদীভাৱে শক্তি খাতৰ স্থিৰতা অৰ্জন কৰা। বৈঠকত গুৱাহাটী মহানগৰীৰ বিদ্যুৎ বিতৰণ ব্যৱস্থাক অধিক শক্তিশালী, সুৰক্ষিত আৰু নিৰ্ভৰযোগ্য কৰি তোলাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীগৰাকীয়ে নগৰখনত ভূগৰ্ভস্থ কেবল স্থাপনৰ প্ৰস্তাৱ আগবঢ়ায়, যাৰ জৰিয়তে বৈদ্যুতিক দুৰ্ঘটনা হ্ৰাস কৰা, সৌন্দৰ্য্য বৰ্ধন কৰা, আৰু বিৰূপ বতৰতো যোগান অক্ষুণ্ণ ৰখাৰ সম্ভাৱনা আছে। লগতে অসমত প্ৰাকৃতিক গেছৰ সহায়ত বিদ্যুৎ উৎপাদন অধিক ফলপ্ৰসূভাৱে আৰম্ভ কৰাৰ উপায়সমূহো বিবেচনা কৰা হয়, যাৰ বাবে গেছৰ মূল্য নিৰ্ধাৰণ আৰু যোগানৰ দিশত এক সুসংহত পন্থা অৱলম্বন কৰাৰ প্ৰয়োজনীয়তা উভয় পক্ষই অনুভৱ কৰে। ইয়াৰোপৰি আৰবান চেলেঞ্জ ফাণ্ড (Urban Challenge Fund - UCF)ৰ অধীনত অসমৰ হৈ দাখিল কৰা প্ৰস্তাৱসমূহো বিস্তৃত আলোচনাৰ সূত্ৰপাত ঘটায়। মুখ্যমন্ত্ৰী শৰ্মাই এই ফাণ্ডৰ জৰিয়তে ৰাজ্যখনৰ নগৰীয় পৰিৱেশত আমূল পৰিৱৰ্তন আনিবলৈ সক্ষম বুলি মত প্ৰকাশ কৰে। অসমে এই পুঁজিৰে স্বাস্থ্যসেৱা, ক্ৰীড়া, আৰু জলবায়ু-সহনশীল আন্তঃগাঁথনি নিৰ্মাণৰ দিশত অগ্ৰাধিকাৰ দিছে, যাৰ ফলত ৰাজ্যৰ নগৰবোৰ অধিক সংহত, সজীৱ আৰু দুৰ্যোগ মোকাবিলাত সক্ষম হৈ উঠিব। বৈঠক শেষ কৰি সামাজিক মাধ্যম এক্সত প্ৰকাশ কৰা এক পোষ্টত মুখ্যমন্ত্ৰী ড° শৰ্মাই উল্লেখ কৰে যে অসমে ইতিমধ্যে শক্তি আত্মনিৰ্ভৰশীলতা অৰ্জন আৰু উপভোক্তাকেন্দ্ৰিক সংস্কাৰৰ বাবে এক উচ্চাভিলাষী যাত্ৰা আৰম্ভ কৰিছে। তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ পৰা মন্ত্ৰালয়ৰ পূৰ্ণ সমৰ্থন আৰু সক্ৰিয় সহায়ৰ আশ্বাস লাভ কৰিবলৈ সক্ষম হৈছে বুলি গৰ্বেৰে জনায়। একে সময়তে কেন্দ্ৰীয় মন্ত্ৰী মনোহৰ লাল খট্টৰেও নিজৰ এক্স পোষ্টত কয় যে বৈঠকখন অত্যন্ত ফলপ্ৰসূ আছিল আৰু ইয়াত অসমৰ দীৰ্ঘম্যাদী বিদ্যুতৰ প্ৰয়োজনীয়তা, কেন্দ্ৰীয় বিদ্যুৎ উৎপাদন কেন্দ্ৰসমূহৰ পৰা আবণ্টিত বিদ্যুৎৰ যুক্তিসংগত ব্যৱহাৰ, গুৱাহাটীৰ বিতৰণ ব্যৱস্থাত ভূগৰ্ভস্থ কেবল স্থাপনৰ প্ৰস্তাৱ, আৰু প্ৰাকৃতিক গেছৰ জৰিয়তে বিদ্যুৎ উৎপাদন আৰু মূল্য নিৰ্ধাৰণ আদি বিষয়ত এক সুগভীৰ দৃষ্টিভংগী গঢ়ি উঠিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমৰ এই পদক্ষেপসমূহক স্বাগতম জনায় আৰু আগন্তুক দিনবোৰত ৰাজ্যখনৰ উন্নয়ন অভিযানত সহায় আগবঢ়াবলৈ তৎপৰতা প্ৰকাশ কৰে।

# বকোৰ লাম্পিত চাঞ্চল্যকৰ

চিনাক্ত কৰা হৈছে। সূত্ৰমতে, হাবিলদাৰগৰাকীয়ে বেটেলিয়ান কেম্পলৈ বাহনখন লৈ যাবলৈ অসুবিধা পোৱাৰ বাবে কেম্পৰ সমীপৰ পথৰ কাষতে বাহনখন ৰাখি থৈ গৈছিল। কিছুসময়ৰ পিছত নিশাৰ ভাগত কোনো অজ্ঞাত দুৰ্বৃত্তই এই বাহনখনত উদ্দেশ্যপ্ৰণোদিতভাৱে অগ্নিসংযোগ কৰে বুলি সন্দেহ কৰা হৈছে। ঘটনা সংঘটিত হোৱাৰ লগে লগে আৰক্ষী বিভাগে সতঞ্জকাৰ্য আৰম্ভ কৰি লাম্পি সীমান্ত আৰক্ষী চকীত এখন গোচৰ (এফ আই আৰ) ৰুজু কৰে। এই গোচৰত অগ্নিকাণ্ডটি দুৰ্ঘটনাজনিত নে উদ্দেশ্যপ্ৰণোদিত, তাৰ সঠিক কাৰণ উদঙাবলৈ আৰক্ষীয়ে বিস্তৃত অনুসন্ধান আৰম্ভ কৰিছে। তদন্তকাৰী বিষয়াসকলৰ মতে, বাহনখন কেতিয়া, ক'ত আৰু কেনেকৈ পাৰ্ক কৰা হৈছিল, সেই সময়ছোৱাত ঠাইখনত কোনো সন্দেহজনক চলাচল আছিল নেকি, সেই সকলো দিশ খতিয়াই চোৱা হৈছে। ঘটনাটোৰ তদন্তক বেছি গুৰুত্ব আৰু বৈজ্ঞানিক স্বৰূপ প্ৰদান কৰিবলৈ গুৱাহাটীৰ পৰা এটা বিশেষ ফৰেনছিক দল ঘটনাস্থলীলৈ প্ৰেৰণ কৰা হৈছে। এই দলটোৱে বাহনখনৰ ধ্বংসাৱশেষ, স্ফুলিঙ্গৰ উৎস, আৰু আশে-পাশে থকা পদাৰ্থবোৰ সংগ্ৰহ কৰি বিশ্লেষণ কৰিব। ফৰেনছিক ৰিপৰ্টৰ পিছতহে অগ্নিকাণ্ডৰ আঁৰৰ সঠিক কাৰণ আৰু দোষীৰ পৰিচয় সম্পৰ্কে স্পষ্টতা আহিব পাৰে বুলি আৰক্ষী বিষয়া এগৰাকীয়ে জনায়। ইপিনে, এই ঘটনাই সীমান্ত অঞ্চলত অতিৰিক্ত নিৰাপত্তা সজাগতা বৃদ্ধি কৰাৰ লগতে দুয়ো ৰাজ্যৰ কৰ্তৃপক্ষৰ মাজত যোগাযোগ আৰু সমন্বয়ৰ প্ৰয়োজনীয়তাক অধিক গুৰুত্বপূৰ্ণ কৰি তুলিছে।

# ভাৰত-চীন বিশেষ প্ৰতিনিধি

আলোচনাৰ শেষত দুয়োপক্ষই সীমান্ত-পাৰৰ সহযোগিতাৰ অগ্ৰগতিক সন্তোষজনক বুলি অভিহিত কৰে। বৈঠকত পূব আৰু মধ্য খণ্ডত সীমান্ত সামৰিক হটলাইনৰ অতিৰিক্ত দুটা মাধ্যম মুকলি কৰাৰ লগতে দুটা পৃথক স্থানত সন্মতি প্ৰকাশ কৰা হয়। এই পদক্ষেপে সীমান্তৱৰ্তী পৰিস্থিতি সম্পৰ্কে দ্ৰুত আৰু প্ৰভাৱশালী যোগাযোগ স্থাপনত সহায় কৰিব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰি চীনৰ তিব্বত স্বায়ত্বশাসিত অঞ্চলত ভাৰতীয় চৰকাৰী তীৰ্থযাত্ৰা 'কৈলাস-মানসৰোবৰ যাত্ৰা'ৰ দলৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে চীনা পক্ষই কৰা প্ৰচেষ্টাক ভাৰতীয় পক্ষই আন্তৰিকভাৱে শলাগ লয়। সীমান্ত অঞ্চলৰ বাণিজ্য আৰু সাংস্কৃতিক আদান-প্ৰদানক গতি দিয়াত দুয়োপক্ষই গুৰুত্ব আৰোপ কৰে। তিনিটা নিৰ্ধাৰিত সীমান্ত বাণিজ্য কেন্দ্ৰ পুনৰ মুকলি কৰা কাৰ্যক আদৰণি জনাই সীমান্ত বাণিজ্য, তীৰ্থযাত্ৰা আৰু অন্যান্য ক্ষেত্ৰত আদান-প্ৰদান শক্তিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আলোচনা, শান্তি, পৰামৰ্শ আৰু সহযোগিতাৰ পৰিৱেশ গঢ়ি তোলাৰ লক্ষ্যৰে দুয়োপক্ষই একেলগে কাম কৰিবলৈ সন্মত হয়। আন্তঃসীমান্ত নদীসমূহৰ সন্দৰ্ভত অহা ছেপ্টেম্বৰ মাহত ভাৰত-চীন বিশেষজ্ঞ পৰ্যায়ৰ পৰৱৰ্তী বৈঠক অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে জলবিজ্ঞান সম্পৰ্কীয় তথ্য আদান-প্ৰদান আৰু প্ৰাসংগিক বুজাবুজিৰ চুক্তিসমূহৰ নৱীকৰণকে ধৰি বিভিন্ন বিষয়ত যোগাযোগ অব্যাহত ৰাখিবলৈ দুয়োপক্ষ সন্মত হয়। ২০২৭ চনত ভাৰতত বিশেষ প্ৰতিনিধি পৰ্যায়ৰ ২৬ সংখ্যক আলোচনা অনুষ্ঠিত কৰিবলৈও সহমত পোষণ কৰা হয়, যিয়ে এই কূটনৈতিক প্ৰক্ৰিয়াক এক নতুন উচ্চতা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। অগ্ৰণী ৰাষ্ট্ৰ দুখনৰ এই আলোচনা কেৱল ভাৰত-চীন সম্পৰ্কৰ বাবেই নহয়, সমগ্ৰ এছিয়া মহাদেশৰ শান্তি আৰু স্থিৰতাৰ বাবেও এক ইতিবাচক আৰু নিৰ্ণায়ক পদক্ষেপ। বিশেষ প্ৰতিনিধি পৰ্যায়ৰ এই আঠটা গুৰুত্বপূৰ্ণ সিদ্ধান্তই প্ৰমাণ কৰে যে সদিচ্ছা, মুকলি মনৰ আলোচনা আৰু নিৰন্তৰ প্ৰচেষ্টাৰে যিকোনো জটিল সমস্যাৰ সমাধানৰ দিশে আগুৱাই যাব পাৰি। এতিয়া সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে ২০২৭ চনত ভাৰতত অনুষ্ঠিত হ'বলগীয়া পৰৱৰ্তী বৈঠকলৈ, যিয়ে এই শান্তিপূৰ্ণ কূটনৈতিক প্ৰয়াসক অধিক সুদৃঢ় কৰিব বুলি আশা কৰা হৈছে।

অসমৰ বাবে ১০ হাজাৰ কোটি টকাৰ বিশেষ পেকেজৰ দাবী

# নামতি বামুণবাৰীত শৈক্ষিক সামগ্ৰী বিতৰণ সাংসদ গৌৰৱ গগৈৰ



**অসম বাৰ্তা, আমগুৰি, ২৭ আগষ্ট ঃ** শেহতীয়া বানত ক্ষতিগ্ৰস্ত হোৱা শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলৰ বানপীড়িত পৰিয়ালৰ কাষত থিয় দি আজি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে আমগুৰিৰ নামতি-বামুণবাৰী অঞ্চলৰ প্ৰায় ৪০০ গৰাকী বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ মাজত বিদ্যালয়ৰ প্ৰয়োজনীয় শৈক্ষিক সামগ্ৰী বিতৰণ কৰে। বানৰ ফলত শিক্ষাজীৱন ব্যাহত হোৱা ছাত্ৰ-ছাত্ৰীসকলক সামান্য হ'লেও সকাহ দিয়াৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰিছে সাংসদ জনে। বানপানীৰ পৰিস্থিতি সন্দৰ্ভত সাংসদগৰাকীয়ে উদ্বেগ প্ৰকাশ কৰি কয় যে অবৈধ খননৰ ফলত ৰাজ্যৰ বান সমস্যা অধিক জটিল হৈ পৰিছে। কেৱল শিৱসাগৰতে নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে অবৈধ খনন বন্ধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা আছে বুলি তেওঁ মন্তব্য কৰে। গৌৰৱ গগৈয়ে কয় যে উচ্চতম ন্যায়ালয়ে অসমৰ অবৈধ খনন সন্দৰ্ভত বিভিন্ন সময়ত উদ্বেগ প্ৰকাশ কৰাৰ লগতে ইয়াক বন্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰক নিৰ্দেশনা আৰু পৰ্যবেক্ষণ আগবঢ়াই আহিছে। তৎসত্ত্বেও অবৈধ খননৰ সৈতে জড়িত লোকক ৰাজনৈতিক সুৰক্ষা দিয়াৰ অভিযোগ উত্থাপন কৰি তেওঁ এই বিষয়টোক 'দুৰ্ভাগ্যজনক' আখ্যা দিয়ে। আগন্তুক দিনত ৰাইজৰ মাজত অবৈধ খননমুক্ত অসম'ৰ বাৰ্তা লৈ যোৱাৰ কথাও সাংসদগৰাকীয়ে উল্লেখ কৰে। অন্যহাতেদি বানৰ পিছতো ৰাজ্যৰ বহু অঞ্চলত খোৱাপানীৰ সংকট অব্যাহত থকা বুলি অভিযোগ কৰে সাংসদগৰাকীয়ে। বহু গাঁৱত এতিয়াও টিউবৱেলৰ পানী ব্যৱহাৰৰ উপযোগী হোৱা নাই বুলি উল্লেখ কৰি বানপীড়িত লোকসকলে বাধ্য হৈ বটলৰ পানী ব্যৱহাৰ কৰি থকাৰ কথাও তেওঁ কয়। বানপানী শুকাই নোযোৱা বহু অঞ্চলত কৃত্ৰিম বানপানীৰ সমস্যা দূৰ কৰিবলৈ চৰকাৰে পৰ্যাপ্ত যন্ত্ৰপাতি আৰু পাইপলাইন ব্যৱহাৰ কৰি পানী নিষ্কাশনৰ ব্যৱস্থা কৰিব লাগে বুলিও তেওঁ দাবী জনায়। বানত কেৱল ঘৰ-দুৱাৰেই ক্ষতিগ্ৰস্ত হোৱা নাই, গাঁওসমূহৰ আন্তঃগাঁথনি, ৰাস্তা-ঘাট, খোৱাপানীৰ ব্যৱস্থা আৰু কৃষিক্ষেত্ৰতো ব্যাপক ক্ষতি হোৱা বুলি গৌৰৱ গগৈয়ে উল্লেখ কৰে। বিশেষকৈ আগন্তুক ৰবি খেতিৰ বাবে কৃষকসকলক চৰকাৰে কি ধৰণৰ সহায় আগবঢ়াব, ট্ৰেক্টৰ তথা কৃষি সঁজুলি যোগান ধৰিব নে নাই সেই বিষয়ে স্পষ্ট নীতি ঘোষণা কৰিবলৈ তেওঁ দাবী জনায়। কেন্দ্ৰীয় চৰকাৰৰ বান সাহায্য সন্দৰ্ভতো সাংসদগৰাকীয়ে প্ৰশ্ন উত্থাপন কৰে। তেওঁৰ অভিযোগ অনুসৰি, অসমৰ তুলনাত গুজৰাটে অধিক SDRF পুঁজি লাভ কৰিছে। অথচ চলিত বৰ্ষত অসমৰ বান পৰিস্থিতি অত্যন্ত ভয়াৱহ হোৱা বুলি উল্লেখ কৰি অসমৰ বাবে অধিক পুঁজি আৰু বিশেষ সাহায্য পেকেজ ঘোষণা কৰাৰ দাবী জনায়। গৌৰৱ গগৈয়ে কয় যে অসমৰ বানত হোৱা ব্যাপক ক্ষয়-ক্ষতিৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ওচৰত ১০ হাজাৰ কোটি টকাৰ বিশেষ পেকেজৰ দাবী জনাই ছিল। তেওঁৰ মতে, বানপীড়িত লোকসকলৰ ঘৰ-দুৱাৰ, দোকান-পোহাৰ, গ্ৰাম্য পথ, খোৱাপানী আৰু কৃষিক্ষেত্ৰ পুনৰ গঢ়ি তুলিবলৈ বৃহৎ পৰিমাণৰ আৰ্থিক সহায়ৰ প্ৰয়োজন। তেওঁ লগতে কয় যে বানপীড়িতসকলৰ বাবে এতিয়ালৈকে আগবঢ়োৱা সাহায্য পৰ্যাপ্ত নহয়। কেন্দ্ৰীয় চৰকাৰে অসমৰ বান পৰিস্থিতি পৰ্যবেক্ষণ কৰিবলৈ বিশেষ পেকেজ ঘোষণা কৰা নাই বুলি অভিযোগ কৰি তেওঁ কয় যে নিৰ্বাচনৰ সময়ত অসমলৈ অহাৰ পৰিৱৰ্তে দুৰ্যোগৰ সময়ত ৰাজ্যখনৰ জনসাধাৰণৰ কাষত অধিক শক্তিশালীভাৱে থিয় দিয়াটো কেন্দ্ৰীয় চৰকাৰৰ নৈতিক দায়িত্ব। বানপীড়িত ছাত্ৰ-ছাত্ৰীৰ মাজত শৈক্ষিক সামগ্ৰী বিতৰণৰ জৰিয়তে সাংসদগৰাকীয়ে দুৰ্যোগৰ মাজতো শিক্ষাৰ ধাৰা অব্যাহত ৰখাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে অবৈধ খনন ৰোধ, বানপানীৰ স্থায়ী সমাধান, খোৱাপানীৰ সংকট দূৰীকৰণ আৰু বানপীড়িত কৃষকসকলৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰক তাৎক্ষণিক আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

৬০ দিনীয়া বিস্তৃত আই ই চি অভিযানৰ শুভাৰম্ভণি মন্ত্ৰী অশোক সিংহলৰ

# ডিব্ৰুগড়ত এইচ.আই.ভি. আৰু যৌন সংক্ৰমিত ৰোগ সন্দৰ্ভত সজাগতাৰ শুভাৰম্ভণি

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৭ আগষ্ট ঃ** সাধাৰণ জনতাৰ জ্ঞানৰ স্তৰ বৃদ্ধি কৰাৰ লগতে সমগ্ৰ অসমত এইচ.আই.ভি. আৰু যৌন সংক্ৰমিত ৰোগ সন্দৰ্ভত প্ৰয়োজনীয় তথ্যৰে জনসাধাৰণক সজাগ আৰু সচেতন কৰাৰ উদ্দেশ্যে অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত আৰম্ভ কৰিবলৈ লোৱা ৬০ দিনীয়া বিস্তৃত তথ্য, শিক্ষা আৰু যোগাযোগ আই ই চি অভিযানৰ ৰাজ্যিক পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠান আজি ডিব্ৰুগড় জিলা পুথিভঁৰালত অনুষ্ঠিত হয়। অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহালে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। শুভাৰম্ভণি অনুষ্ঠানত ৰাজ্য সভাৰ সাংসদ যোগেন মহন, চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ ইত্যাদি বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, খোৱাং বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰী, অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অতিৰিক্ত সচিব মুনীন্দ্ৰ নাথঙাটে, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ড° সৈকত পাত্ৰ, ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ উপ সভাপতি অশোক ভট্ট ৰায়, ডিব্ৰুগড় জিলা পৰিষদৰ অধ্যক্ষা পুষ্পাঞ্জলি সোণোৱাল, স্বাস্থ্য সেৱা সঞ্চালক (পৰিয়াল কল্যাণ) ড° কমলজিৎ তালুকদাৰ, অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ প্ৰকল্প সঞ্চালক ড° ইন্দ্ৰনুশী দাস, অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, ডিব্ৰুগড় জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তৃষ্ণা বড়া, যুৱ আইকন আৰু ৰাষ্ট্ৰীয় টেনিছ খেলুৱৈ অগ্নিভ ভাস্কৰ গোহাঁই, ছ'চিয়েল মিডিয়া ইনফ্লুৱেন্সাৰ সৌষ্ঠভ ভূঞাকে প্ৰমুখ্য কৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ আৰু অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ বিষয়ববীয়াসকল, ডিব্ৰুগড় জিলা প্ৰশাসনৰ বিষয়া সকল, অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ আই.চি.টি.চি. বিভাগ আৰু এ.আৰ.টি. চেণ্টাৰৰ কৰ্মচাৰী, সহযোগী বেচৰকাৰী সংস্থা, বিভিন্ন শিক্ষানুষ্ঠানৰ পৰা অহা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলো উপস্থিত থাকে। এইচ.আই.ভি. সংক্ৰমণৰ বিভিন্ন পথ সন্দৰ্ভে সজাগতা বৃদ্ধি কৰা, এইচ.আই.ভি./এইডছত আক্ৰান্ত আৰু প্ৰভাৱিত লোকসকলৰ প্ৰতি বৈষম্য দূৰ কৰাৰ উদ্দেশ্যে এইচ. আই.ভি. আৰু এইডছ (প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ) আইন, ২০১৭ সন্দৰ্ভত জ্ঞান আৰু সজাগতা বৃদ্ধি কৰা, গৰ্ভৱতী মহিলা তথা এ.এন.চি. সেৱা গ্ৰহণ কৰা মহিলাসকলৰ মাজত এইচ.আই.ভি. আৰু চিফিলিছ সম্পৰ্কে সজাগতা বৃদ্ধি কৰা, এইচ.আই.ভি. পৰীক্ষা, কণ্ডম, যৌন সংক্ৰমিত ৰোগ আদি সেৱাৰ বাবে জনসাধাৰণৰ মাজত চাহিদা সৃষ্টি কৰা আৰু ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ কাৰ্যসূচীৰ অধীনস্থ অন্যান্য সেৱাসমূহৰ লগতে ৰাষ্ট্ৰীয় এইডছ টোল-ফ্ৰী হেল্পলাইন নম্বৰ ১০৯৭-ৰ ব্যৱহাৰক উৎসাহিত কৰা, এইচ.আই.ভি. সন্দৰ্ভত সজাগতা বৃদ্ধিৰ বাবে ৰাজ্য, জিলা, খণ্ড আৰু গাঁও পঞ্চায়তৰ বিভিন্ন চৰকাৰী বিভাগ আৰু প্ৰশাসনৰ মাজত সমন্বয় আৰু সহযোগিতা শক্তিশালী কৰাই এই অভিযানৰ প্ৰধান উদ্দেশ্য বুলি মন্ত্ৰী সিংহলে উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানত বিস্তৃত আই.ই.চি. অভিযান সন্দৰ্ভত এখনি চমু তথ্যচিত্ৰ প্ৰদৰ্শন কৰাৰ লগতে সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে, এই ৬০ দিনীয়া বিস্তৃত সজাগতা অভিযানৰ অধীনত অসমৰ ৩৫খন জিলাৰ ৩৯০০খন গাঁও আৰু ৫০০ বস্তি অঞ্চল সামৰি লোৱা হ'ব। গাঁওসমূহত স্থানীয় জনসাধাৰণ, গাঁওবুঢ়া, পঞ্চায়তী ৰাজ প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকল আদি অংশীদাৰসকলৰ সৈতে সজাগতা আৰু সংবেদনশীলতা বৃদ্ধিৰ সভা অনুষ্ঠিত কৰা হ'ব। বিদ্যালয় আৰু মহাবিদ্যালয়তো সজাগতা সভা অনুষ্ঠিত কৰা হ'ব। অসমৰ বিভিন্ন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত ৰেড ৰিবন ক্লাবৰ জৰিয়তে এইচ. আই.ভি. আৰু যৌন সংক্ৰমিত ৰোগ সন্দৰ্ভে সজাগতা অধিৱেশন অনুষ্ঠিত কৰা হ'ব। এই সজাগতা অধিৱেশনসমূহত বক্তৃতা, আন্তঃক্ৰিয়ামূলক কৰ্মশালা, তথ্য, শিক্ষা আৰু যোগাযোগ সামগ্ৰী বিতৰণ, পোষ্টাৰ নিৰ্মাণ প্ৰতিযোগিতা, কুইজ, তাৎক্ষণিক বক্তৃতা, মানৱ শৃংখল গঠন, এইচ. আই.ভি. সম্পৰ্কীয় ৰীল আৰু চুটি ছবি নিৰ্মাণ আদি বিভিন্ন কাৰ্যসূচী অন্তৰ্ভুক্ত কৰা হৈছে। এই অভিযানৰ সময়ছোৱাত ৫০০খন বিদ্যালয় আৰু ২০০খন মহাবিদ্যালয় সামৰি লোৱা হ'ব। ইয়াৰ উপৰিও চৰকাৰী চিকিৎসালয়ত মুঠ ১০০টা বিশেষ শিবিৰ অনুষ্ঠিত কৰি বিনামূলীয়াকৈ এইচ.আই.ভি./যৌন সংক্ৰমিত ৰোগৰ পৰীক্ষা, পৰামৰ্শদান আৰু চিকিৎসা সেৱা প্ৰদান কৰাৰ পৰিকল্পনা কৰা হৈছে। এই ৬০ দিনত সমগ্ৰ ৰাজ্যজুৰি গণমাধ্যম যেনে ৰেডিঅ', টেলিভিছন, বাতৰি কাকত; লোকমাধ্যম যেনে নাটিকা; বাহ্যিক মাধ্যম যেনে হৰ্ডিং, কিয়স্ক, বাছ ব্ৰেণ্ডিং, তথ্য, শিক্ষা আৰু যোগাযোগ সমলৰে সজ্জিত বাহনৰ জৰিয়তে মাইকিং, সমদল আদিৰ জৰিয়তে এইচ.আই.ভি. সম্পৰ্কীয় বাৰ্তা ব্যাপকভাৱে প্ৰচাৰ কৰা হ'ব। লগতে এই ৬০ দিনীয়া বিস্তৃত আই.ই.চি. অভিযানত সামাজিক মাধ্যমৰ ব্যাপক ব্যৱহাৰৰ জৰিয়তেও এইচ.আই.ভি. আৰু যৌন সংক্ৰমিত ৰোগ সন্দৰ্ভত ব্যাপক জনসজাগতা সৃষ্টি কৰা হ'ব বুলি অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ তৰফৰ পৰা জানিবলৈ দিয়া হয়।

বানবিধ্বস্ত ৰাইজক ক্ষতিপূৰণ, চৰকাৰক ১০ হাজাৰ কোটি- অ'এনজিচিক এহেজাৰ কোটি টকাৰ পেকেজ, মঠাউৰি নিৰ্মাণ আদি নদফীয়া দাবীৰে উত্তাল

# শিৱসাগৰত সংগ্ৰামী সেনা অসমৰ অৱস্থান ধৰ্মঘট

**অসম বাৰ্তা, জয়সাগৰ, ২৭ আগষ্ট ঃ** অসমৰ অন্যতম জাতীয় সংগঠন সংগ্ৰামী সেনা অসমৰ শিৱসাগৰ জিলা সমিতিয়ে আজি বানবিধ্বস্ত ৰাইজৰ ক্ষতিপূৰণ, মঠাউৰি নিৰ্মাণকে ধৰি কেইবাটাও দাবীৰে অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। শিৱসাগৰ-চৰাইদেউৰ প্ৰলয়ংকাৰী বানপানীৰ প্ৰকৃত ৰহস্য ৰাজহুৱা কৰা, জিলা দুখনক পুনৰ আগৰ অৱস্থালৈ ঘূৰাই আনিবৰ বাবে ১০০০০ কোটি টকা চৰকাৰে আৱণ্টন কৰা, দিখৌ-দৰিকাৰ উন্মুক্ত হৈ থকা মঠাউৰি নিৰ্মাণ কৰা, নামদাং-দিলিহি নৈ আৰু লংচাই জান বেদখলমুক্ত কৰি খননৰ ব্যৱস্থা কৰা, শিৱসাগৰ নগৰক বানমুক্ত কৰিবৰ বাবে ঐতিহাসিক যমুনা আৰু দিখৌৰ এৰাসুঁতি মৰিবিলক বেদখল মুক্ত কৰি খননৰ ব্যৱস্থা কৰা, বানাক্ৰান্তক সম্পূৰ্ণ ক্ষতিপূৰণ শীঘ্ৰে প্ৰদান কৰা, মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা প্ৰথম পৰ্যায়ৰ ২৫ হাজাৰ টকা বান এলেকাৰ প্ৰতিটো পৰিয়ালক প্ৰদান কৰা, অসমৰ বান গৰাখহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যাৰূপে ঘোষণা কৰা, অ'এনজিচিয়ে বানাক্ৰান্ত ৰাইজৰ বাবে এহেজাৰ কোটি টকাৰ আৰ্থিক পেকেজ ঘোষণা কৰা আদি ৯টা দাবীৰে জিলা আয়ুক্ত কাৰ্যালয় সন্মুখৰ পৰিৱেশ উত্তাল কৰি তোলে। সংবাদমাধ্যমৰ সন্মুখত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি পংকজ খাউণ্ডে কয় যে, ১৯ জুলাইত শিৱসাগৰ আৰু চৰাইদেউ জিলালৈ যি মহাপ্ৰলয় নামি আহিছিল তাৰ প্ৰকৃত ৰহস্য আমি জানিব বিচাৰিছোঁ- সেয়া কয়লা খনন, শিল খনন, নাগালেণ্ডত ডেৱাৰ বিস্ফোৰণেই নহওক কিয়। লগতে বানত ক্ষতিগ্ৰস্ত হোৱা প্ৰতিটো পৰিয়ালক যি উচিত ক্ষতিপূৰণ দিয়াৰ কথা কৈছিল, এই উচিত ক্ষতিপূৰণ কিন্তু প্ৰত্যেকটো পৰিয়ালে আচলতে পাব লাগিব। তাৰ লগতে শিৱসাগৰ আৰু চৰাইদেউক পুনৰ আগৰ অৱস্থালৈ আনিবৰ কাৰণে অসম চৰকাৰক আমি অতি শীঘ্ৰে ১০, ০০০ কোটি টকাৰ এটা পেকেজ ঘোষণা কৰিবৰ কাৰণে দাবী উত্থাপন কৰিছো। আজি ১৫, ০০০ টকা পাবৰ কাৰণে আজি শিৱসাগৰ আৰু চৰাইদেউৰ মানুহে আন্দোলন কৰিবলগীয়া পৰিস্থিতিৰ কিয় সৃষ্টি হৈছে বুলিও প্ৰশ্ন কৰে পংকজ খাউণ্ড। লগতে তেওঁ কয় যে, শীঘ্ৰেই ১৫, ০০০ টকা আৰু পৰৱৰ্তী পৰ্যায়ত ঘোষণা কৰা ১০, ০০০ টকা অতি শীঘ্ৰে দিয়াৰ ব্যৱস্থা কৰক। দৰিকাখনৰ মথাউৰি নাই বুলিয়েই ক'ব পাৰি। ইয়াৰ ফলতেই আজি শিৱসাগৰ নগৰত এক কাল পৰ্যন্ত বানপানী। দৰিকাখনৰ মথাউৰি নথকাৰ ফলত বিস্তৃত অঞ্চল কোনোকালে খেতিয়েই নহয়। চৰকাৰৰ লগতে বিধায়ক অখিল গগৈকো আইআইটি বিশেষজ্ঞ আনি এই ক্ষেত্ৰত পদক্ষেপ হাতত ল'বলৈ আহ্বান জনায়। ইফালে নগৰৰ মাজমজিয়াত যি বানপানী হৈছে, তাৰ পৰা পৰিত্ৰাণ পাবৰ কাৰণে এই যমুনাখন অতি শীঘ্ৰে বেদখল মুক্ত কৰি খনন কৰিব লাগিব। তাৰ লগতে দিখৌ এৰাসুঁতি মৰিবিলখন এচাম অসাধু ব্যক্তিয়ে দখল কৰি শেষ কৰিলে, এই মৰিবিলখন অতি শীঘ্ৰে বেদখল মুক্ত কৰিবৰ কাৰণে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰে নেতাজনে। অ'এনজিচিৰ অসম সম্পদে বানাক্ৰান্ত ৰাইজক পুনৰ সংস্থাপনৰ কাৰণে ১, ০০০ কোটি টকাৰ এটা পেকেজ ঘোষণা কৰিবৰ কাৰণে আমি দাবী উত্থাপন কৰিছো। যদিহে গুৰুত্ব প্ৰদান নকৰে অ'এনজিচিৰ বিৰুদ্ধে এখন তীব্ৰ সংগ্ৰাম আৰম্ভ কৰিম এয়া কথা নিশ্চিত কথা। আনহাতে গৰাখহনীয়া আৰু বানপানীক অসম চৰকাৰে অতি শীঘ্ৰে যাতে ৰাষ্ট্ৰীয় সমস্যা ৰূপে ঘোষণা কৰাৰলগতে ৰাইজ বানত জুৰুলা হোৱাৰ সময়তে চৰকাৰে অত্যাৱশ্যকীয় আৰু জীৱনদায়িনী ঔষধৰ মূল্যবৃদ্ধি কৰিছে। এই মূল্য বৃদ্ধি ৰোধ কৰাত কিন্তু চৰকাৰখন চূড়ান্তৰূপে ব্যৰ্থ হৈছে। যোগান বিভাগটো মাত্ৰ নামতহে আছেবুলি মন্তব্য কৰি তেওঁলোককো এইপ্ৰতিবাদস্থলীৰ পৰা আমি সকীয়নি প্ৰদান কৰে সংগ্ৰামী সেনা অসমৰ সভাপতিজনে। প্ৰতিবাদী কাৰ্যসূচীত কেন্দ্ৰীয় যুটীয়া সম্পাদক মিণ্টু দুৱৰা, লুইচ হাজৰিকা, জিলা সমিতিৰ সভাপতি চফৰ আলি, যুটীয়া সম্পাদক যদুমণি বড়াকে ধৰি বিষয়াববীয়া-কৰ্মীসকলে অংশগ্ৰহণ কৰে।

নিৰ্মাণকাৰ্যত গাফিলতিক লৈ কঠোৰ স্থিতি; ঠিকাদাৰক এসপ্তাহৰ সময়সীমা

# মাজুলীৰ ৯খন বিদ্যালয়ত বিধায়ক-জিলা আয়ুক্তৰ আকস্মিক পৰিদৰ্শন




**অসম বাৰ্তা, উজনী মাজুলী, ২৭ আগষ্ট ঃ** মাজুলীৰ শিক্ষা খণ্ডৰ আন্তঃগাঁথনি, বিদ্যালয়সমূহৰ পৰিৱেশ আৰু শৈক্ষিক ব্যৱস্থাৰ বুজ লোৱাৰ উদ্দেশ্যে আজি স্থানীয় বিধায়ক ভুবন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে জিলাখনৰ ছখন বিদ্যালয়ত আকস্মিক পৰিদৰ্শন চলায়। পৰিদৰ্শনকালত বিদ্যালয়সমূহৰ আন্তঃগাঁথনি, নিৰ্মাণকাৰ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু শৈক্ষিক পৰিৱেশৰ বিভিন্ন দিশ পৰ্যবেক্ষণ কৰে। প্ৰথমে মাজৰ দেউৰী জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে বিধায়ক আৰু জিলা আয়ুক্তগৰাকীয়ে। বিদ্যালয়খনৰ শৌচাগাৰৰ পৰিৱেশ দেখি আয়ুক্তগৰাকীয়ে অসন্তুষ্টি প্ৰকাশ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ ওপৰত অধিক নজৰ ৰাখিবলৈ বিদ্যালয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। ইয়াৰ পিছত বৰবিল হাইস্কুল, কুলিগাঁও প্ৰাথমিক বিদ্যালয়, ৰতনপুৰ মিৰি উচ্চ মাধ্যমিক বিদ্যালয়, নেহেৰু স্মৃতি প্ৰাথমিক বিদ্যালয় আৰু শেষত শংকৰ চাপৰি হাইস্কুল পৰিদৰ্শন কৰি কাৰ্যসূচীৰ সামৰণি মাৰে। পৰিদৰ্শনকালত বিদ্যালয়সমূহৰ নিৰ্মাণকাৰ্যত হোৱা বিলম্বক লৈ বিধায়ক আৰু জিলা আয়ুক্তগৰাকীয়ে কঠোৰ স্থিতি গ্ৰহণ কৰে। বিশেষকৈ ৰতনপুৰ মিৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ বাবে প্ৰস্তাৱিত প্ৰায় ৪ কোটি টকা ব্যয়সাপেক্ষ প্ৰকল্পৰ কাম যোৱা ছমাহ ধৰি আৰম্ভ নোহোৱাত বিধায়ক ভুবন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। আনহাতে, আন এগৰাকী ঠিকাদাৰে ঠিকা লাভ কৰাৰ পিছতো বিদ্যালয়ৰ নিৰ্মাণকাৰ্য আৰম্ভ নকৰা বিষয়টোও পৰিদৰ্শনৰ সময়ত পোহৰলৈ আহে। বিষয়টোত বিধায়কগৰাকীয়ে অন-কেমেৰা ঠিকাদাৰক কঠোৰ সকীয়নি দি এসপ্তাহৰ ভিতৰত নিৰ্মাণকাৰ্য আৰম্ভ নকৰিলে ঠিকাদাৰগৰাকীক ব্লেকলিষ্ট কৰা হ'ব বুলি স্পষ্ট কৰি দিয়ে। কেইবাখনো বিদ্যালয়ৰ লেতেৰা আৰু বিশৃংখল পৰিৱেশ প্ৰত্যক্ষ কৰি বিধায়কগৰাকীয়ে অসন্তুষ্টি প্ৰকাশ কৰাৰ বিপৰীতে, আন কেইখনমান বিদ্যালয়ৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, শৃংখলা আৰু শিক্ষকসকলৰ দায়িত্বশীলতা দেখি সন্তোষ প্ৰকাশ কৰে। দায়িত্ব পালনত গাফিলতি নকৰিবলৈ সংশ্লিষ্ট শিক্ষক-শিক্ষয়িত্ৰী সকলকো সকীয়াই দিয়ে। এই পৰিদৰ্শন কাৰ্যসূচীত বিধায়ক ভুবন গাম আৰু জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ লগতে বিদ্যালয়সমূহৰ পৰিদৰ্শক, জিলা পৰিষদৰ কাৰ্যবাহী বিষয়া, উজনি মাজুলী খণ্ড উন্নয়ন বিষয়া, চেৰপাই গাঁও পঞ্চায়তৰ সভানেত্ৰী আৰু ৰতনপুৰ মিৰি গাঁও পঞ্চায়তৰ সভানেত্ৰীয়ে অংশগ্ৰহণ কৰে। মাজুলীৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়ন, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু শিক্ষাৰ গুণগত মান নিশ্চিত কৰাৰ ক্ষেত্ৰত প্ৰশাসনে আগন্তুক দিনতো এনে আকস্মিক পৰিদৰ্শন অব্যাহত ৰাখিব বুলি জানিব পৰা গৈছে।

# নৰোৱা বালিসত্ৰ পৰিদৰ্শন পূৰাতত্ত্ব বিভাগৰ সঞ্চালিকা আৰু স্থানীয় বিধায়কৰ



**অসম বাৰ্তা, বেৰেজীয়া, ২৭ আগষ্ট ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱাৰ উওৰে অৱস্থিত এখন ঐতিহ্যপূৰ্ণ সত্ৰ শ্ৰীশ্ৰী নৰোৱা বালিসত্ৰ। গুৰুজনাৰ বহু স্মৃতি বিজড়িত আপুৰুগীয়া সম্পদেৰে ভৰপূৰ সত্ৰ খনত ২৩ আগষ্টৰ দিনা উপস্থিত হয় অসম চৰকাৰৰ পূৰাতত্ত্ব বিভাগৰ সঞ্চালিকা ড° সংগীতা গগৈ। অতি প্ৰাচীন সত্ৰখনত থকা প্ৰায় পাচঁশখন সাচিঁপতীয়া পুথিৰ লগতে অ-বিজ্ঞান সন্মত ভাবে থকা সম্পদ সমূহ কিদৰে বিজ্ঞানসন্মত ভাবে মিউজিয়াম গৃহত সংৰক্ষণ কৰিব পৰা যায় তাৰ ওপৰত তেখেতে পৰিচালনা সমিতিৰ লগত এক আলোচনাত মিলিত হয়। আনহাতে এই আলোচনাত অংশ লয় ধিং বিধান সভা সমষ্টিৰ বিধায়ক মেহবুব মুক্তাৰে। বিধায়ক গৰাকীক সঞ্চালিকা গৰাকীয়ে সত্ৰখনৰ সম্পদ সমূহৰ সংৰক্ষণৰ ক্ষেত্ৰত নিজা বিধায়ক পুঁজি আগবঢ়োৱাৰ লগতে মুখ্যমন্ত্ৰীৰ সহযোগিতা লাভ কৰিবলৈ সত্ৰ পৰিচালনা সমিতিক ব্যৱস্থা গ্ৰহণৰ বাবে আহবান জনায়। লগতে বৰ্তমান ৰাজ্যৰ মুখ্যমন্ত্ৰী গৰাকীয়ে ৰাজ্যখনৰ সত্ৰ, নামঘৰ সমূহৰ উন্নয়ন সত্ৰৰ প্ৰাচীন সম্পদৰাজি সংৰক্ষণ আৰু সংবৰ্দ্ধন কৰাৰ ক্ষেত্ৰত লৈ অহা পদক্ষেপক শলাগ লোৱাৰ লগতে এই ঐতিহাসিক সত্ৰখন পৰিদৰ্শন কৰিবলৈ মাননিয় মুখ্যমন্ত্ৰী দেৱক শীঘ্ৰে আমন্ত্ৰণ জনাবলৈ পৰিচালনা সমিতিক বিধায়ক গৰাকীৰ লগতে সন্‌ঞ্চালিকা গৰাকীয়ে পৰামৰ্শ আগবঢ়ায়। এই আলোচনাত পৰিচালনা সমিতিৰ হৈ ভাগ লয় সভাপতি দিলীপ ভূঞা, কাৰ্যকৰী সভাপতি ৰোহিত কলিতা, সাধাৰণ সম্পাদক মাণিক বৰা, সহঃ সম্পাদক জীৱন বৰা, কোষাধ্যক্ষ কৃষ্ণ প্ৰসাদ কলিতা, কাৰ্যনিৰ্বাহক পুলিন বৰদলৈ, সন্তৰাম কেওঁটৰ লগতে সত্ৰৰ শুভাকাংক্ষী ধিংৰ মৃদুপৱন বৰাই।

শিৱসাগৰৰ বামুণবাৰীত "সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা"ৰ বিনামূলীয়া স্বাস্থ্য শিবিৰ সম্পন্ন

# বানপানীৰ পাছত সংক্ৰামক ৰোগৰ বিভীষিকা

**অসম বাৰ্তা, চেলেংহাট, ২৭ আগষ্ট ঃ** ৰাজ্যত বানপানীৰ বিভীষিকা লাহে লাহে কমিছে যদিও ইয়াৰ পাছতেই এতিয়া বিভিন্ন প্ৰান্তত দেখা দিছে নানা ধৰণৰ সংক্ৰামক ৰোগৰ প্ৰাদুৰ্ভাৱ। পানী কমাৰ লগে লগে বানপীড়িত অঞ্চলসমূহত চৰ্মৰোগ, পেটৰ অসুখ আদিকে ধৰি বিভিন্ন ৰোগৰ সংক্ৰমণ বৃদ্ধি পোৱাত সৰ্বসাধাৰণ ৰাইজ দুৰ্বিষহ অৱস্থাৰ সন্মুখীন হৈছে। এই জটিল সময়তে বানত ক্ষতিগ্ৰস্ত ৰাইজক সহায়ৰ হাত আগবঢ়াবলৈ আগবাঢ়ি আহিছে "সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থা।" সংস্থাটোৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু চৰাইদেউ জিলা সমিতিৰ সহযোগত নামতি সমীপৰ বামুণবাৰীত সফলতাৰে সম্পন্ন হয় এক বিশেষ বিনামূলীয়া স্বাস্থ্য শিবিৰ। অভিজ্ঞ চিকিৎসকৰ দ্বাৰা অঞ্চলটোৰ কেইবা শতাধিক স্থানীয় ৰোগীক বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে পৰীক্ষাৰ অন্তত ৰোগীসকলক প্ৰয়োজনীয় ৰোগ প্ৰতিষেধক তথা আৱশ্যকীয় ঔষধ-পাতি সম্পূৰ্ণ বিনামূলীয়াকৈ যোগান ধৰে। শিৱসাগৰ জিলা সমিতিৰ সভাপতি কৌশিক ফুকনে আঁত ধৰা এই বিশেষ কাৰ্যসূচীটোৰ শুভ উদ্বোধন কৰে গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাতুল শৰ্মাই। অনুষ্ঠানত কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক শ্যামল মহন, সহঃ সাধাৰণ সম্পাদক দীপেন মহন, মুখ্য উপদেষ্টা পংকজ গগৈ, চৰাইদেউ জিলাৰ সাধাৰণ সম্পাদক তাৰ্চিক দাসকে ধৰি কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ কেইবাগৰাকীও প্ৰমুখ বিষয়ববীয়া উপস্থিত থাকে। বানাক্ৰান্ত বামুণবাৰী অঞ্চলত বৰ্তমান ৰোগ প্ৰতিষেধক ব্যৱস্থাৰ অত্যন্ত প্ৰয়োজন হৈ পৰা সময়ত গ্ৰাম্য ঔষধ ব্যৱসায়ী সংস্থাই আগবঢ়োৱা এনে সমাজসেৱামূলক পদক্ষেপক স্থানীয় ৰাইজে আন্তৰিকতাৰে ধন্যবাদ আৰু প্ৰশংসা জ্ঞাপন কৰিছে।

# দৰঙৰ খটৰা সত্ৰৰ পাচেতি মহোৎসৱৰ অস্থায়ী কাৰ্যালয় মুকলিৰে প্ৰস্তুতি আৰম্ভ

**অসম বাৰ্তা, পাথৰিঘাট, ২৭ আগষ্ট ঃ** ১৫৬৮ খ্ৰীষ্টাব্দত লেচাকোণিয়া গোবিন্দ আটাই স্থাপন কৰা অগণন ভক্তৰ সেৱাৰ পূৰ্ণভূমি খটৰাসত্ৰত অনুষ্ঠিত হ'বলগীয়া পাচেতি মহোৎসৱৰ অস্থায়ী কাৰ্যালয় মুকলি কৰা হয়। আধ্যাত্মিক কাৰ্যসূচীৰ মাজেৰে অস্থায়ী কাৰ্যালয়ৰ দ্বাৰ মুকলি কৰে ছিপাঝাৰ সমজিলাৰ আয়ুক্ত পাপৰি দাসে। দৰঙৰ ৪৫৮ বছৰীয়া ঐতিহাসিক খটৰা সত্ৰত অহা ১৭ চেপ্তেম্বৰৰ পৰা ২০ চেপ্তেম্বৰলৈ বৰ্ণাঢ্য কাৰ্যসুচীৰে অনুষ্ঠিত হব পাচেতী মহোৎসৱ। খটৰাসত্ৰ পৰিচালনা সমিতিৰ সম্পাদক গংগা বৈশ্যই আঁতধৰা অস্থায়ী কাৰ্যালয় মুকলি অনুষ্ঠানত পাচেতী মহোৎসৱ উদযাপন সমিতিৰ সভাপতি তথা বিধায়ক ড° পৰমানন্দ ৰাজবংশী, ৰাজহ চক্ৰ বিষয়া কাবেৰী ৰং পি, পি, খটৰা সত্ৰ পৰিচালনা সমিতিৰ মুখ্য উপদেষ্টা যাদৱ চন্দ্ৰ মহন্ত, সভাপতি কুখেশ্বৰ বৈশ্য, দিপীলা গাঁও পঞ্চায়তৰ সভাপতি গজেন্দ্ৰ কলিতা, আঞ্চলিক পঞ্চায়তৰ সদস্য মৃদুল ডেকাসহ ভালেমান বিশিষ্টব্যক্তিয়ে অংশগ্ৰহণ কৰে। ৰাজ্যৰ ভিন্নপ্ৰান্তৰ অগণন ভক্ত দৰ্শনাৰ্থীৰ সমাৱেশ হবলগীয়া আগন্তুক পাচতি মহোৎসৱৰ সমূহ বৰ্ণিল কাৰ্যসূচীত ভকত, বৈষ্ণৱ আৰু ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে খটৰাসত্ৰ পৰিচালনা সমিতিৰ লগতে পাচেতী মহোৎসৱ উদ্‌যাপন সমিতিয়ে। পাচেতি মহোৎসৱৰ লগত সংগতি ৰাখি খটৰাসত্ৰ স্নাতক মহাবিদ্যালয়ৰ সাহায্যাৰ্থে অসমৰ আগশাৰীৰ ভ্ৰাম্যমাণ থিয়েটাৰ সূৰ্য্যক দুটি নিশা ১৭ আৰু ১৮ চেপ্তেম্বৰ বাবে আমন্ত্ৰণ জনাইছে। পাচেতি মহোৎসৱৰ সকলো কাৰ্যসূচীত সকলো ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে পৰিচালনা সমিতিয়ে।

# মাজুলীৰ জিলা চিকিৎসালয়ত সজাগতামূলক ৰাজহুৱা সভা

❒ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা; দল-সংগঠনৰ অংশগ্ৰহণ ❒

**অসম বাৰ্তা, উজনী মাজুলী, ২৭ আগষ্ট ঃ** মাজুলীৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী জিলা চিকিৎসালয়ত আজি এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। জিলা চিকিৎসালয়খনৰ কৰ্তৃপক্ষৰ উদ্যোগত অনুষ্ঠিত হোৱা উক্ত সভাত সভাপতিত্ব কৰে উক্ত জিলা চিকিৎসালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ঘনকান্ত নাথৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাৰ আঁত ধৰে জিলা চিকিৎসালয়খনৰ অধীক্ষক ডাঃ মাণিক মিলিয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আহ্বায়ক ভবেন কাকতিয়ে। সভাত চিকিৎসালয়ৰ ভাৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া ভীম সিদ্ধাই দৃশ্য শ্ৰাব্য মাধ্যমেৰে জিলা চিকিৎসালয়খনত পোৱা সুবিধাসমূহ দেখুৱাই। অনুষ্ঠানত অধীক্ষক ডাঃ মাণিক মিলিয়ে মাজুলীৰ জিলা চিকিৎসালয়ত থকা ডায়েলাইছিচ, চি টি স্কেন, ব্লাড বেংক, এক্সৰে, আল্ট্ৰাছাউণ্ড, লেবেৰেটৰীআদি সুবিধাসমূহৰ বিস্তৃত ব্যাখ্যা দাঙি ধৰে আৰু জিলা চিকিৎসালয়খনৰ বিয়োগাত্মক দিশ সমূহ একাংশ লোকে সামাজিক মাধ্যমত প্ৰকাশ কৰাত উদ্বেগ প্ৰকাশ কৰে আৰু মাজুলীৰ একাংশ ৰাইজৰ চিকিৎসালয়খনক শত্ৰু বুলি গণ্য কৰাৰ বাবেই মাজুলীৰ পৰা চিকিৎসক গুছি যোৱা বুলিও উল্লেখ কৰে। ডাঃ মাণিক মিলিয়ে মাজুলীৰ জিলা চিকিৎসালয়ৰ ব্লাড বেংকত বৰ্তমানলৈকে ৪৫০০ ইউনিট ব্লাড সংগ্ৰহ কৰা হৈছে বুলি কৈ তেওঁ নিগেটিভ মেচেজবোৰ সমাজলৈ নিব নালাগে বুলি ৰাইজক আহ্বান জনায়। তেওঁ জিলা চিকিৎসালয়ৰ পৰা অন্য চিকিৎসালয়লৈ ৰোগীক ৰেফাৰ কৰা, ১০৮ এম্বুলেন্স সেৱা ব্যৱস্থা, সৰ্প দংশনৰ চিকিৎসা আদি কৰি থকা হৈছে বুলি সভাত উল্লেখ কৰে। সভাত মাজুলীৰ জিলা চিকিৎসালয়খনৰ বিষয়ে সামাজিক মাধ্যমত বিয়োগাত্মক দিশ প্ৰচাৰ কৰা ভাৰতীয় জাতীয় কংগ্ৰেছে দলৰ সামাজিক মাধ্যম কোষৰ অধ্যক্ষ জীৱেশ্বৰ গামক সভাত জবাবদিহি কৰা হয়। উক্ত ৰাজহুৱা সভাত মাজুলীৰ সকলো দল সংগঠনে অংশগ্ৰহণ কৰে। সভাত মাজুলীৰ জিলা চিকিৎসালয়খন সন্দৰ্ভত মাজুলীৰ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ কিশোৰ কুমাৰ কমান, বিশিষ্ট সমাজকৰ্মী বীৰেন শইকীয়া, মাজুলী জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাণজিৎ শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা সক্ৰিয় ব্যক্তি কিশোৰী মোহন পাল, কৰ্মচাৰী পৰিষদৰ প্ৰাক্তন সভাপতি অমূল্য নাথ, মাজুলী জিলা কবি মঞ্চৰ সভাপতি যুগল হাজৰিকা, উপদেষ্টা পবিত্ৰ গোস্বামী, মাজুলী জিলা সত্ৰ মহাসভাৰ সম্পাদক জয়ন্ত হাজৰিকা, মাজুলী সুৰক্ষা মঞ্চৰ সাধাৰণ সম্পাদক জগত হাজৰিকা, অৱসৰপ্ৰাপ্ত শিক্ষক দীপ ভূঞা, সমাজকৰ্মী দিলীপ ভূঞা, সাংবাদিক সঞ্জিত অসম বৰা, যদু কলিতা, অসম গণ পৰিষদৰ মাজুলী জিলা সমিতিৰ সভাপতি ব্ৰজেন গাম, মাজুলী জিলা কংগ্ৰেছ দলৰ দীনমণি দত্ত আদিয়ে অংশগ্ৰহণ কৰি মাজুলীৰ জিলা চিকিৎসালয়খনৰ বিভিন্ন সমস্যা সমাধানৰ ওপৰত ৰাজহুৱা বক্তব্য প্ৰদান কৰে। মাজুলী জিলা চিকিৎসালয়খন অনাগত দিনত মাজুলীবাসীৰ সপোনৰ চিকিৎসালয় হৈ সকলো ৰোগীক যথোপযুক্ত চিকিৎসা প্ৰদান কৰাৰ বাবে ৰাজহুৱা সভাত আহ্বান জনায় আৰু জিলা চিকিৎসালয়খনৰ ভিতৰত এটা আৰক্ষী আউত পোষ্ট স্থাপন কৰা, চিকিৎসালয়খনত শিশু ৰোগ বিশেষজ্ঞ, ৰেডিঅ'লজিষ্ট, চেতনা নাশক বিশেষজ্ঞ, স্ত্ৰী ৰোগ বিশেষজ্ঞ নিযুক্তি দিবলৈ অসম চৰকাৰক অনুৰোধ জনায় সভাত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কেইবাশতাধিক ৰাইজ, চিকিৎসা কৰ্মী, কৰ্মচাৰী আদিৰ উপস্থিতিত অনুষ্ঠিত হোৱা উক্ত, ৰাজহুৱা সভাত শলাগৰ শৰাই আগবঢ়ায় অধীক্ষক ডা০ মাণিক মিলিয়ে।

'অসম বাৰ্তা' কল্যাণকামী সাধাৰণ জনতাৰ বাবে মাইলৰ খুটিস্বৰূপ ঃ ৰূপক বৈশ্য

# অসম বাৰ্তাৰ বাতৰিৰ প্ৰভাৱ; নলবাৰীৰ তাঁতিপাৰাৰ উন্মুক্ত বিপদসংকুল ট্ৰেন্সফৰ্মাৰত কংক্ৰিতৰ স্থায়ী বেৰ দিলে বিদ্যুৎ বিভাগে

**অসম বাৰ্তা, চামতা, ২৭ আগষ্ট ঃ** 'অসম বাৰ্তা' কল্যাণকামী সাধাৰণ জনতাৰ বাবে মাইলৰ খুটিস্বৰূপ। এই মন্তব্য প্ৰদান কৰিলে নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ, বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ (জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক তথা প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান ৰূপক বৈশ্যই। বিদ্যুৎ বিভাগৰ অসম শক্তি বিতৰণ কোম্পানী, অৰ্থাৎ এপিডিচিএলৰ একপ্ৰকাৰ হেমাহি তথা গুৰুত্বহীনতাৰ ফলশ্ৰুতিত নলবাৰী জিলাৰ নিজ পকোৱা গাঁৱৰ তাঁতিপাৰা চুবুৰিৰজন জীৱনলৈ অনা ভাবুকিৰে শিশুৰ পৰ বৃদ্ধলৈকে, স্কুলীয়া ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, কৃষক, পশুধন আদিৰ বাবে জীৱন-মৰণৰ ভয়ানক অনাকাংক্ষিত পৰিস্থিতিয়ে বহু বছৰ ধৰি চিন্তা পেলাই অহা পৰিলক্ষিত হৈছিল। পশ্চিম নলবাৰী অঞ্চলৰ পাঁচ শতাধিক জনসংখ্যা থকা তাঁতিপাৰা চুবুৰিৰ ৰাজহুৱা শ্ৰীশ্ৰীবিষ্ণু মন্দিৰৰ গাতে লাগি থকা উন্মুক্ত বিপদসংকুল ট্ৰেন্সফৰ্মাৰটোৱে বিপদ ঘটোৱাৰ আশংকা ব্যক্ত কৰিয়েই সম্পূৰ্ণ ২১ বছৰ ধৰি শিক্ষাক্ষেত্ৰখনৰ সমান্তৰালকৈ সামাজিক জীৱনত বিভিন্ন সময়ত সংস্কাৰমুখী বাৰ্তা প্ৰেৰণেৰে সদাব্যস্ত সচেতন ব্যক্তিসকলৰ ভিতৰৰ অন্যতম তথা চুবুৰিটোৰ স্থায়ী বাসিন্দা নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ, বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ (জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক তথা প্ৰতিবেদক লাইভৰ সম্পাদক প্ৰধান ৰূপক বৈশ্যই উক্ত মন্তব্য প্ৰদান কৰি বিভাগটোৰ লগতে সম্প্ৰতি জনপ্ৰিয় হৈ পৰা দৈনিক বাতৰি কাকত 'অসম বাৰ্তা'ৰ শলাগ লোৱাৰ উপৰি ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। আজি কিছুদিন পূৰ্বে উন্মুক্ত বিপদসংকুল ট্ৰেন্সফৰ্মাৰটোৱে বিপদ ঘটোৱাৰ আশংকাৰ বাতৰি'অসম বাৰ্তা' কাকতত প্ৰকাশ পোৱাৰ ঠিক পিচতেই এপিডিচিএলৰ ফালৰ পৰা স্থায়ী পকীবেৰ নিৰ্মাণ কৰি দিয়া হৈছে। উল্লেখ্য যে, ট্ৰেন্সফৰ্মাৰটোৰ এফালে ৰাজহুৱা শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ আৰু আনফালে ৰাজহুৱা দমক'ল য'ত কণ কণ শিশুসকলে মন্দিৰটোৰ প্ৰাংগণত খেলা-ধূলা কৰে, অভিভাৱক সকলেও নিজৰ সন্তানৰ বিপদৰ কথা ভাবি দিনে-নিশাই শংকিত হৈ কটাবলগীয়া হৈছিল। স্মৰ্তব্য যে, বিগত কিছু বছৰ পূৰ্বে বিষয়টোৰ সন্দৰ্ভত বিভাগীয়ভাৱে অৱগত কৰোৱা হৈছিল যদিও কেৱল বাঁহৰ বেৰ দি ট্ৰেন্সফৰ্মাৰটো অস্থায়ীভাৱেহে আৱৰি থোৱা হৈছিল। পৰৱৰ্তী সময়ত লোহাৰ স্থায়ী বেৰ দি বিপদমুক্ত কৰাৰ কথা দিয়াৰ পাচতো নিদিয়া পৰ্যন্ত চুবুৰিটোৰ স্থায়ী বাসিন্দা তথা ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যৰ তৎপৰতাত সচেতন ৰাইজে ক্ষোভ প্ৰকাশ কৰি এই দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান কৰিবলৈ বিভাগলৈ টানি অনুৰোধ জনাই আহিছিল। বিগত প্ৰায় পাঁচবছৰ পূৰ্বে স্থানীয় একাংশ সচেতন লোকৰ বক্তব্যৰে প্ৰথমতে 'প্ৰতিবেদক লাইভ'যোগে এই সমস্যা দাঙি ধৰি এক প্ৰতিবেদনো প্ৰকাশ কৰা হৈছিল। যাৰ ফলশ্ৰুতিত তাংক্ষণিকভাৱে বিভাগীয় কৰ্তৃপক্ষই অস্থায়ী ব্যৱস্থা গ্ৰহণ কৰিয়েই সামৰিছিল। পৰৱৰ্তী সময়ত কংক্ৰিতৰ বেৰ দি চিৰস্থায়ী সমাধান কৰাৰ কথা দিয়া সত্বেও বিভাগটোৱে গুৰুত্ব নিদিয়াত সাম্প্ৰতিক সময়ত জনপ্ৰিয় হোৱা কাকত 'অসম বাৰ্তা'যোগে বাতৰিটো প্ৰকাশ হোৱাৰ ঠিক পিচতেই বিভাগে কংক্ৰিতৰ বেৰ দি চিৰস্থায়ী সমাধান কৰি দিলে। এয়াই বাতৰিৰ গুৰুত্ব, এয়াই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ প্ৰতি সন্মান প্ৰদৰ্শন, এই সুদুৰপ্ৰসাৰী ধাৰা যুগান্তৰলৈ অব্যাহত থাকক, 'অসম বাৰ্তা'ৰ জয়যাত্ৰা অক্ষুণ্ণ থাকক বুলি দিয়া মন্তব্যৰে চুবুৰিটোৰ স্থায়ী বাসিন্দা তথা ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই কাকতখনৰ শলাগ লয়।

# শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ ব্ৰাউন ছুগাৰসহ কণ্টেইনাৰ জব্দ; দুজনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, শ্ৰীৰামপুৰ,** অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত ড্ৰাগছ বিৰোধী অভিযানত আৰক্ষীয়ে বৃহৎ সফলতা লাভ কৰে। গোপন খবৰৰ ভিত্তিত চলোৱা অভিযানত বৃহৎ পৰিমাণৰ নিষিদ্ধ ব্ৰাউন ছুগাৰসহ এখন ছয় চকীয়া কণ্টেইনাৰ জব্দ কৰাৰ লগতে এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত দুজন লোকক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। আৰক্ষীৰ সূত্ৰ অনুসৰি, গোপন খবৰৰ ভিত্তিত কোকৰাঝাৰ জিলাৰ উপ-আৰক্ষী অধীক্ষক প্ৰকাশ মেধী আৰু গোসাইগাঁও মহকুমা আৰক্ষী বিষয়া হেমন্ত কুমাৰ বড়োৰ যৌথ নেতৃত্বত আৰক্ষীৰ এটা দলে অভিযান চলায়। শিমুলটাপু আৰক্ষীৰ সহযোগত গঠন কৰা আৰক্ষীৰ দলটোৱে আজি বিয়লি শ্ৰীৰামপুৰৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নাকা তালাচী চকীত তালাচী অভিযান চলাই থকা সময়তে সন্দেহজনক কণ্টেইনাৰখন আটক কৰে। আৰক্ষীয়ে এ এছ ০১ পিচি ৫৬৭৩ নম্বৰৰ ছয় চকীয়া কণ্টেইনাৰখন আটক কৰি তন্নতন্নকৈ তালাচী চলায়। তালাচীৰ সময়ত কণ্টেইনাৰখনৰ ভিতৰত থকা এটা গোপন চেম্বাৰৰ সন্ধান লাভ কৰে আৰক্ষীয়ে। সেই গোপন চেম্বাৰত চাবোনৰ বাকচৰ ভিতৰত বিশেষ কৌশলেৰে লুকুৱাই অনা হৈছিল নিষিদ্ধ ব্ৰাউন ছুগাৰ। আৰক্ষীৰ অভিযানত গোপন চেম্বাৰৰ পৰা মুঠ ১৩১টা চাবোনৰ বাকচত ভৰাই অনা ব্ৰাউন ছুগাৰ উদ্ধাৰ কৰা হয়। উদ্ধাৰ হোৱা ড্ৰাগছখিনি কণ্টেইনাৰখনৰ জৰিয়তে সৰবৰাহৰ চেষ্টা চলোৱা হৈছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত কণ্টেইনাৰখনৰ চালক আৰু সহ-চালকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা দুজনক বিহাৰৰ মুজাফৰপুৰ জিলাৰ ৰাজ যাদৱ আৰু দৰভঙা জিলাৰ তিপুৰাৰী যাদৱ বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে, অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰ অঞ্চলটোত ড্ৰাগছ আৰু অন্যান্য নিষিদ্ধ সামগ্ৰীৰ সৰবৰাহ ৰোধ কৰাৰ বাবে আৰক্ষীয়ে সময়ে সময়ে নাকা তালাচী আৰু অভিযান চলাই আহিছে। ইয়াৰ মাজতে বৃহৎ পৰিমাণৰ ব্ৰাউন ছুগাৰসহ কণ্টেইনাৰ জব্দৰ ঘটনাই ড্ৰাগছ সৰবৰাহৰ বিৰুদ্ধে আৰক্ষীৰ তৎপৰতা পুনৰ স্পষ্ট কৰিছে। ইফালে, জব্দ কৰা ড্ৰাগছখিনি ক'ৰ পৰা অনা হৈছিল আৰু ক'লৈ সৰবৰাহ কৰাৰ পৰিকল্পনা কৰা হৈছিল, সেই সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। এই ড্ৰাগছ সৰবৰাহ চক্ৰৰ সৈতে আন কোনো লোক জড়িত আছে নেকি, সেই বিষয়েও আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে।

২৭ আগষ্টত অনুষ্ঠিত হ'ব "বিকশিত ভাৰত যুৱ কানে" স্প'ৰ্টছ এডিচন

# নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত NSSৰ সংবাদমেল



**অসম বাৰ্তা, চেলেংহাট, ২৭ আগষ্ট ঃ** মেজৰ ধ্যান চান্দৰ জন্ম বাৰ্ষিকী ২৯ আগষ্ট উপলক্ষে অহা ২৭ আগষ্টত সমগ্ৰ দেশজুৰি বিকশিত ভাৰত যুৱা কনে", স্প'ৰ্টচ এডিশ্বন" শীৰ্ষক এক বিশেষ ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি শিৱসাগৰ জিলাৰ নামতিস্থিত শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনি (NSS) গোটৰ উদ্যোগত এক সংবাদমেল অনুষ্ঠিত হয়। সংবাদমেলত উল্লেখ কৰা মতে, শিৱসাগৰ জিলাত "মাই ভাৰত"ৰ সহযোগত এই কাৰ্যসূচী চলোৱা হ'ব আৰু জিলাখনৰ নিৰ্বাচিত শিক্ষা প্ৰতিষ্ঠানসমূহৰ ভিতৰত শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়তো ইয়াক পোনপটীয়াকৈ সম্প্ৰচাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰ নিৰ্মাণৰ লগতে ক্ৰীড়া ক্ষেত্ৰৰ বিকাশ আৰু যুৱপ্ৰজন্মক ক্ৰীড়াৰ প্ৰতি উৎসাহিত কৰাই হৈছে এই অনুষ্ঠানৰ মূল উদ্দেশ্য। বিগত ১২ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতৰ ক্ৰীড়া খণ্ডত হোৱা যুগান্তকাৰী পৰিৱৰ্তনসমূহ আলোকপাত কৰাৰ উপৰিও ২০৪৭ চনৰ ভিতৰত "বিকশিত ভাৰত" গঢ়াৰ লক্ষ্যত যুৱসমাজক সক্ৰিয়ভাৱে জড়িত কৰোৱাৰ দিশত এই কাৰ্যসূচীয়ে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। প্ৰধানমন্ত্ৰীৰ সম্প্ৰচাৰিত ভাষণ কাৰ্যসূচী অনুসৰি, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ প্ৰায় ১, ৬০০টা স্থানৰ পৰা ভাৰ্চুৱেলী যুক্ত হ'বলগীয়া ৮ লাখৰো অধিক যুৱক-যুৱতীক উদ্দেশ্যি ভাষিক সম্বোধন আগবঢ়াব। ভাষণৰ পিছতেই এক বিশেষ বাৰ্তালাপ অনুষ্ঠান অনুষ্ঠিত হ'ব। য'ত দেশৰ যুৱ অংশগ্ৰহণকাৰীসকলে ভাৰতীয় ক্ৰীড়া খণ্ড আৰু বিকশিত ভাৰত সংক্ৰান্তত নিজৰ ধাৰণা, আকাংক্ষা আৰু পৰামৰ্শসমূহ প্ৰধানমন্ত্ৰীৰ আগত প্ৰত্যক্ষভাৱে প্ৰকাশ কৰাৰ সুযোগ পাব। আনহাতে, উক্ত অনুষ্ঠানত পেৰা এথলীট অনিম্মিতা কোঁৱৰে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

# আকাশবাণী ডিব্ৰুগড়ৰ প্ৰয়াত পিয়ানো একৰ্ডিয়ান, সুৰকাৰ ভৱেশ গোস্বামীক স্মৰণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৭ আগষ্ট ঃ** অসমীয়া সংগীত জগতৰ বিশিষ্ট শিল্পী পিয়ানো একৰ্ডিয়ান বাদক তথা সুৰকাৰ ভৱেশ গোস্বামী (টুটু))ক স্মৰণ কৰে ডিব্ৰুগড় মহানগৰৰ শিল্পী সকলে। ১৯৪৭ চনৰ ২৩ আগষ্টত তেজপুৰত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে 'সংকল্প-এক চিৰন্তন যাত্ৰা' নামৰ সমাজ-সাহিত্য-সংস্কৃতিমূলক অনুষ্ঠানৰ উদ্যোগত স্থানীয় জ্ঞানদায়িনী মন্দিৰ প্ৰাংগণত আয়োজিত স্মৃতিচাৰণ অনুষ্ঠানৰ আৰম্ভণিতে শিল্পী গৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে বিশিষ্ট সংগীত শিল্পী ৰাজেন গোহাঁই, সুৰকাৰ-গীতিকাৰ হীৰেন গোহাঁই, গীতিকাৰ সত্যেন শৰ্মা, শৈলেন দত্ত আৰু সাংস্কৃতিক কৰ্মী তথা গায়ক সুৰেশ হাতীমুৰীয়াই। আয়োজক অনুষ্ঠানটিৰ অধ্যক্ষ লীনা গোস্বামী আৰু ড° জ্যোতি স্মিতা দত্তই আঁতধৰা অনুষ্ঠানত অৰ্পণা দাসে মংগলাচৰণ পৰিৱেশন পৰিৱেশন কৰাৰ পিছতেই আকাশবাণীৰ স্বীকৃতপ্ৰাপ্ত শিল্পী ড° অদিতি বৰুৱা, জুপিতৰা কাকতি, জুপিতৰা বুজৰবৰুৱা বৰঠাকুৰ, দুলেন দত্ত, অৰ্পণা দাস, ডলী গগৈ বৰুৱা আদিয়ে প্ৰয়াত শিল্পী গৰাকীৰ দ্বাৰা সুৰাৰোপিত গীত পৰিৱেশন কৰে। আনহাতে শিল্পীগৰাকীৰ স'তে একালৰ সহকৰ্মী তথা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত কৰ্মসূত্ৰে লাভ কৰা সান্নিধ্য আৰু স্মৃতিৰ বিভিন্ন দিশ সামৰি বক্তব্য আগবঢ়াই গীতিকাৰ হীৰেণ গোহাঁয়ে কয় যে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত প্ৰায় ৯৫ শতাংশ আধুনিক গীতেই বাণীবদ্ধ কৰিছিল প্ৰয়াত ভৱেশ গোস্বামীয়ে। আনহাতে সহকৰ্মী ৰাজেন গোহাঁই, ভূপেন গগৈ, সত্যেন শৰ্মা, শৈলেন দত্ত, সুৰেশ হাতীমুৰীয়া, ত্ৰিৱেণী দাস গগৈ, শিল্পী পৰী বৰদলৈ, কানৈ কলেজৰ অধ্যাপক ড° মৃদুল শৰ্মা, ৰূপজ্যোতি দুৱৰা, ব্ৰজেন পাঠক, সুৰকাৰ বকুল দাস আদিয়েও প্ৰয়াত শিল্পী গৰাকীৰ সান্নিধ্য সম্পৰ্কত বক্তব্য আগবঢ়ায়। অনুষ্ঠানত শিল্পী গৰাকীৰ সম্পৰ্কত এখনি তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হয়।

১৫ শতাধিক লোক জলবন্দী, হাজাৰ হাজাৰ কৃষিভূমি পানীৰ তলত, এসপ্তাহ ধৰি খাদ্য আৰু খোৱা-পানীৰ সংকট

# ৰূপহীহাটৰ তামোলীটোপত কৃত্ৰিম বানৰ সংহাৰী ৰূপ

**অসম বাৰ্তা, ৰূপহীহাট, ২৭ আগষ্ট ঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত তামোলীটোপত কৃত্ৰিম বানৰ ভয়াৱহ ৰূপে জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। বিগত কেইবাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ পানী ওলাই যাব নোৱাৰাৰ ফলত তামোলীটোপ, শপতকাঢ়া, জিউমাৰী, বৰঘাট আদি কেইবাটাও অঞ্চল কৃত্ৰিম বানৰ কবলত পৰিছে। ফলত চাৰিটাকৈ ৰাজহ গাঁৱৰ ১৫ শতাধিক লোক জলবন্দী হৈ পৰিছে। কৃত্ৰিম বানৰ পানীয়ে অঞ্চলটোৰ বহু বাট-পথ বুৰাই পেলোৱাত যাতায়াত ব্যৱস্থা প্ৰায় সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। একাংশ ঠাইত পথৰ ওপৰেৰে পানী বৈ থকাৰ ফলত সাধাৰণ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত ব্যাপক সমস্যাৰ সন্মুখীন হৈছে। বিদ্যালয়লৈ যোৱা ছাত্ৰ-ছাত্ৰী, কৰ্মস্থলীলৈ যোৱা লোকৰ লগতে ৰোগী আৰু জৰুৰী প্ৰয়োজনত যাতায়াত কৰা লোকসকল বিশেষভাৱে সমস্যাত পৰিছে। কৃত্ৰিম বানৰ পানীয়ে অঞ্চলটোৰ বিস্তীৰ্ণ কৃষিভূমি বুৰাই পেলোৱাত হাজাৰ হাজাৰ বিঘা কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বহু কৃষকৰ ধাননি পথাৰ আৰু অন্যান্য খেতি পানীৰ তলত থকাত কৃষকসকল চিন্তিত হৈ পৰিছে। দীৰ্ঘদিন ধৰি পানী জমা হৈ থাকিলে কৃষিভূমিৰ ব্যাপক ক্ষতি হোৱাৰ লগতে কৃষকসকল আৰ্থিকভাৱে বিপৰ্যস্ত হোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, সোণাই নদীৰ মাজভাগত একাংশ লোকে বান্ধ নিৰ্মাণ কৰি অঞ্চলটোত ফিচাৰী আৰু বিলৰ দৰে ব্যৱহাৰ কৰাৰ ফলত স্বাভাৱিক পানী নিষ্কাশনৰ পথ বাধাগ্ৰস্ত হৈছে। ফলত বৰষুণৰ পানী নদীলৈ ওলাই যাব নোৱাৰি বিস্তীৰ্ণ অঞ্চলত জমা হৈ কৃত্ৰিম বানৰ সৃষ্টি কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে ৰাইজে। আনহাতে, এসপ্তাহ ধৰি বানৰ পানীৰ মাজত আবদ্ধ হৈ থকা বহু পৰিয়ালে খাদ্য সংকটত ভোগাৰ লগতে বিশুদ্ধ খোৱাপানীৰ বাবেও হাহাকাৰ কৰিবলগীয়া হৈছে। বানপানীৰ মাজত নিত্যপ্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰাটো কঠিন হৈ পৰিছে। বহু পৰিয়ালে পৰ্যাপ্ত বান সাহায্য লাভ নকৰাৰ অভিযোগ উত্থাপন কৰিছে। স্থানীয় বানাক্ৰান্ত ৰাইজে অভিযোগ কৰা অনুসৰি, এতিয়ালৈকে পৰ্যাপ্ত পৰিমাণে চৰকাৰী সাহায্য লাভ কৰা নাই। লগতে স্থানীয় বিধায়কে বানাক্ৰান্ত অঞ্চলসমূহৰ পৰিস্থিতিৰ বুজ ল'বলৈ উপস্থিত নোহোৱাৰ অভিযোগো উত্থাপন কৰিছে একাংশ বানপীড়িতই। এনে পৰিস্থিতিত বানাক্ৰান্ত ৰাইজে প্ৰশাসনৰ ওচৰত শীঘ্ৰে পানী নিষ্কাশনৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে। বিশেষকৈ সোণাই নদীৰ পানী নিষ্কাশনৰ পথত সৃষ্টি হোৱা বাধা আঁতৰাই প্ৰাকৃতিকভাৱে পানী ওলাই যোৱাৰ ব্যৱস্থা কৰাৰ লগতে বানাক্ৰান্ত পৰিয়ালসমূহক পৰ্যাপ্ত খাদ্য, বিশুদ্ধ খোৱাপানী আৰু অন্যান্য বান সাহায্য প্ৰদান কৰিবলৈ দাবী জনাইছে। এসপ্তাহ ধৰি পানীৰ মাজত আবদ্ধ হৈ থকা অঞ্চলবাসীৰ আশংকা-শীঘ্ৰে পানী নিষ্কাশনৰ ব্যৱস্থা নকৰিলে পৰিস্থিতি অধিক ভয়াৱহ হৈ পৰিব পাৰে। সেয়েহে চৰকাৰ-প্ৰশাসনে বিষয়টো গুৰুত্বসহকাৰে লৈ ক্ষিপ্ৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ বানাক্ৰান্ত ৰাইজে আহ্বান জনাইছে।

# ডবকাত কয়লাভৰ্তি ট্ৰাক জব্দ, তিনিজন গ্ৰেপ্তাৰ

মেঘালয়ৰ পৰা লংকা হৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ কয়লা সৰবৰাহৰ অভিযোগ

অসম বাৰ্তা, ডবকা, মেঘালয়ৰ পৰা ডিমা হাচাও হৈ অসমলৈ অবৈধভাৱে কয়লা সৰবৰাহ কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত যোগান ধৰাৰ অভিযোগত সক্ৰিয় হৈ থকা এটা বৃহৎ চোৰাং কয়লা সৰবৰাহ চক্ৰৰ তথ্য পোহৰলৈ আহিছে। ডবকা আৰক্ষীয়ে চোৰাং কয়লা কঢ়িয়াই নিয়া এখনট্ৰাক জব্দ কৰাৰ পিছতে চলোৱা তদন্তত এই চক্ৰটোৰ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ তথ্য লাভ কৰা বুলি জানিব পৰা গৈছে। আৰক্ষীৰ সূত্ৰ অনুসৰি মেঘালয়ৰ পৰা অবৈধভাৱে কয়লা অসমলৈ আনি লংকাৰ কাৰিখানাস্থিত 'জয়া কয়লা ডিপু'ত মজুত কৰাৰ পিছত ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ সৰবৰাহ কৰা হৈছিল বুলি অভিযোগ উঠিছে। দেওবাৰে নিশা উক্ত ডিপুৰ পৰা বিশ্বনাথ চাৰিআলিৰ অভিমুখে কয়লা কঢ়িয়াই নিয়া AS-26-AC-0655 নম্বৰৰ ট্ৰাকখনৰ পিছ লোৱা বুলি অভিযোগ উঠিছে AS-01-BQ-1718 নম্বৰৰ এখন ছাফাৰী বাহনসহ আন এখন অজ্ঞাত বাহনে। অভিযোগ অনুসৰি, দুয়োখন বাহনে ট্ৰাকখন ৰখাবলৈ কেইবাবাৰো চেষ্টা কৰে। পৰৱৰ্তী সময়ত নগাঁৱৰ উৰিয়াগাঁও বাই পাছত ট্ৰাকখনে ছাফাৰী বাহনখনত দুবাৰ পিছফালৰ পৰা খুন্দা মাৰি পুনৰ লংকা অভিমুখে উভতি অহা বুলি জানিব পৰা গৈছে। ঘটনাৰ পিছতে ডবকা আৰক্ষীয়ে অভিযান চলাই কয়লাভৰ্তিট্ৰাকখন জব্দ কৰাৰ লগতেট্ৰাকখনৰ চালক আৰু পৰিচালকক আটক কৰে। আটকাধীন লোকক জেৰা চলোৱাৰ সময়ত আৰক্ষীয়ে চোৰাং কয়লা সৰবৰাহৰ সৈতে জড়িত বুলি সন্দেহ কৰা জিয়াউৰ ৰহমান নামৰ এজন ব্যক্তিৰ বিষয়ে তথ্য লাভ কৰে। ইয়াৰ পিছতে আৰক্ষীয়ে অভিযান চলাই জিয়াউৰ ৰহমানৰ লগতে আজহাৰ উদ্দিন আৰু ৰাহুল আহমেদক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা তিনিও জনকে মঙলবাৰে হোজাইৰ শ্ৰীমন্ত শংকৰদেৱনগৰ আদালতত হাজিৰ কৰায়। অধিক তথ্য উদ্ধাৰ আৰু তদন্তৰ স্বাৰ্থত আদালতে তিনিও জনক এদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। আৰক্ষীৰ তদন্তত উত্থাপিত অভিযোগ অনুসৰি, লংকাৰ কাৰিখানাস্থিত 'জয়া কয়লা ডিপু'ৰ মালিক জিয়াউৰ ৰহমান। অভিযোগ অনুসৰি, ২০২২ চনৰ পৰাই ডিপুটোত বৈধ নথি-পত্ৰ নথকাৰ পিছতো মেঘালয়ৰ পৰা অবৈধভাৱে অনা কয়লা মজুত কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ সৰবৰাহ কৰি অহা হৈছিল। ইতিমধ্যে আৰক্ষীৰ তদন্তত চোৰাং কয়লা সৰবৰাহৰ সৈতে জড়িত আন বহু লোকৰ নামো পোহৰলৈ অহাৰ সম্ভাৱনা আছে। বৃহৎ পৰিসৰত চলি থকা বুলি সন্দেহ কৰা এই চক্ৰটোৰ সৈতে আৰু বহু লোক জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে তদন্তকাৰী আৰক্ষীয়ে। ইফালে, কয়লাভৰ্তিট্ৰাকখনৰ পিছ লোৱা AS-01-BQ-1718নম্বৰৰ ছাফাৰী বাহন আৰু আনখন অজ্ঞাত বাহনৰ সন্দৰ্ভত বৰ্তমানলৈ কোনো নিশ্চিত তথ্য লাভ কৰা হোৱা নাই বুলি হোজাই জিলাৰ আৰক্ষী অধীক্ষক নিৰূপম হাজৰিকাই জানিবলৈ দিয়ে। মেঘালয়ৰ পৰা কয়লা কেনেদৰে অসমত প্ৰৱেশ কৰিছিল, লংকাৰ পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তলৈ কেনেদৰে সৰবৰাহ কৰা হৈছিল আৰু এই সমগ্ৰ ব্যৱস্থাৰ আঁৰত থকা মূল চক্ৰটো কোন এই সকলো দিশ সামৰি আৰক্ষীৰ তদন্ত অব্যাহত আছে।

# উপ-নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত মৰিগাঁও জিলাত মুখ্য নিৰ্বাচনী বিষয়াৰ পৰ্যালোচনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৭ আগষ্ট ঃ** আগন্তুক উপ-নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে মৰিগাঁও জিলা প্ৰশাসনে গ্ৰহণ কৰা প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি অসম ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া (CEO)অনুৰাগ গোৱেল, IAS-এ মৰিগাঁও জিলা ভ্ৰমণ কৰে। এই উপলক্ষে মৰিগাঁও জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সন্মিলন কক্ষত মুখ্য নিৰ্বাচনী বিষয়াৰ অধ্যক্ষতাত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত মৰিগাঁও জিলাৰ আয়ুক্ত সৃষ্টি সিঙে আগন্তুক নিৰ্বাচন সুচাৰুৰূপে পৰিচালনাৰ বাবে জিলা প্ৰশাসনে গ্ৰহণ কৰা সামগ্ৰিক প্ৰশাসনিক প্ৰস্তুতি আৰু ব্যৱস্থাসমূহৰ বিষয়ে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীক অৱগত কৰে। বৈঠকত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে নিৰ্বাচনী প্ৰস্তুতিৰ বিভিন্ন দিশ, যেনে- লজিষ্টিক ব্যৱস্থা, EVM-ৰ মোতায়েন, লগতে বিভিন্ন নিৰ্বাচনী কোষৰ কাৰ্যকলাপ আৰু পাৰস্পৰিক সমন্বয়ৰ বিষয়ে পৰ্যালোচনা কৰে। তেওঁ সংশ্লিষ্ট বিষয়াসকলক সকলো প্ৰয়োজনীয় প্ৰস্তুতি নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লগতে ভাৰতীয় নিৰ্বাচন আয়োগে জাৰি কৰা নিৰ্দেশনা আৰু নীতি-নিৰ্দেশসমূহ কঠোৰভাৱে পালন কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, ACS; জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সত্যজিৎ চেতিয়া, ACS; অতিৰিক্ত জিলা আয়ুক্তসকল, সহকাৰী আয়ুক্তসকল, নিৰ্বাচনী বিষয়া, চক্ৰ বিষয়াসকল, EVM বিষয়াসকল আৰু মৰিগাঁও জিলাৰ বিভিন্ন নিৰ্বাচনী কোষৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ লগতে অন্যান্য সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

# মৰিগাঁৱত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন (P&RD) বিভাগৰ অধীনস্থ বিভিন্ন প্ৰকল্প আৰু আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনাৰ বৈঠক

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৭ আগষ্ট ঃ** মৰিগাঁও জিলাৰ জিলা আয়ুক্ত সৃষ্টী সিংৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকখনত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সত্যজিৎ চেতিয়া, এ চি এছ, লগতে খণ্ড উন্নয়ন বিষয়া সকল আৰু অন্যান্য সংশ্লিষ্ট বিষয়াসকলে অংশগ্ৰহণ কৰে। বৈঠকত জিলাখনত ৰূপায়ণ হৈ থকা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন প্ৰকল্প আৰু আঁচনিৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। সংশ্লিষ্ট বিষয়াসকলে আঁচনিসমূহৰ ৰূপায়ণৰ স্থিতি আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। বৈঠকত চলি থকা উন্নয়নমূলক প্ৰকল্প আৰু আঁচনিসমূহৰ সঠিক ৰূপায়ণৰ বাবে ফলপ্ৰসূ পৰ্যবেক্ষণ আৰু আন্তঃবিভাগীয় সমন্বয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন